Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, APRIL 23, 2025 ■ বুধবাৰ, ৯ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১৫ Guwahati, Assam ।। মূল্যঃ এটকা

## অসাৰ মোদী চৰকাৰৰ দাবী, ভূস্বৰ্গত আকৌ নৰসংহাৰ

# পেহেলগামত পৰ্যটকক গুলীয়াই উগ্ৰবাদীৰ ৰক্তস্নান

■ সন্ত্ৰাসবাদীৰ গুলীবৰ্ষণত মৃত্যুক সাবতিলে ২৮ পৰ্যটকে ■ প্ৰধানমন্ত্ৰীৰ আৰৱ ভ্ৰমণৰ সময়তে বৃহৎ অঘটন

শ্ৰীনগৰ/জম্মু, ২২ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ ওপৰত সংঘটিত ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণত ৰক্তাক্ত হৈ পৰিল ভূস্বৰ্গ। এই আক্ৰমণত অতিকমেও ২ পৃষ্ঠাত


কাশ্মীৰত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছৰ দৃশ্য

## ইউপিএছচিৰ ফলাফল
## শীৰ্ষত শক্তি, অসমৰ ভাস্বতেও পালে সফলতা

ই-সংবাদ, ২২ এপ্ৰিলঃ ব'হাগৰ বতৰতে অসমলৈ আহিছে এক অত্যন্ত সুখৰ খবৰ। আজি ঘোষিত কেন্দ্ৰীয় ৩ পৃষ্ঠাত


নিশাই কাশ্মীৰত অমিত শ্বাহ

## গুৱাহাটী উচ্চ ন্যায়ালয়ত বোমাতংক

ই-সংবাদ, ২২ এপ্ৰিলঃ এটা অখ্যাত ই-মেইলে আজি গুৱাহাটী আৰক্ষীৰ ৪ পৃষ্ঠাত

## আদালতৰ ৰোষত যোগগুৰু বাবা ৰামদেৱ

নতুন দিল্লী, ২২ এপ্ৰিলঃ আকৌ আদালতৰ ৰোষত যোগগুৰু বাবা ২ নং পৃষ্ঠাত

## এজাক বৰষুণতে উটি গ'ল মহানগৰীৰ ভেম! মহাসাগৰত পৰিণত হ'ল ৰাজধানী চহৰ

ই-সংবাদ, ২২ এপ্ৰিলঃ ৰাজ্য চৰকাৰৰ অকৰ্মণ্যতাৰ বাবে মহানগৰবাসীৰ ভেম ঘণ্টাৰ ভিতৰতে উটি-ভাঁহি গ'ল। সাত বিহু সমাপ্ত হোৱাৰ পিছতে শেষাংশ ৪ পৃষ্ঠাত



## 'আহোমৰ সৈতে লুঙীৰ কি সম্পৰ্ক?'

ই-সংবাদ, ২২ এপ্ৰিলঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ দিনত আঁচনিত যোগে লুঙী, ধুতি দিয়াৰ শেষাংশ ৪ পৃষ্ঠাত

## অভিনেতাক আক্ৰমণ চুবুৰীয়াৰ

ই-সংবাদ, ২২ এপ্ৰিলঃ ৰঙালীৰ আনন্দৰ মাজতে ৰাজ্যত আন এগৰাকী অভিনেতা ৪ পৃষ্ঠাত

## প্ৰাৰ্থীক ভয়-ভাবুকি বিজেপিৰ!
## নিৰ্বাচন আয়ুক্তক সাক্ষাৎ কংগ্ৰেছ দলৰ



ই-সংবাদ, ২২ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ তুলি নদুৱাৰ আৰু ঢেকীয়াজুলি বিধানসভা সমষ্টি শেষাংশ ৫ পৃষ্ঠাত

## ভাৰতে বন্ধ কৰিলে বাংলাদেশৰ ৰে'ল প্ৰকল্পৰ কাম

দুই দেশৰ সম্পৰ্কৰ অৱনতি

ঢাকা, ২২ এপ্ৰিলঃ ভাৰত-বাংলাদেশ সম্পৰ্কত ক্ৰমাৎ বৃদ্ধি পোৱা তিক্ততাৰ মাজতে প্ৰায় পাঁচ হাজাৰ কোটি টকা ব্যয়মূল্যৰ বাংলাদেশৰ কেইবাটাও ৰে'ল প্ৰকল্পৰ কাম ৪ নং পৃষ্ঠাত

বিমোৰত মোদী চৰকাৰ

## ছুপ্ৰিম ক'ৰ্টৰ অৱমাননাক লৈ স্পষ্টীকৰণ

নতুন দিল্লী, ২২ এপ্ৰিলঃ দেশৰ ন্যায়পালিকাৰ ওপৰত ইটোৰ পিছত সিটো আক্ৰমণ চলাই গৈছে কেন্দ্ৰৰ শেষাংশ ৫ পৃষ্ঠাত

## উৎপাত নকৰ! মানা কৰা বাবেই নৃশংসভাৱে হত্যা বেদাংগক

বিহুৰ অনুষ্ঠানত উদণ্ড যুৱকৰ জাকৰ তাণ্ডৱ

ই-সংবাদ, যোৰহাট, ২২ এপ্ৰিলঃ ঝংকাৰ শইকীয়া, অভি-নীল, ডাঃ দেৱেন দত্ত, অনিমেষ ভুঞাৰ দৰে বৰ্বৰ গণপ্ৰহাৰ কাণ্ডৰ পিছতো ৰাজ্যখনৰ একাংশ লোক সজাগ নহ'ল। কাৰোবাৰ ঘৰৰ আপোন ৬ পৃষ্ঠাত



## মুখ্যমন্ত্ৰীয়ে উলংঘা কৰিছে নিৰ্বাচনী বিধি!

অভিযোগ লুৰীণ গগৈৰ

ই-সংবাদ, ২২ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনক লৈ শাসক-বিৰোধীয়ে তীব্ৰ অভিযান ৫ পৃষ্ঠাত চাওক

## ছাৰ্ভাৰ ডাউন হৈ থকা 'শিক্ষা সেতু'লৈ প্ৰধানমন্ত্ৰীৰ বঁটা

ই-সংবাদ বিশেষ, ২২ এপ্ৰিলঃ অসমৰ শিক্ষা বিভাগৰ প্ৰশাসনিক কাম-কাজ চলোৱাৰ বাবে অসম চৰকাৰে মুকলি কৰা শিক্ষা সেতু অসম নামৰ এনড্ৰইড এপটোৱে লাভ কৰিলে প্ৰধানমন্ত্ৰী বঁটা। দক্ষভাৱে প্ৰশাসনিক কাম-কাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত এই এপ্লিকেচনটোৱে প্ৰদান কৰা উৎকৃষ্ট মানৰ সেৱাৰ বাবে দেওবাৰে অসামৰিক সেৱা দিৱসৰ দিনা এই বঁটা প্ৰদান কৰা হয়। অসম চৰকাৰৰ হৈ এই বঁটা গ্ৰহণ কৰে সমগ্ৰ শিক্ষা অসমৰ পৰিচালনা সঞ্চালক ৩ নং পৃষ্ঠাত

প্লে ষ্টৰত ৰেটিং ২.৭, বাৰে বাৰে হয় ক্ৰাচ ষ্টপ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদালতৰ ৰোষত যোগগুৰু বাবা ৰামদেৱ

ৰামদেৱ। এইবাৰ 'চৰবত জেহাদ' মন্তব্যৰ বাবে আইনী সমস্যাত পৰিল যোগগুৰু। ভাৰতৰ জনপ্ৰিয় পানীয় কোম্পানী ৰুহ আফজাক লৈ কৰা বিতৰ্কিত মন্তব্যৰ বাবে তেওঁ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে। উল্লেখ্য যে, ৰুহ আফজাৰ চৰবট বিক্ৰীৰ ধনেৰে দেশত মছজিদ আৰু মাদ্ৰাছা নিৰ্মাণ কৰা হৈছে বুলি দাবী কৰিছিল ৰামদেৱে। পতঞ্জলিৰ চৰবটৰ প্ৰচাৰ চলাবলৈ গৈ চৰবট জেহাদৰ কথা কোৱা বাবা ৰামদেৱৰ এই মন্তব্যক লৈ দেশজুৰি বলে বিতৰ্কৰ ধুমুহা। ইয়াৰ পিছতে বাবা ৰামদেৱৰ বিৰুদ্ধে আদালতত দাখিল কৰা এক আবেদনৰ শুনানিত দিল্লী উচ্চ ন্যায়ালয়ে তেওঁৰ এই মন্তব্যক কঠোৰভাৱে গৰিহণা দি এয়া “অবিবেচক” বুলি অভিহিত কৰে। আদালতৰ এনেধৰণৰ সমালোচনাৰ পিছতে বাবা ৰামদেৱে তেওঁৰ সেই বিতৰ্কিত ভিডিঅ’টো সামাজিক মাধ্যমৰ পৰা ডিলিট কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। উল্লেখ্য যে, চলিত মাহত ৰামদেৱে তেওঁৰ কোম্পানী পতঞ্জলিৰ চৰবটৰ প্ৰচাৰৰ এটা ভিডিঅ’ মুকলি কৰিছিল। এই ভিডিঅ’টো ‘পতঞ্জলি প্ৰডাক্টছ’ৰ অফিচিয়েল ফেচবুক পেজত প্ৰকাশ কৰা হৈছে। ভিডিঅ'টোৰ কেপচনত লিখা আছে, "চৰবট জেহাদ'ৰ নামত বিক্ৰী হোৱা শীতল পানীয় আৰু শৌচাগাৰ চাফাই যন্ত্ৰৰ বিষৰ পৰা আপোনাৰ পৰিয়াল আৰু নিৰীহ শিশুক ৰক্ষা কৰক। ঘৰলৈ কেৱল পতঞ্জলিৰ চৰবট আৰু জুছ হে আনিব।" ভিডিঅ’টোত ৰামদেৱে পোনপটীয়াকৈ শীতল পানীয়ক উপহাস কৰি ইয়াক ‘টয়লেট ক্লিনাৰৰ বিষৰ সমতুল্য’ বুলি অভিহিত কৰিছে। তেওঁ কয়, "এই দেশৰ কিছুমান মানুহে সেই ধনেৰে মছজিদ আৰু মাদ্ৰাছা নিৰ্মাণৰ লক্ষ্যৰে এনে চৰবট বিক্ৰী কৰি আছে।" যদিও ভিডিঅ’টোত কোনো কোম্পানীৰ নাম উল্লেখ কৰা হোৱা নাছিল, তথাপিও নেটিজেনসকলৰ বুজাত কোনো অসুবিধা হোৱা নাছিল যে আচলতে ৰামদেৱে তেওঁৰ এনে মন্তব্যৰে হামদাৰ্ডৰ ৰুহ আফজাকে লক্ষ্য কৰি লৈছিল। এই ভিডিঅ’টো ইণ্টাৰনেটত বিয়পি পৰাৰ লগে লগে সমগ্ৰ দেশতে গৰিহণাৰ ধুমুহাৰ সৃষ্টি হয়। তাৰ পিছতে বিষয়টোৱে আদালতৰ মজিয়া পায়। ৰুহ আফজাৰ নিৰ্মাতাসকলে দাখিল কৰা এক আবেদনৰ মঙলবাৰে শুনানি গ্ৰহণ কৰে দিল্লী উচ্চ ন্যায়ালয়ে। শুনানিৰ সময়ত ন্যায়াধীশ অমিত বংশালে কয়, "এনে বক্তব্যই আদালতৰ বিবেক আৰু নৈতিকতাক আঘাত কৰে। ইয়াৰ সপক্ষে কোনো যুক্তি দিব নোৱাৰি।" উচ্চ ন্যায়ালয়ৰ স্পষ্ট তিৰস্কাৰৰ এঘণ্টাৰ ভিতৰতে ৰামদেৱৰ অধিবক্তাই আদালতত কয় যে বিতৰ্কিত ভিডিঅ’টো আঁতৰোৱা হ’ব। অৱশ্যে এই বিষয়ত এতিয়াও চূড়ান্ত নিৰ্দেশ দিয়া নাই আদালতে। পৰবৰ্তী শুনানিৰ সময়ত পুনৰ আলোচনা হোৱাৰ সম্ভাৱনা আছে। যোগগুৰু ৰামদেৱে পূৰ্বেও বিতৰ্কিত মন্তব্যৰ বাবে শিৰোনাম দখল কৰিছিল। এইবাৰ আদালতৰ প্ৰত্যক্ষ তিৰস্কাৰৰ বাবে তেওঁ হেঁচাত পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগামত পৰ্যটকৰ তেজেৰে উগ্ৰবাদী

২৮ জনকৈ পৰ্যটক নিহত হোৱাৰ লগতে আহত হৈছে আন কেইবাজনো। ইতিমধ্যে আহতসকলক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ লৈ যোৱাৰ বাবে সেনাৰ হেলিকপ্টাৰ নিয়োগ কৰা হৈছে। সমগ্ৰ ঘটনা সন্দৰ্ভত কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ফোনযোগে অমিত শ্বাহক তত্‍তৈয়াকৈ সেই স্থানত উপস্থিত হ’বলৈ কোৱা হৈছে। জানিব পৰা মতে, বাইছাৰন উপত্যকাৰ জংঘলত বন্দুকৰ গুলীৰ শব্দই পৰ্যটকৰ মাজত আতংকৰ সৃষ্টি কৰে। এই দুৰ্গম পাহাৰীয়া অঞ্চলটোত খোজকাঢ়ি বা ঘোঁৰাত উঠিহে যাব পাৰি। সূত্ৰটোৰ মতে, পৰ্যটকসকলে খোজকাঢ়ি গৈ থকাৰ সময়তে ছদ্মবেশত অহা সন্ত্ৰাসবাদীয়ে তেওঁলোকক লক্ষ্য কৰি গুলীবৰ্ষণ কৰে। এই আক্ৰমণত ২৫ জন পৰ্যটক নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হোৱা বুলি চৰকাৰী সূত্ৰই সদৰী কৰিছে। আহতসকলৰ অধিকৰে অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। ইফালে এই ঘটনাৰ পিছতে গৃহমন্ত্ৰী অমিত শ্বাহে দিল্লীৰ নিজৰ বাসগৃহত জৰুৰী নিৰাপত্তা বৈঠক আহ্বান কৰে। আইবি প্ৰধান তপন দে’ আৰু গৃহ সচিব গোবিন্দ মোহনো উপস্থিত থাকে বৈঠকত। ভিডিঅ’ কনফাৰেন্সত যোগদান কৰে চিআৰপিএফৰ মুৰব্বী জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, জম্মু-কাশ্মীৰ আৰক্ষীৰ ডিজি নলিন প্ৰভাত আৰু সেনা বিষয়াসকলে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতেও অমিত শ্বাহে কথা পাতে। উপ- ৰাজ্যপাল মনোজ সিনহাই কয় যে আক্ৰমণকাৰীক বিচাৰি উলিয়াবলৈ আৰু নিৰ্মূল কৰিবলৈ অভিযান আৰম্ভ কৰা হৈছে। তেওঁৰ ভাষাত, "এই নৃশংস আক্ৰমণৰ বাবে উগ্ৰপন্থীয়ে উচিত মূল্য দিব লাগিব।" উল্লেখ্য যে কাশ্মীৰৰ স্বৰ্গীয় প্ৰাকৃতিক সৌন্দৰ্যৰে আগুৰি থকা পেহেলগামত প্ৰতি বছৰে হাজাৰ হাজাৰ পৰ্যটকৰ ভিৰ হয়। গ্ৰীষ্মকালীন পৰ্যটনৰ শিখৰত সংঘটিত হোৱা এই আক্ৰমণে সমগ্ৰ উপত্যকা কঁপাই তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই বৰ্বৰ আক্ৰমণক তীব্ৰ গৰিহণা দি কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আমাৰ যুঁজ অদম্য আৰু শক্তিশালী হ’ব। প্ৰণিধানযোগ্য যে জম্মু-কাশ্মীৰৰ পৰা ৩৭০ প্ৰত্যাহাৰৰ পিছত ভূস্বৰ্গত সন্ত্ৰাসবাদ হ্ৰাস পোৱা বুলি দাবী কৰি আহিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিয়ে। বহু নিৰ্বাচনী প্ৰচাৰ সভাপতো জম্মু-কাশ্মীৰৰ পৰা ৩৭০ প্ৰত্যাহাৰক এক অভূতপূৰ্ব সাফল্য আখ্যা দি বাহ বাহ লোৱা দেখা গৈছিল মোদী আৰু আন বিজেপি নেতাসকলক। কিন্তু শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ এই সাফল্যক খাৰিজ কৰি উপ-ৰাজ্যপাল মনোজ সিনহাই দাবী কৰে যে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদ হ্ৰাস হোৱা নাই, বৰং বিগত সময়ৰ তুলনাত বৃদ্ধিহে হৈছে। উপ-ৰাজ্যপাল সিনহাৰ এই দাবীক লৈ দেশজুৰি অব্যাহত থকা প্ৰতিক্ৰিয়াৰ মাজতে পুনৰ ভূস্বৰ্গত পৰ্যটকৰ ওপৰত সংঘটিত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাই উপত্যকাটোৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ নতুন প্ৰশ্নৰ উদয় ঘটাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৌদি আৰবৰ পৰা ঘটনাক গৰিহণা দি তৎক্ষণাৎ গৃহমন্ত্ৰী অমিত শ্বাহক ঘটনাস্থলী ভ্ৰমণ কৰি ঘটনাৰ বুজ লোৱাৰ লগতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল’বলৈ নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয় যে জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক মই তীব্ৰ গৰিহণা দিছো। যিসকলে তেওঁলোকৰ প্ৰিয়জনক হেৰুৱাইছে তেওঁলোকৰ প্ৰতি সমবেদনা। মই প্ৰাৰ্থনা কৰোঁ যে আঘাতপ্ৰাপ্তসকল অতি সোনকালে আৰোগ্য হওক। প্ৰভাৱিত লোকসকলক সকলো সম্ভৱ সহায় আগবঢ়োৱা হৈছে। এই জঘন্য কাৰ্যৰ আঁৰত থকাসকলক ন্যায়ৰ সন্মুখীন কৰা হ’ব... তেওঁলোকক এৰি দিয়া নহ’ব! তেওঁলোকৰ দুষ্ট কাৰ্যসূচী কেতিয়াও সফল নহ’ব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ আমাৰ সংকল্প অটল আৰু ই আৰু অধিক শক্তিশালী হ’ব। ইফালে, পহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে চৌদি আৰৱ ভ্ৰমণ সামৰি ভাৰতলৈ ৰাওনা হ’ব বুলি জানিব পৰা গৈছে। আনহাতে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে এই ঘটনাক তীব্ৰ নিন্দা কৰিছে। ৰাহুল গান্ধীয়ে জম্মু-কাশ্মীৰত সংঘটিত কাপুৰুষোচিত সন্ত্ৰাসবাদী আক্ৰমণত পৰ্যটক নিহত আৰু বহুলোক আহত হোৱাৰ বাতৰি অত্যন্ত নিন্দনীয় আৰু হৃদয়বিদাৰক। মই শোকসন্তপ্ত পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো আৰু আহতসকলৰ আশু আৰোগ্যৰ আশা কৰিছো। সমগ্ৰ দেশ সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হৈছে। জম্মু-কাশ্মীৰত পৰিস্থিতি স্বাভাৱিক বুলি ফোঁপোলা দাবী কৰাৰ পৰিৱৰ্তে, চৰকাৰে এতিয়া দৃঢ় ব্যৱস্থা লোৱা উচিত - যাতে এনে বৰ্বৰ ঘটনা আৰু অধিক নহয় আৰু নিৰীহ ভাৰতীয়সকলে প্ৰাণ হেৰুৱাব নোৱাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই নৰসংহাৰক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। শৰ্মাই কয় যে জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত ঘটনাটি অত্যন্ত গৰিহণাযোগ্য। আমি সম্পূৰ্ণ বিশ্বাসী যে ভাৰতবৰ্ষই আজিৰ এই আক্ৰমণৰ ঘটনাৰ বাবে দায়ী কাপুৰুষসকলক চিনাক্ত কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব। এই স্পৰ্শকাতৰ তথা কাৰুণ্যভৰা মুহূৰ্তত সমগ্ৰ দেশ শোকসন্তপ্ত পৰিয়ালসমূহৰ সৈতে কান্ধত দৃঢ়ভাৱে আছে। এই ঘটনাটোক আন্তঃৰাষ্ট্ৰীয় মহলেও তীব্ৰ নিন্দা কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শীৰ্ষত শক্তি, অসমৰ ভাস্বতেও পালে

লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলত অসম সন্তানে সুখ্যাতিৰে উত্তীৰ্ণ হৈ অসমৰ নাম উজলাই তুলিছে। ঘোষিত ফলাফল অনুসৰি অসমৰ যুৱক ভাস্বত শইকীয়া সুখ্যাতিৰে উত্তীৰ্ণ হৈ অসমলৈ নাম উজলাই তুলিছে। ৪৭৪ সংখ্যক স্থানত উজলিছে নগাঁও জিলাৰ ভাস্বত শইকীয়া। বিগত বৰ্ষত সৰ্বভাৰতীয় পৰ্যায়ত ৫৫২ সংখ্যক স্থান লাভ কৰি ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হিচাপে কৰ্মৰত আছিল ভাস্বত শইকীয়া। আজি ফলাফল ঘোষণাৰ পিছতে ভাস্বতৰ পৰিয়ালত আনন্দৰ জোৱাৰ উঠে। পিতৃ-মাতৃয়ে আনন্দ প্ৰকাশ কৰিছে। তেওঁ কয় যে মোৰ ভাল লাগিছে। ট্ৰেণ্ড চাই আইপিএছ হোৱাৰ চান্স বেছি আছে। যদি আইএএছ হৈ যাওঁ তেন্তে লাকৰ কথা। মোৰ পঢ়াৰ আগ্ৰহ আছে। পঢ়াত এবাৰ মন বহিলে অসুবিধা নাথাকে বুলি উল্লেখ কৰি পঢ়াৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগ পাইছিলো বুলি উল্লেখ কৰে। মানসিক স্বাস্থ্য, খোৱা-বোৱা আদিৰে পৰা সকলোতে পৰিয়ালে গুৰুত্ব দিয়াৰ কথাও উল্লেখ কৰে। পিতৃয়ে কয় যে মোৰ পুত্ৰই তিনিবৰাকৈ ইউপিএছচি ক্লিয়াৰ কৰিছে। এইবাৰ সি উত্তীৰ্ণ হৈছে। মাতৃয়ে কয় যে ইউপিএছচি টাফ পৰীক্ষা সি সফলতাৰে উত্তীৰ্ণ হৈছে সেইকাৰণে ভাল লাগিছে। প্ৰতিবাৰে সি সফল হৈছে সেইটো এটা ভাল লগা কথা। সদৌ অসম ছাত্ৰ সন্থাই ভাস্বত শইকীয়াক অভিনন্দন জ্ঞাপন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে ব'হাগৰ বতৰত অসমলৈ সুখবৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ সৰ্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত ৪৭৪ সংখ্যক স্থান লাভ কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছে নগাঁৰৰ ভাস্বত শইকীয়াই। তেওঁলৈ আমি আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছো। অনাগত সময়ত লোকসেৱাৰ মাধ্যমেৰে জনতাৰ হৈ সেৱা আগবঢ়াই নিজৰ লগতে অসম মাতৃক সমৃদ্ধ কৰিব বুলি আমি আশাবাদী। আনহাতে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে শইকীয়াক শুভেচ্ছা জ্ঞাপন কৰি নতুন প্ৰজন্মৰ বাবে আদৰ্শ হওক বুলি কয়। ২০২৪ চনৰ লোকসেৱা পৰীক্ষাৰ লিখিত অংশৰ ফলাফলৰ ভিত্তিত এই ফলাফল ঘোষণা কৰা হয়, যি ২০২৪ ৰ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল। আনহাতে ব্যক্তিত্ব পৰীক্ষাৰ সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল ২০২৫ ৰ জানুৱাৰী-এপ্ৰিল মাহত। ফলাফল অনুসৰি শক্তি ডুবেয়ে প্ৰথম স্থান দখল কৰাৰ বিপৰীতে হৰ্ষিতা গোৱেল আৰু ডংগ্ৰে আৰ্চিত পৰাগে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিছে। এই পৰীক্ষাত মুঠ ৫,৮৩,২১৩ গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হৈছিল আৰু মুঠ ১,০০৯ গৰাকী পৰীক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। শীৰ্ষস্থান দখল কৰা শক্তি ডুবে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ বাসিন্দা। তেওঁ এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ পিছত বেনাৰস বিশ্ববিদ্যালয়ৰ পৰা বায়'কেমিষ্ট্ৰী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰে। ইয়াৰ পিছত শক্তিয়ে ২০১৮ চনৰ পৰা লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল আৰু এইবাৰ ৭ বছৰৰ মূৰত তেওঁ এই পৰীক্ষাত কেৱল সফল হোৱাই নহয়, প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। দ্বিতীয় স্থান লাভ কৰা হৰ্ষিতা গোৱেল বৰোদাৰ এমএছ বিশ্ববিদ্যালয়ৰ বাণিজ্য শাখাৰ স্নাতক। ইউপিএছচিৰ পৰীক্ষাত তেওঁ ৰাজনীতি বিজ্ঞান আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক ঐচ্ছিক বিষয় হিচাপে লৈছিল। ভি আই টি, ভেলোৰৰ প্ৰাক্তন ছাত্ৰ ডংগ্ৰে অৰ্চিত পৰাগে দৰ্শনক ঐচ্ছিক বিষয় হিচাপে লৈ তৃতীয় স্থান দখল কৰিছে। তেওঁ ইলেক্ট্ৰনিক্স ইঞ্জিনিয়াৰিঙৰ স্নাতক। চতুৰ্থ আৰু পঞ্চম ৰেংক লাভ কৰা শ্বাহ মাৰ্গী চিৰাগ আৰু আকাশ গাৰ্গেও অভিযান্ত্ৰিক শিক্ষা গ্ৰহণ কৰিছিল। উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলৰ ভিতৰত আছে ৪৫ জন বিশেষভাৱে সক্ষম ব্যক্তি। শীৰ্ষ ২৫ টা স্থানৰ ভিতৰত থকাসকলৰ ১১ গৰাকী মহিলা আৰু ১৪ গৰাকী পুৰুষ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাৰ্ভাৰ ডাউন 'শিক্ষা সেতু' এপলৈ

আই এ এছ বিষয়া ড০ ওম প্ৰকাশে। উল্লেখ্য যে মূলতঃ চৰকাৰী বিদ্যালয়সমূহত শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি দিবলৈ মুকলি কৰা হৈছিল এই এপ্লিকেচনটো। এই এপ্লিকেচনটো ব্যৱহাৰ কৰিবলৈ হাজাৰ হাজাৰ শিক্ষকক চৰকাৰে প্ৰদান কৰিছিল একোটাকৈ টেবলেট। চৰকাৰৰ নিৰ্দেশ অনুসৰি সমগ্ৰ শিক্ষাৰ অধীনত জিলা পৰ্যায়ৰ পৰা খণ্ড পৰ্যায়লৈ সকলোৱে শিক্ষা সেতুত নাম পঞ্জীয়ন কৰাটো বাধ্যতমূলক। এই এপ্লিকেচনটোত প্ৰতিদিনে প্ৰৱেশ, প্ৰস্থানৰ সময়ত উপস্থিতি দিয়াটো বাধ্যতামূলক। সময়ত বিদ্যালয়ত উপস্থিত নাথাকিলে চৰকাৰে শিক্ষকসকলৰ ওপৰত বিহিত ব্যৱস্থা ল'ব। আনকি ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ নাহিলেও শিক্ষকসকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'ব চৰকাৰে। যাৰ বাবে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ অনাৰ দায়িত্বও শিক্ষকৰ ওপৰত। কেৱল এয়াই নহয়, শিক্ষা সেতু এপ্লিকেচনত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অনুসৰিহে মধ্যাহ্ন ভোজনৰ পুঁজি দিয়াৰ নীতিও গ্ৰহণ কৰে চৰকাৰে। কিন্তু এই শিক্ষা সেতু অসমে বঁটা লাভ কৰাৰ পিছতেই চকু কপালত উঠিছে এই এপ্লিকেচনটো ব্যৱহাৰ কৰা চৰকাৰী শিক্ষক-কৰ্মচাৰীসকলৰ। ৰাইজে চালে দেখিব যে গুগল প্লে ষ্টোৰত শিক্ষা সেতু অসমৰ ৰেটিং ষ্টাৰ অৰ্থাৎ ব্যৱহাৰকাৰীৰ দ্বাৰা লাভ কৰা সূচাংক মাত্ৰ ২.৭। বেছিভাগ ব্যৱহাৰকাৰীয়েই মাত্ৰ ৱান ষ্টাৰহে দিছে এই এপ্লিকেচনটোক। অৰ্থাৎ ই খুবেই শোচনীয়। গুগল প্লে ষ্টোৰত এই এপ্লিকেচনটোত ইতিমধ্যে প্ৰায় ৫ হাজাৰ ব্যৱহাৰকাৰীয়ে মন্তব্য অৰ্থাৎ ৰিভিউ প্ৰদান কৰিছে। ইয়াৰে অধিকাংশ মন্তব্যই সমালোচনামূলক। হাজাৰ হাজাৰ লোকে এই এপ্লিকেচনটোৰ ৰিভিউত ন ন সমস্যাৰ কথা উল্লেখ কৰি ক্ষোভ উজাৰিছে। অভিযোগ অনুসৰি এই এপ্লিকেচনটো বিভিন্ন কাৰিকৰী বিসংগতিৰে ভৰা। ই কেতিয়াবা উপস্থিতি নলয়। কেতিয়াবা ভালদৰে কাম নকৰে। শ্ৰেণীত যদি ৩০ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিতি থাকে তেন্তে তাৰে বহু ছাত্ৰ-ছাত্ৰীৰেই উপস্থিতি নলয় এপ্লিকেচনটোৱে। যাৰ বাবে বিপদত পৰে শিক্ষকসকল। গুগল প্লে ষ্টোৰত শিক্ষা সেতুৰ ব্যৱহাৰকাৰীসকলে দিয়া কেইটামান মন্তব্য হৈছে - (ক) আমি প্ৰতিদিনে বহুতো সমস্যাৰ সন্মুখীন হৈছো। আমি প্ৰতিবাৰ এপটো খুলি স্কেনিঙৰ বাবে এটা বিশেষ ক্লাছত প্ৰৱেশ কৰাৰ সময়ত ই ডাউনলোড হ'বলৈ আৰম্ভ কৰে। ইয়াৰ বাবে সময় লাগে আৰু ই অতি বিৰক্তিকৰ। (খ) ই এটা সময়ত ৫-৬ জনতকৈ অধিক চেহেৰা স্কেন কৰিব নোৱাৰে। এপটোৱে শ্ৰেণীকোঠাৰ ভিতৰত পোহৰ কম হোৱাৰ বাবে কাম নকৰে। (গ) এই এপটো ৱান ষ্টাৰৰ বাবেও যোগ্য নহয়। কোনো কাম সুচাৰুৰূপে কৰিব নোৱাৰে। বাৰে বাৰে ডাউনলোড কৰিব লাগে। উপস্থিতি সময় মতে ল'ব নোৱাৰে। ইমানবোৰ সমস্যা... কেইটামান বাক্যত বুজাব পৰা নাই। ভাল মানৰ এপ প্ৰস্তুত কৰিবলৈ চেষ্টা কৰক। আচলতে এই এপ্লিকেচনটোৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বহু সময় অপচয় হৈছে। (ঘ) এদিন মই মোৰ দৈনিক উপস্থিতিৰ তথ্য দাখিল কৰিব পৰা নাছিলো। গতিকে মই এপটো আনইনষ্টল কৰিলোঁ আৰু তাৰ পিছত পুনৰ ইনষ্টল কৰিলোঁ। কিন্তু তাৰপিছত মই লগ ইন কৰিব পৰা নাই। বেছিভাগ সময়তে ই বাফাৰ মাৰে আৰু কেতিয়াবা ই অকৰ্তৃত্বশীল চেহেৰা বুলি কয়। সঁচাকৈয়ে এটা ক্লান্তিকৰ অভিজ্ঞতা। (ঙ) এই এপটোত বহুত বেয়া অভিজ্ঞতা হৈছে। যেতিয়া মই উপস্থিতি লৈছিলো তেতিয়া মোৰ উপস্থিতিৰ আনজনৰ মোবাইলত দেখা পোৱা নাই। এপ ডেভেলপাৰসকলে এই সমস্যাটো জৰুৰীভাৱে সমাধান কৰিব লাগে। এয়া মাত্ৰ কেইটামান উদাহৰণ। হাজাৰ হাজাৰ ব্যৱহাৰকাৰীয়ে শিক্ষা সেতু ব্যৱহাৰৰ তিক্ত অভিজ্ঞতাৰ কথা লিখিছে এপটোৰ ৰিভিউত। গতিকে দক্ষভাৱে প্ৰশাসনিক কাম-কাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত এই এপ্লিকেচনটোৱে প্ৰদান কৰা উৎকৃষ্ট মানৰ সেৱাৰ বাবে প্ৰধানমন্ত্ৰীৰ বঁটা পোৱাটো কেৱল হাস্যকৰেই নহয় পানী কেঁচুৱাই ৰণলৈ দৌৰ মৰাৰ দৰে কথা। কেৱল এয়াই নহয়, অসমৰ বহু গ্ৰামাঞ্চলত দ্ৰুত ইন্টাৰনেটৰ সুবিধা থকাতো দূৰৈৰে কথা, বিদ্যালয়লৈ যাবলৈকো নাই বাট-পথ। ইয়াৰ উপৰি পুৰণি শিক্ষকসকলৰ বহুতেই ব্যৱহাৰ কৰিব নাজানে এনড্ৰইড ফোন বা টেবলেট। যাৰ বাবে বিপদত পৰিব লাগে এইসকল শিক্ষক। এতিয়া ডিজিটেল ইণ্ডিয়াৰ কথা কোৱা নৰেন্দ্ৰ মোদীৰ অধীনস্থ অসম চৰকাৰে মুকলি কৰা এনেকুৱা এটা পয়ালগা এপ্লিকেচনে প্ৰধানমন্ত্ৰীৰ বঁটা লাভ কৰাটো হৈ পৰিছে এটা ডাঙৰ কৌতুক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতে বন্ধ কৰিলে বাংলাদেশৰ ৰে'ল

বন্ধ কৰি দিলে ভাৰতে। নতুন দিল্লীৰ এই সিদ্ধান্তৰ প্ৰভাৱ পৰিব আখৌৰা-আগৰতলা সীমা অতিক্ৰম কৰা ৰে'ল সংযোগ, খুলনা-মংলা ৰে'লপথ, ৰামপালৰ মৈত্ৰী বিদ্যুৎ প্ৰকল্পৰ দ্বিতীয় ইউনিটকে ধৰি কেইবাটাও প্ৰকল্পৰ ওপৰত। উল্লেখ্য যে, এই প্ৰকল্পসমূহ ২০২৩ চনৰ নৱেম্বৰ মাহত কাৰ্যকৰীভাৱে উদ্বোধন কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু শ্বেখ হাছিনাই। কিন্তু ২০২৪ চনৰ আগষ্ট মাহত শ্বেখ হাছিনাৰ চৰকাৰৰ পতনৰ পিছত ঢাকাৰ আভ্যন্তৰীণ ৰাজনীতি সলনি হৈছিল। নতুন উপদেষ্টা মহম্মদ ইউনুছৰ নেতৃত্বত ভাৰত বিৰোধী আৱেগ অধিক শক্তিশালী হৈ উঠিছিল। চীন আৰু পাকিস্তানৰ সৈতে ঘনিষ্ঠতা বৃদ্ধিৰ সমান্তৰালকৈ শেহতীয়াকৈ বাংলাদেশত বৃদ্ধি পাইছে সংখ্যালঘু হিন্দুৰ ওপৰত আক্ৰমণৰ ঘটনা। শেহতীয়াকৈ এজন হিন্দু নেতাক অপহৰণ আৰু হত্যাৰ ঘটনাত ক্ষুব্ধ হৈ পৰিছে নতুন দিল্লী। তাৰ পিছতে এই প্ৰকল্পসমূহ স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। একে সময়তে এই প্ৰকল্পসমূহৰ কাম বন্ধ কৰাৰ আন এটা কাৰণ ভাৰতীয় শ্ৰমিকৰ সুৰক্ষাৰ প্ৰতি অহা ভাবুকি বুলিও সদৰী কৰিছে নতুন দিল্লীৰ সূত্ৰই। মন কৰিবলগীয়া যে, আখৌৰা-আগৰতলা ৰেল সংযোগৰ বাবে ভাৰতৰ ব্যয় হৈছে ৩৯২.৫২ কোটি টকা। ইয়াৰে বাংলাদেশত ৬.৭৮ কিলোমিটাৰ আৰু ত্ৰিপুৰাত ৫.৪৬ কিলোমিটাৰ ৰেলপথ নিৰ্মাণ কৰা হৈছে। খুলনা-মংগলা ৰেল প্ৰকল্পৰ মুঠ ব্যয় হৈছে ৩৮৮.৯২ মিলিয়ন ডলাৰ। মংগলা বন্দৰক দেশৰ ব্ৰড গেজ ৰেল নেটৱৰ্কৰ সৈতে সংযোগ কৰিবলৈ ৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰেলপথ নিৰ্মাণ কৰা হৈছে। ইফালে, ভাৰতৰ পৰা ১.৬ বিলিয়ন ডলাৰৰ ঋণ লৈ ৰামপালত অৱস্থিত ১৩২০ মেগাৱাট শক্তিৰ বিদ্যুৎ প্ৰকল্প মৈত্ৰী ছুপাৰ থাৰ্মেল পাৱাৰ প্ৰজেক্ট নিৰ্মাণ কৰা হৈছে। এইটোও স্তব্ধ হৈ পৰিব পাৰে বুলি আশংকা কৰা হৈছে। প্ৰথম আলোৰ প্ৰতিবেদন অনুসৰি বাংলাদেশত মুঠ ৭টা বৃহৎ ৰে'ল প্ৰকল্প আছে যিবোৰ ভাৰতীয় ঋণৰ ওপৰত নিৰ্ভৰশীল। কিন্তু খুলনা-দৰ্শনা আৰু ছিৰাজগঞ্জ-বোগৰা প্ৰকল্পৰ বাবে এতিয়াও পুঁজি মুকলি হোৱা নাই। দিনাজপুৰ-কাউনিয়া প্ৰকল্পৰ কাম এতিয়াও প্ৰাৰম্ভিক পৰ্যায়ত আছে। কূটনৈতিক মহলৰ মতে এই সিদ্ধান্তই বাংলাদেশৰ আন্তঃগাঁথনিগত উন্নয়নত আঘাত হানিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এজাক বৰষুণতে উটি গ'ল মহানগৰীৰ

প্ৰথমটো বৃহৎ কৃত্ৰিম বানত ৰাজধানী গুৱাহাটী মহানগৰবাসীৰ জীৱন নৰক কৰি পেলালে। ইটোৰ পিছত সিটো পথত এককঁকাল পৰ্যন্ত পানী। ঘৰৰ পৰা গাড়ী-মটৰ উলিয়াব নোৱাৰাৰ লগতে খোদ মানুহেই ওলাই আহিব পৰা অৱস্থা নাছিল। পুৱাই স্কুললৈ যাবলগীয়া ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱকে বহু কষ্টৰে স্কুললৈ নিবলগীয়া হয়। সমগ্ৰ গুৱাহাটী আজিৰ পুৱা সাগৰত পৰিণত হৈছে। কৃত্ৰিম বানৰ কবলত পৰি গুৱাহাটীবাসীয়ে ককবকাই থাকিবলগীয়া হৈছে। নিশাৰ বৰষুণৰ পিছতে চৌদিশে কেৱল পানী আৰু পানী। নিশাৰ বৰষুণে চৰকাৰৰ উন্নয়ন উন্নয়ন বুলি চিঞৰি থকা দম্ভ-অহংকাৰ কৃত্ৰিম বানে উটুৱাই লৈ গ'ল। ৰাজ্য চৰকাৰৰ উন্নয়নৰ নগ্ন স্বৰূপটো উদাঙাই দিলে ৰাজধানী গুৱাহাটী মহানগৰীয়ে। নিশাৰ এজাক বৰষুণৰ পিছতে গুৱাহাটীৰ বিভিন্ন এলেকা বুৰি হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। গুৱাহাটীৰ বহু এলেকাত জনজীৱন স্তব্ধ হৈ পৰে। নিশাৰে পৰা বহু এলেকাত বিদ্যুৎ সেৱা ব্যাহত থকাৰ লগতে পানী যোগান ব্যৱস্থাও ব্যাহত আছে। ঘণ্টাৰ পিছত ঘণ্টা ধৰি বিদ্যুৎ সেৱা ব্যাহত হৈ থকাত বহু এলেকাত পানী অবিহনে আবদ্ধ হৈ থকাৰ লগতে বিশুদ্ধ খোৱাপানীৰ অভাৱত ককবকাবলৈ বাধ্য হৈছে মহানগৰীৰ বাসিন্দা। এককথাত ক'বলৈ গ'লে ব'হাগৰ প্ৰথমজাক বৰষুণত গুৱাহাটীত কৃত্ৰিম বানে ভয়ংকৰ ৰূপ ল'লে। মহানগৰীৰ অনিল নগৰৰ ৰাস্তাত এবুকু পৰ্যন্ত পানী হয়। বানৰ পিছতে অনিল নগৰৰ বাসিন্দা বানত আবদ্ধ হৈ পৰে। অনিল নগৰ মহাসাগৰ হৈ পৰে। চানমাৰিৰ মণিৰাম দেৱান পথত মহাসাগৰসদৃশ পৰিৱেশ দেখা যায়। কেৱল অনিল নগৰ বা চানমাৰিৰ মণিৰাম দেৱান পথেই নহয় সিজুবাৰী, ডাউন-টাউন, ছয়মাইল, যোৰাবাট, গীতানগৰ, পাঞ্জাবাৰী, সাতগাঁও, চানমাৰি, ৰুক্মিণীগাঁও, সিজুবাৰী, আমবাৰী ভয়ংকৰ কৃত্ৰিম বানৰ কৱলত পৰে। আজি আবেলি পৰ্যন্ত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈয়ে থাকে। ঠায়ে ঠায়ে নলা নিৰ্মাণৰ বাবে গাত খান্দি থোৱাত মৰণফান্দত পৰিণত হৈছে। শিল-বালি পথৰ দাঁতিত দ'মাই থোৱাৰ লগতে ঠায়ে ঠায়ে ৰ'দ ওলাই থকাত ভয়াৱহ হৈ আছে। মহানগৰীৰ যোৰবাট এলেকাৰ মুখ্য পথ পানীত ডুব যোৱাত আহ-যাহত ভীষণ সমস্যাত পৰে। চানমাৰিৰ উৰণীয়া সেতুৰ পৰা জলসিঞ্চন কাৰ্যালয় আৰু লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সন্মুখ ভাগৰ পথত পানী উপচি পৰাত পথচাৰী ঘণ্টাৰ পিছত ঘণ্টা ধৰি পথৰ ওপৰতে ৰৈ থাকিবলগীয়া হয়। আনহাতে নিৰ্মাণৰত উৰণীয়া সেতুৰ বাবে পথটোৰ ঠায়ে ঠায়ে বোকা-পানী জমা হোৱাত পথচাৰীয়ে বিকল্প পথ হিচাপে বাছি লৈছে পদপথ। নিশাৰ বৃষ্টিৰ পিছতে মহানগৰীৰ আন আন ঠাইৰ বাট-পথ বোকা-লেতেৰা পানীৰে ভৰি পৰাত নাগৰিকসকল সমস্যাত পৰে। আনহাতে চানমাৰিৰ নিৰ্মাণাধীন ফ্লাইঅভাৰত এগৰাকী মহিলাৰ গাত ওলমি থকা বৈদ্যুতিক তাঁৰ লাগি বিদ্যুৎস্পৃষ্ট হয় মৃত্যুৰ সৈতে যুঁজ দিছে। আঘাতপ্ৰাপ্ত মহিলাগৰাকীক ৰোমিয়া দাস বুলি চিনাক্ত কৰা হৈছে। প্ৰত্যক্ষদৰ্শীৰ মতে, বিপদজনকভাৱে ওলমি থকা তাঁৰ স্পৰ্শ কৰিছিল মহিলাই। ফলত লগে লগে ঢলি পৰে। সমৱেত লোকসকলে তৎক্ষণাৎ জৰুৰীকালীন সেৱাক খবৰ দিয়ে। কিছু পলমকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয়। বৰ্তমান চিকিৎসাধীন হৈ আছে যদিও অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। সেঁতুৰ কাম চলি থকাত অঞ্চলটোত নাগৰিকক জীৱন দুৰ্বিষহ হৈ পৰিছে। নাগৰিকৰ সুৰক্ষা ব্যৱস্থা আওকান কৰি কাম কৰি থকা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিনেতাক আক্ৰমণ চুবুৰীয়াৰ

আক্ৰমণৰ বলি হৈছে। এইবাৰ উত্তৰ অসমত আক্ৰমণৰ বলি হৈছে জনপ্ৰিয় অভিনেতা। আক্ৰমণৰ বলি হোৱা অভিনেতাজন হৈছে বেহাৰবাৰী আউটপোষ্টৰ জোনমণি ভূঞা। তেওঁ আক্ৰমণৰ বলি হৈ আঘাতপ্ৰাপ্ত হৈছে। জানিব পৰা মতে, জোনমণি ভূঞাৰ ঘৰ হৈছে বিশ্বনাথৰ চতিয়াৰ বাৰভূঞা গাঁৱত। ওচৰ-চুবুৰীয়া প্ৰদীপ বৰাই হাতত কুঠাৰ লৈ নিজে খেদি আহে। সুৰাসক্ত অৱস্থাত প্ৰদীপ বৰাই কুঠাৰেৰে আক্ৰমণ কৰে। প্ৰদীপ বৰাই মদৰ নিচাত মাতাল হৈ আক্ৰমণ কৰিছিল বুলি জানিব পৰা গৈছে। চোকা অস্ত্ৰৰে আক্ৰমণ কৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত তথা সংকটজনক অৱস্থাত প্ৰথমে স্থানীয় চিকিৎসালয়ত তাৰ পিছতে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পৰিয়ালে চতিয়া আৰক্ষীত দাখিল কৰা এজাহাৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰিছে অভিযুক্ত প্ৰদীপ বৰাক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লুঙীৰ সৈতে আহোমৰ কি সম্পৰ্কঃ

বাবে কংগ্ৰেছৰ প্ৰতীক লুঙী কৰিবলৈ পৰামৰ্শ দিয়াত আজি মুখ্যমন্ত্ৰীক উভতি ধৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। শইকীয়াই লুঙীৰ কথা কৈ আহোমসকলকো অপমান কৰাৰ অভিযোগ উত্থাপন কৰে। দেৱব্ৰত শইকীয়াই কয় যে এনেকৈ অপমান কৰাটো উচিত নহয়। মোৰ ৰজাই হিন্দু ধৰ্ম লোৱাৰ বাবে মই হিন্দু ধৰ্ম ল'লো। আমাৰ ধৰ্ম যিটো আছে, আমাৰ পন্থাৰ মানুহে এতিয়াও লুঙী পিন্ধে। তেখেতেসকলে টাই-আহোম, টাই-ফাকে, টাই-খামটিসকলে লুঙী পিন্ধা খামটিসকলোকো অপমান কৰাত মই যিহেতু ডিএনএ হিচাপে আহোম হয় সেইকাৰণে মই ভাল পোৱা নাই। পঞ্চায়ত নিৰ্বাচনৰ ফলাফল কি হ'ব সেয়া ৰাইজৰ ওপৰত নিৰ্ভৰ কৰিব। শইকীয়াই কয় যে ফলাফল কি হ'ব সেই গুণ মই ল'ব পৰা নাই। যিসকল জ্যোতিষী থাকে, ভট্টাচাৰ্য উপাধি, শৰ্মা উপাধিৰ দৰে সেই গুণ মোৰ নাই। মই শইকীয়া, গাহৰি খোৱা মানুহ। আনহাতে মুখ্যমন্ত্ৰীয়ে কয় যে লুঙীৰ সৈতে আহোমৰ কি সম্পৰ্ক?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যিক নিৰ্বাচনী আয়ুক্তক সাক্ষাৎ কংগ্ৰেছ

সমষ্টিত নতুনকৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী কৰিছে শোণিতপুৰ জিলা কংগ্ৰেছে। জিলা কংগ্ৰেছৰ সভাপতি দাদুল কুমাৰ বৰকটকীৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে আজি ৰাজ্যিক নিৰ্বাচনী আয়ুক্তক সাক্ষাৎ কৰি এক স্মাৰক-পত্ৰ প্ৰদান কৰে। নদুৱাৰ বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলক ভয়-ভাবুকি দি একাংশ গুণ্ডাই মনোনয়ন-পত্ৰ দাখিল কৰিবলৈ নিদিয়াৰ সবিস্তাৰ তথ্য আৰু আৰক্ষীক দাখিল কৰা গোচৰ, জিলা আয়ুক্তক লিখিতভাৱে দিয়া অভিযোগৰ প্ৰতিলিপিসহ এক আবেদন দাখিল কৰে। এই আবেদনখনৰ জৰিয়তে নদুৱাৰ আৰু ঢেকীয়াজুলি সমষ্টিৰ ৰাইজক গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ দিয়াৰ দাবীত নতুনকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰে আৰু সমগ্ৰ বিষয়টো তদন্তৰ আওতালৈ আনিবলৈ আহ্বান জনায়। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, পঞ্চায়তীৰাজ বিভাগৰ অধ্যক্ষ হেমন্ত অধিকাৰী, মুখপাত্ৰ আনোৱাৰ হুছেইন লস্কৰ, ৰূপা কলিতা, শোণিতপুৰ জিলা কংগ্ৰেছৰ সম্পাদক ৰাজেশ  পাণ্ডিয়াকে ধৰি একাংশ প্ৰতিনিধিয়ে আজি ৰাজ্যিক নিৰ্বাচনী আয়ুক্তৰ ওচৰত যুক্তিসহকাৰে নদুৱাৰ সমষ্টি আৰু ঢেকীয়াজুলি সমষ্টিৰ পঞ্চায়ত নিৰ্বাচন নতুনকৈ আৰম্ভ কৰিবৰ বাবে দাবী জনায়। আয়ুক্তজনে বিষয়টো পৰ্যালোচনা কৰা হ'ব বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী উচ্চ ন্যায়ালয়ত বোমাতংক

নিদ্ৰাহৰণ কৰে। অখ্যাত স্থানৰ পৰা অহা ই-মেইলটোত কৰা হৈছিল এক বিস্ফোৰক দাবী। যি দাবীৰ কথা অৱগত হৈ আৰক্ষীৰ কপালৰ ঘাম ওলায়। লগে লগে সক্ৰিয় হ'বলগীয়া হয় গুৱাহাটী আৰক্ষী। আজি অসম আৰক্ষীয়ে লাভ কৰে এটা ই-মেইল। ই-মেইলটোত কোৱা হৈছে যে গুৱাহাটী উচ্চ ন্যায়ালয় বোমাৰে উৰুৱাই দিয়া হ'ব। ই-মেইল লাভৰ পিছতে আৰক্ষীৰ মাজত লাগে হুৱাদুৱা। গুৱাহাটী উচ্চ ন্যায়ালয় বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি লাভ কৰাৰ পিছতে চৌদিশৰ পৰা আৰক্ষীৰ দল উপস্থিত হয় উচ্চ ন্যায়ালয় এলেকাত। কেইবাটাও আৰক্ষীৰ দল আৰু উচ্চপদস্থ আৰক্ষী বিষয়া উচ্চ ন্যায়ালয় এলেকাত উপস্থিত হয়। এই খবৰ প্ৰচাৰ হোৱাত আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। বিশেষ শাখাৰ আৰক্ষী অধীক্ষকসহ বিশেষ দল উপস্থিত হয় উচ্চ ন্যায়ালয়ত। বৃহৎ আৰক্ষীৰ দলে তন্ন-তন্নকৈ পৰীক্ষা কৰিবলৈ আৰম্ভ কৰে। কিন্তু তেনে কোনো সন্দেহজনত সামগ্ৰী উদ্ধাৰ নহ'ল। কিন্তু গুৱাহাটী আৰক্ষীয়ে বিষয়টোক গুৰুত্বসহকাৰে লৈ বিশেষ নিৰাপত্তাৰ ব্যৱস্থা  কৰিছে। অখ্যাত মেইলৰ পৰা অহা ই-মেইলটো পৰীক্ষা কৰি থকা বুলি জানিব পৰা গৈছে। ই-মেইলটো ক'ৰ পৰা, কোনে প্ৰেৰণ কৰিছে সেই তথ্য উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰিছে। অসম আৰক্ষী বা গুৱাহাটী আৰক্ষীয়ে কোনো আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। ন্যায়ালয় বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি দিয়াৰ খবৰ প্ৰচাৰ হোৱাত অধিবক্তাসকলৰ লগতে উচ্চ ন্যায়ালয়ত আতংকৰ সৃষ্টি হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছুপ্ৰিম ক'ৰ্টৰ অৱমাননাক লৈ স্পষ্টীকৰণ

শাসকীয় দলৰ শীৰ্ষ নেতৃত্ব আৰু সাংবিধানিক পদাধিকাৰীয়ে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, বিজেপিৰ সাংসদ নিশিকান্ত ডুবে, দীনেশ শৰ্মাৰ দৰে নেতা আৰু সাংবিধানিক পদাধিকাৰীয়ে। প্ৰায় প্ৰতিদিনে কঠোৰ ভাষাৰে আক্ৰমণ কৰিছে উচ্চতম ন্যায়ালয়ক। এনে পৰিপ্ৰেক্ষিততে বলিছে বিতৰ্কৰ বা। পৰিস্থিতি এনে এক পৰ্যায়ত উপনীত হৈছে, য'ত মৌনতাৰ জপ ভাঙি মুখ খুলিবলৈ বাধ্য হৈ পৰিছে মোদী চৰকাৰ। এতিয়া চৰকাৰী সূত্ৰই জনাইছে, "ন্যায়পালিকাৰ প্ৰতি সন্মান সৰ্বোচ্চ, ইয়াৰ সৈতে কোনো আপোচ কৰা নহয়।" উল্লেখ্য যে এই বিতৰ্ক আৰম্ভ হৈছিল ন্যায়াধীশ সূৰ্য কান্তই এটা গোচৰৰ শুনানিৰ সময়ত কৰা মন্তব্যক কেন্দ্ৰ কৰি। তেওঁ কয় যে প্ৰতিষ্ঠানটো প্ৰতিদিনে আক্ৰমণৰ সন্মুখীন হয়, তথাপি আমি বিচলিত হোৱা নাই। ইয়াৰ পূৰ্বে এক ঐতিহাসিক ৰায়দানত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালসকলক বিধেয়ক অনুমোদনৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছিল। ইয়াৰ পিছতে ন্যায়ালয়ৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে শাসকীয় দলৰ একাংশ নেতা-মন্ত্ৰীয়ে। আনকি দেশৰ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও আক্ৰমণৰ লক্ষ্য কৰি লয় আদালতক। মঙলবাৰে ধনখড়ে কয়, "গণতন্ত্ৰত সংসদ সৰ্বোচ্চ। ইয়াৰ ওপৰত কোনো নাই। জৰুৰীকালীন অৱস্থাৰ সময়তো এজন প্ৰধানমন্ত্ৰীক জবাবদিহি কৰিবলগীয়া হৈছিল।" উপ-ৰাষ্ট্ৰপতিৰ মতে যিহেতু সংসদৰ প্ৰতিনিধি ৰাইজে নিৰ্বাচন কৰে, সেয়েহে তেওঁলোকৰ সিদ্ধান্তই চূড়ান্ত। বহুতে এই মন্তব্যক উচ্চতম ন্যায়ালয়ৰ ভূমিকাক ফলপ্ৰসূভাৱে ক্ষতিগ্ৰস্ত কৰাৰ প্ৰয়াস বুলি দাবী কৰিছে। কিন্তু ধনখড়ৰ বক্তব্যৰ কিছু সময়ৰ পিছতে কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই কেইবাটাও সৰ্বভাৰতীয় সংবাদ মাধ্যমক স্পষ্টভাৱে জনাই কয়, "সকলো স্তম্ভই একেলগে কাম কৰি আছে। ন্যায়পালিকা আৰু বিধায়িনী দল ইটোৱে সিটোৰ পৰিপূৰক, একেটা মুদ্ৰাৰ দুটা ফাল।" মুঠতে চৰকাৰৰ ভাবমূৰ্তি যাতে ন্যায়পালিকাৰ বিৰোধী ৰূপে দেখা নাযায় তাৰ বাবে কেন্দ্ৰই বিশেষ গুৰুত্ব দিয়ে। ইয়াৰ পূৰ্বে বিজেপিৰ সভাপতি জে পি নাড্ডায়ো দলৰ হৈ স্পষ্ট কৰি দিছিল যে "এইবোৰ কাৰোবাৰ ব্যক্তিগত মতামত। এইবোৰ বিজেপিৰ বক্তব্য নহয়। ভৱিষ্যতে কোনেও এনে মন্তব্য কৰিব নালাগে বুলি দলৰ সকলোকে অৱগত কৰা হৈছে।" ইয়াৰ পিছতে মোদী চৰকাৰেও নিজৰ স্থিতি স্পষ্ট কৰি দি কৌশলগত স্থিতি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বিগত লোকসভা নিৰ্বাচনত সংৰক্ষণ বিষয়ক লৈ বিজেপিয়ে বৃহৎ বিপৰ্যয়ৰ সন্মুখীন হৈছিল। এই কৌশলগত স্থিতিৰ পৰা এইটোও স্পষ্ট হৈ পৰিছে যে আগন্তুক সময়ত অনুষ্ঠিত হ'বলগীয়া কেইবাখনো ৰাজ্যৰ নিৰ্বাচনৰ পূৰ্বে একে ভুলৰ পুনৰাবৃত্তিৰ পৰা হাত সাৰিবলৈ বিজেপিয়ে যিকোনো মূল্যতে নিজৰ 'গণতান্ত্ৰিক আৰু সাংবিধানিক' ভাবমূৰ্তি বজাই ৰাখিব বিচাৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীয়ে উলংঘা কৰিছে নিৰ্বাচনী বিধি!

অব্যাহত ৰাখিছে। শাসক-বিৰোধীয়ে ভাগে ভাগে প্ৰচাৰ অব্যাহত ৰাখিছে। নতুনকৈ ৰাজনীতিত প্ৰৱেশ ঘটা অসম জাতীয় পৰিষদেও পিছপৰি থকা নাই। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে উজনিৰ বিভিন্ন এলেকাত প্ৰচাৰ অব্যাহত ৰাখিছে। উজনিৰ খোৱাং সমষ্টিৰ অন্তৰ্গত নাহৰণি পঞ্চায়তৰ ২ নং নাহৰণি, কাৰৈমাৰী, ডিমৌ কিনাৰ বঙালী গাঁও, নাজিয়াপৰীয়া গাঁৱত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। নিজ দলৰ প্ৰাৰ্থীসকলৰ হকে ভোট বিচাৰে সভাপতিগৰাকীয়ে। বিজেপিয়ে ভোটাৰক দিয়া প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হোৱাৰ লগতে মিছা কথাৰ আশ্ৰয় লোৱাৰ অভিযোগ আনে। অমৃতবৃক্ষ ৰোপণ কৰা মহিলাক ধন দিয়া, লাখপতি মহিলাক ধন দিয়াৰ কথা কৈ প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ অভিযোগ আনে। লুৰীণজ্যোতি গগৈয়ে সভাত অংশ লৈ নিৰ্বাচনী বিধি উলংঘা কৰাৰ অভিযোগ আনে। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰত অংশ লৈ আঁচনি ঘোষণা কৰিছে বুলি অভিযোগ উত্থাপন কৰি গগৈয়ে কয় যে আপোনালোকে সমগ্ৰ অসমতে দেখিছে তেওঁলোকে আৰক্ষী, প্ৰশাসন যন্ত্ৰক ব্যৱহাৰ কৰিছে। অতি পৰিকল্পিতভাৱে বহুতৰে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। আজি আমি অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'-এ কৈছো যে এতিয়া প্ৰশাসন যন্ত্ৰ ব্যৱহাৰ কৰি মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী বিধি উলংঘা কৰি ইখনৰ পিছত সিখন আঁচনি ঘোষণা কৰিয়েই আছে। এইবোৰ নিৰ্বাচন আয়োগে চাব লাগে। নিৰ্বাচন আয়োগে সকলোকে সমান দৃষ্টিৰে চাব লাগে। মুখ্যমন্ত্ৰীয়ে প্ৰশাসন আৰু আৰক্ষীক ৰাজনৈতিক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰা বিষয়টোত আয়োগে দৃষ্টি দি কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি কয়। বিজেপিক পৰাজিত কৰিবলৈ বিৰোধী দলসমূহ একত্ৰিত হ'বই লাগিব বুলি কৈ গগৈয়ে বিৰোধী দলৰ নেতাসকলক এক হৈ যুঁজিবলৈ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উৎপাত নকৰ! মানা কৰা বাবেই নৃশংস

মানুহজনক একাংশ লোকে ঘেৰি লৈ প্ৰাণ লোৱাৰ প্ৰৱণতা বাঢ়ি গৈছে একাংশ লোকৰ। যাৰ ফলত আজিও বিভিন্ন সময়ত গণপ্ৰহাৰৰ ঘটনা সংঘটিত হয়। এইবাৰ হৃদয়স্পৰ্শী গণপ্ৰহাৰ কাণ্ড সংঘটিত হৈছে যোৰহাট জিলাত। অনিমেষ ভূঞাৰ দৰে ছাত্ৰ নেতাৰ হত্যাকাণ্ডৰ পিছত পুনৰ আন এক শিহৰণকাৰী ঘটনা সংঘটিত হৈছে শিক্ষা-সংস্কৃতিৰ ৰাজধানী খ্যাত যোৰহাটত। ড্ৰাগছ আৰু সুৰাত আসক্ত যুৱকৰ দলবদ্ধ আক্ৰমণত অকাল মৃত্যুক সাবটি ল'ব লগা হৈছে নিৰীহ যুৱকে। যুৱকৰ অকাল মৃত্যুক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে যোৰহাটত। ড্ৰাগছ আসক্ত যুৱকৰ আক্ৰমণত মৃত্যুক আঁকোৱালি লোৱা যুৱকজনৰ নাম বেদাংগ ভূষণ বৰুৱা (৩৪)। বিহু অনুষ্ঠানৰ পৰা দেওবাৰৰ নিশা ঘৰলৈ আহি থকাৰ সময়তে উন্মত্ত এটা ২০-২৫ জনীয়া যুৱকৰ দলে আক্ৰমণ কৰি পথৰ কাষত পেলাই থৈ গৈছিল যুৱকজনক। পিছত মুমূৰ্ষু অৱস্থাত পৰি থকা যুৱকজনক স্থানীয় আন এজন যুৱকে চিনাক্ত কৰি উদ্ধাৰ কৰাৰ পিছতে চিকিৎসালয়ত ভৰ্তি কৰে যদিও আজি পুৱা ৬ বজাত মৃত্যুক আঁকোৱালি ল'লে বেদাংগ ভূষণ বৰুৱাই। এই ভয়ংকৰ ঘটনা সংঘটিত হোৱাৰ পিছত আজি যোৰহাট আৰক্ষীয়ে অতি তৎপৰতাৰে ঘটনাৰ লগত জড়িত ৯ জন অভিযুক্তক আটক কৰিবলৈ সক্ষম হৈছে। দেওবাৰে নিশা যোৰহাটৰ চন্দন নগৰৰ সমন্বয় বিহু উদযাপন সমিতিৰ উদ্যোগত সপ্তদশ বৰ্ষৰ বাবে জনপথৰ সমীপত ৰঙালী বিহুৰ এক অনুষ্ঠান অনুষ্ঠিত হৈছিল। যি অনুষ্ঠানৰ মুখ্য অতিথি আছিল প্ৰীতম দে'। নিশা অনুষ্ঠান চলি থকা সময়ত এদল যুৱকৰ মাজত কাজিয়াৰ সৃষ্টি হৈছিল। যুৱকৰ দলটোৰ মাজত সৃষ্টি হোৱা কাজিয়াৰ অনুষ্ঠানটোৰ পৰিবেশ বিঘ্নিত হোৱাত চন্দন নগৰৰ স্থায়ী বাসিন্দা বেদাংগই বাধা প্ৰদান কৰে। ইয়াতেই ক্ষুব্ধ হৈ প্ৰায় ২০ জনীয়া যুৱকৰ দলটোৱে বেদাংগক আক্ৰমণৰ লক্ষ্য কৰি লয়। এবাৰ নহয়, দুবাৰকৈ বিহু অনুষ্ঠানটো চলি থকাৰ সময়ত যুৱকৰ দলটোৱে তেওঁক আক্ৰমণ কৰিবৰ বাবে খেদি আহিছিল। কিন্তু এই উচ্ছৃংখল যুৱকৰ দলটোৰ কাজিয়াত বাধা প্ৰদান কৰাটোৱেই যেন কাল হ'ল বেদাংগৰ। নিশা প্ৰায় ১১.১৫ বজাত বিহু অনুষ্ঠানটো সমাপ্তিৰ কিছু সময়ৰ পূৰ্বে বেদাংগ ভূষণ বৰুৱাই চন্দন নগৰৰ ১৬ নম্বৰ বাইলেনৰ নিজ ঘৰলৈ বুলি খোজ কাঢ়ি আহি থকা অৱস্থাত পূৰ্বৰ পৰা খাপ লৈ থকা যুৱকৰ দলটোৱে চন্দন নগৰ আৰু জনপথ সংযোগী পথত তেওঁক আক্ৰমণ কৰে। উদণ্ড যুৱকৰ দলটোৱে চোকা অস্ত্ৰৰে বেদাংগৰ মূৰ, ডিঙি আৰু মুখমণ্ডলত গুৰুতৰভাৱে আঘাত কৰি টানি টানি চোঁচৰাই নি কিছু নিলগৰ এক অন্ধকাৰ স্থানত পেলাই থৈ যায়। কিছু সময়ৰ পিছত উক্ত স্থানৰে অঞ্চলটোৰ এজন যুৱকে বেদাংগক তেজৰে তুমৰলি অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰি বিহু অনুষ্ঠানত থকা আন যুৱকক খবৰ দিয়াত সকলোৱে তেওঁক যোৰহাট মেডিকেল কলেজ হস্পিটেললৈ লৈ যায়। কিন্তু যুৱকজনক সংকটজনক অৱস্থাত যোৰহাট মেডিকেল কলেজ হস্পিটেললৈ নিয়া হয়। মেডিকেল কলেজ হস্পিটেলত চিকিৎসা প্ৰদান কৰাৰ পিছত ক্ৰমাৎ যুৱকজনৰ অৱস্থা অৱনতি হয়। মেডিকেল কলেজ হস্পিটেলত আই চি ইউ খালী নথকাৰ বাবে কালি যোৰহাট মিছন হস্পিটেললৈ নিয়ে আৰু কালি দিনৰ প্ৰায় ১১.১৬ বজাত ভৰ্তি কৰে। মগজুৰ অত্যধিক ৰক্তক্ষৰণ আৰু মূৰৰ পিছফালে অত্যধিক আঘাত পোৱা বেদাংগক তৎকালীনভাৱে অস্ত্ৰোপ্ৰচাৰ কৰি মিছন হস্পিটেলৰ ভেন্টিলেচনলৈ স্থানান্তৰ কৰা হয় যদিও আজি পুৱা প্ৰায় ৬ বজাত অকাল মৃত্যুক সাবটি ললে বেদাংগ ভূষণ বৰুৱাই। চিকিৎসকে জনোৱা মতে যুৱকজনে মূৰত বহু বেছিকৈ আঘাত পাইছিল আৰু মূৰত কেইবাটাও টেমুনাৰ সৃষ্টি হৈছিল। যুৱকজনক বচোৱাৰ ক্ষেত্ৰত বহু চেষ্টা কৰা হৈছিল যদিও চিকিৎসকৰ চেষ্টা নিস্ফল হোৱা বুলি কোৱা হৈছে। আজি যুৱকজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে যোৰহাটত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে চন্দন নগৰত এক শোকাকুল পৰিবেশৰ সৃষ্টি হয়। যোৰহাটৰ এন চি চি কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা বিশিষ্ট সমাজ সেৱক ভুবন চন্দ্ৰ বৰুৱা আৰু ডালিমী শইকীয়াৰ একমাত্ৰ পুত্ৰ বেদাংগ অঞ্চলটোত জনপ্ৰিয় যুৱক আছিল। বাণিজ্যৰ স্নাতক আৰু আই টি আই ডিগ্ৰী উত্তীৰ্ণ যুৱকজনে পিতৃৰ পথ অনুকৰণ কৰি যোৰহাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ পৰিছিল। আজি যুৱকজনক মৃতদেহ মৰোণোত্তৰ পৰীক্ষা কৰি পৰিয়ালক চমজাই দিয়াৰ পিছত অগণন গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। একমাত্ৰ পুত্ৰক হেৰুৱাই শোকদগ্ধ হৈ পৰে পিতৃৰ লগতে ৰুগীয়া মাতৃ। এই ঘটনা সংঘটিত হোৱাৰ পিছত পৰিয়ালৰ অভিযোগৰ ভিত্তিত যোৰহাট সদৰ থানাৰ ২০২/২০২৫ নম্বৰত বি এন এছৰ ১২৬(২)/১১৮(২)/১০৯(১)/৩(৫) ধাৰাত এক গোচৰ পঞ্জীয়ন কৰি দুৰ্বৃত্ত কেইটাৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান আৰম্ভ কৰি বৰ্তমানলৈকে ৯ টা অভিযুক্তক আটক কৰিছে। আটক কৰা অভিযুক্ত কেইটা হৈছে ক্ৰমে বিকাশ চেত্ৰী, আব্দুল নুৰ (ৰিজু), আব্দুৰ ৰহিম (মইনা), ৰমজান খান, বাবু আলী, প্ৰণৱ গোৱালা, ৰোহিত ৰাজপুত, আশ্চজিত বৰুৱা (জানটো), দেৱজিত বৰুৱা (মান)। অভিযুক্ত কেইটাক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। একমাত্ৰ পুত্ৰক হেৰুৱাই শোকবিহ্বল হৈ পৰা পিতৃ ভুবন চন্দ্ৰ বৰুৱাই এই ঘটনাৰ লগত জড়িত দোষীসকলোক শাস্তিৰ দাবী জনায়। দোষীয়ে শাস্তি পালেও মোৰ ল'ৰাক কেতিয়াও আৰু ঘূৰাই নাপাওঁ বুলি কান্দি কান্দি তেওঁ কয় যে এনে ঘটনা যেন আৰু পুনৰ নহয়। তদুপৰি এই ড্ৰাগছ বন্ধ হ'ব লগে বুলি উল্লেখ কৰি ভুবন চন্দ্ৰ বৰুৱাই তেওঁ দৰে বহু পিতৃ অনাগত দিনত এনেদৰে পুত্ৰহাৰা হৈ পৰিব। উল্লেখ্য যে সম্প্ৰতি যোৰহাট নগৰৰ বিভিন্ন স্থানত ড্ৰাগছৰ অবাধ প্ৰচলননে এক ভয়ংকৰ পৰিবেশৰ সৃষ্টি কৰিছে। চন্দন নগৰত শেহতীয়াকৈ ড্ৰাগছ আসক্ত যুৱকৰ ইমানেই সন্ত্ৰাস চলিছে যে নিশাৰ ভাগত মহিলাই সোণৰ আ-অলংকাৰ পিন্ধা বন্ধ কৰিব লগা হৈছে। ড্ৰাগছ আসক্তই নিশা চন্দন নগৰৰ গাঁওৰক্ষী বাহিনী লোকৰ সৈতেও কাজিয়াত লিপ্ত হোৱাৰ ঘটনাও সংঘটিত কৰিছে। তদুপৰি নগৰখনৰ বৰুৱা চাৰিআলিৰ পৰা মালো আলি আৰু টি আৰ পি ৰোডত নিশা বাৰ বজালৈ বহু হোটেল, ৰেষ্টুৰেণ্ট খোলা ৰখা হয়। দুপৰ নিশালৈকে খোলা ৰখা এই হোটেল, ৰেষ্টুৰেণ্টসমূহেও সুৰা, ড্ৰাগছৰ প্ৰচলনৰ ক্ষেত্ৰত বহু ইন্ধন যোগোৱা বুলিও বহুজনে অভিযোগ উত্থাপন কৰিছে। ২০২১ চনৰ ২৯ নৱেম্বৰত ছাত্ৰ নেতা অনিমেষ ভূঞাক দিন-দুপৰতে এইখন যোৰহাটত এদল দানৱে মৰিয়াই মৰিয়াই হত্যা কৰাৰ দৰে ঘটনা দেওবাৰে যোৰহাটত পুনৰাবৃত্তি হোৱাত উদ্বিগ্ন হৈছে সৰ্বসাধাৰণ।

# অগপ-বিজেপিৰ মিত্ৰতা সমন্বয়ৰ মিত্ৰতাঃ মুখ্যমন্ত্ৰী হিমন্ত

**ই-সংবাদ, মথুৰাপুৰ, ২২ এপ্ৰিলঃ** আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ আৰু চৰাইদেউৰ লাকুৱাত নিৰ্বাচনী প্ৰচাৰ চলায়। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ ভোট বিচাৰে। ড০ শৰ্মাই তেওঁৰ কাৰ্যকালত ৰূপায়ণ কৰা উন্নয়নমূলক আঁচনিসমূহৰ কথা উল্লেখ কৰি কয় যে অখিল গগৈ আৰু কংগ্ৰেছে নিজৰ মাজত মল্লযুদ্ধ আৰু বক্সিং কৰি আছে। তেওঁলোক আনকি শাসনতো নাই। কল্পনা কৰক যে তেওঁলোক শাসনত থাকিলে কি হ'লহেঁতেন। বিজেপি আৰু অসম গণ পৰিষদৰ মাজত মিত্ৰতাক সৌহাৰ্দ্যপূৰ্ণ মিত্ৰতা বুলি দাবী কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এনডিএৰ সংহতিয়ে অসমৰ বাবে এক স্থিৰ ভৱিষ্যৎ নিশ্চিত কৰিব। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ বিপৰীতে অগপ আৰু বিজেপিৰ মাজত সমন্বয় আছে। সেয়েহে ভোটদানৰ সময়ত মনত ৰাখিব- আপুনি পদুম বা হাতীৰ ওপৰত মোহৰ মাৰিব লাগিব। আমি এক। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এডভান্টেজ আছাম-২.০ ৰ সময়ত হোৱা বৃহৎ বিনিয়োগৰ ৰূপায়ণ সন্দৰ্ভত আমি নিৰন্তৰে কাম কৰি আছো। ইয়াৰ ফলাফল আমি সোনকালেই লাভ কৰিম বুলি আশা প্ৰকাশ কৰিছো। আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ কাষত আমি সদায় আছো। মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰক প্ৰস্তুতিত সহায়ক হোৱাকৈ ৩০০ টকাকৈ আগবঢ়াম।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# তামুলপুৰত ৫৭৬ সংখ্যক শ্ৰীশ্ৰী গোপাল আৰু বাঘেশ্বৰী থানৰ সবাহ মহোৎসৱ

**ই-সংবাদ, তামুলপুৰ, ২২ এপ্ৰিলঃ** তামুলপুৰ অঞ্চলৰ অতিকৈ প্ৰাচীন আৰু ঐতিহ্য মণ্ডিত ডিমিলাপাৰত অৱস্থিত শ্ৰী শ্ৰী গোপাল আৰু বাঘেশ্বৰী থানৰ বাৰ্ষিক সবাহ মহোৎসৱ এইবেলি ২৬, ২৭ আৰু ২৮ এপ্ৰিলত তিনিদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ইতিমধ্যেই দীপক দাসক সভাপতি আৰু বিকাশ শৰণীয়াক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সবাহ মহোৎসৱ পৰিচালনা সমিতি গঠন কৰি মহোৎসৱৰ বিস্তৃত কাৰ্যসূচী প্ৰস্তুত কৰা হৈছে। উদ্যোক্তাসকলে জনোৱা মতে, ২৬ এপ্ৰিলৰ পুৱা ৭:০০ বজাত পৰিৱেশ নিকাকৰণ আৰু ৯:০০ বজাত মুখ্যদ্বাৰ উন্মোচন কৰা হ'ব। মুখ্যদ্বাৰ উন্মোচন কৰিব ডিমিলাপাৰ গাঁও পৰিচালনা সমিতিৰ সভাপতি গুণজিৎ দাসে। ৯.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰা হ'ব। ধৰ্মধ্বজা উত্তোলন কৰিব সবাহ মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি দীপক দাস, শিক্ষক মহেশ বৈশ্য, সাংস্কৃতিক কৰ্মী চমেন পাঠক, গাঁও পৰিচালনা সমিতিৰ সম্পাদক অনিল দাস, উপদেষ্টাদ্বয় মাণিক দাস, লোহিত দাস আৰু বিপুল দেয়ে। পুৱা ১০.৩০ বজাত স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ অনুষ্ঠান। স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে তামুলপুৰ প্ৰেছ ক্লাবৰ সভাপতি উৎপল ডেকা আৰু জ্যেষ্ঠ সাংবাদিক আনন্দ ৰামছিয়াৰীয়ে। ১১.০০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা। ১১.৩০ বজাত কণ কণ ল'ৰা-ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব শাৰীৰিক শিক্ষা নিৰ্দেশক খৰ্গেশ্বৰ দাসে। সন্ধিয়া ৭.০০ বজাত সামূহিক বন্তি প্ৰজ্বালন। বন্তি প্ৰজ্বলন কৰিব যুৱ সমাজকৰ্মী সোমনাথ বসুমতাৰী, শিক্ষক হেমন্ত দাস, সোনেশ্বৰ বড়ো প্ৰমুখ্যে তামুলপুৰ অঞ্চলৰ একাংশ বিশিষ্ট ব্যক্তিয়ে। সন্ধিয়া ৭.৩০ বজাত ভাগৱত পাঠ। ভাগৱত পাঠ কৰিব পাঠক নগেন দাসে। ২৭ এপ্ৰিলৰ পুৱা পৰিৱেশ নিকাকৰণ আৰু ৫.৩০ পূজাৰম্ভ। মুখ্য দেউৰী বৰুণ দাসে পূজাৰম্ভ কৰাৰ পিছতেই ৭.০০ বজাত ভাগৱত পাঠ আৰম্ভ কৰিব ধৰ্মকান্ত দাসে। ৮.০০ বজাত আয়তীৰ নাম পৰিৱেশন কৰিব যশোদা দাসে। ৯.০০ বজাত নাগাৰানাম পৰিৱেশন উদ্বোধন কৰিব প্ৰসন্ন দাসে। পুৱা ১০.০০ বজাত পুৰোহিত কামিনী শৰ্মাৰ পৰিচালনাত হোম যজ্ঞ আৰম্ভ হ'ব। ১.০০ বজাত বাঁহ গোসাঁই মন্দিৰ পৰিভ্ৰমণ। ২.০০ বজাত ভেল বিসৰ্জন। ২.৩০ বজাত পুষ্পাঞ্জলি প্ৰদান। ৩.০০ বজাত প্ৰসাদ বিতৰণ। সন্ধিয়া ৬.০০ বজাত একক আধুনিক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বিটিআৰৰ মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভাই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, দৰং-ওদালগুৰি লোকসভাৰ সাংসদ দিলীপ শইকীয়া, তামুলপুৰ জিলাৰ জিলা আয়ুক্ত পংকজ কুমাৰ চক্ৰৱৰ্তী, তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক ডুলুজিৎ দাসকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি। ২৮ এপ্ৰিলৰ পুৱা ৬.০০ বজাত পৰিৱেশ নিকাকৰণ, ৭.৩০ বজাত পূজাৰম্ভ। সন্ধিয়া ৫.৩০ বজাত মঞ্চ উদ্বোধন কৰিব যুৱ সমাজকৰ্মী তথা আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ ৰাষ্ট্ৰীয় বজৰং দলৰ অসম প্ৰান্তৰ সাধাৰণ সম্পাদক দয়াল দাসে। ৫.৪৫ বজাত সাগৰিকা বিহু দলৰ দ্বাৰা বিহু নৃত্য প্ৰদৰ্শন। ৬.৩০ বজাত বঁটা বিতৰণী অনুষ্ঠান। সন্ধিয়া ৬.৪৫ বজাত সমূহীয়া বন্তি প্ৰজ্বালন। বন্তি প্ৰজ্বালন কৰিব স্থানীয় বিধায়ক জলেন দৈমাৰীয়ে। অনুষ্ঠানত দৰংগাজুলি সমষ্টিৰ পাৰিষদ বিজিত গৌৰা নাৰ্জাৰী, তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক চণ্ডী, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়া, ডাঃ গৌতম মেধি প্ৰমুখ্যে বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া ৭.০০ বজাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান। ৭.১৫ বজাত তেজপুৰীয়া থেছপিয়ান সাংস্কৃতিক দলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। উদ্বোধন কৰিব অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ এজ টি মৰ্চাৰ সাধাৰণ সম্পাদক ৰাহুল ৰাভাই। সন্ধিয়া ৮.০০ বজাত সাংস্কৃতিক সন্ধিয়া। যুৱ প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী মনচৌম বড়োই অংশগ্ৰহণ কৰিবলগীয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী গণেশ বড়োই। উদ্যোক্তাসকলে সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# শংকৰদেৱ মহাবিদ্যালয়ত ব'হাগ বিহু উদযাপন

**ই-সংবাদ, বেৰেজীয়া, ২২ এপ্ৰিলঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো অব্যাহত আছে ব'হাগ বিহুৰ আনন্দ-উল্লাস। সমাগত পঞ্চায়ত নিৰ্বাচনৰ বতাহৰ মাজতো জিলাখনৰ প্ৰান্তে প্ৰান্তে নানা কাৰ্যক্ৰমণিকাৰে উদযাপন কৰি থকা হৈছে হেপাঁহৰ ব'হাগ বিহু। ইয়াৰ অংশ হিচাপে জিলাখনৰ পশ্চিমাঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ উদ্যোগত যোৱা সোমবাৰে উলহ-মালহেৰে ব'হাগ বিহু উদযাপন কৰা হয়। এক উৎসৱমুখৰ মনোমোহা পৰিৱেশত মহাবিদ্যালয়ৰ চৌহদত অনুষ্ঠিত হোৱা এই ব'হাগ বিহুৰ কাৰ্যসূচীৰ আৰম্ভণিতে দুটি কণমানিয়ে বিহু নৃত্য আৰু জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ অধ্যক্ষ দেৱজিৎ মহন্তই সকলোকে অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰি প্ৰদান কৰা আদৰণি ভাষণত অসমীয়াৰ বাপতিসাহোন ব'হাগ বিহুৰ বিষয়ে সাৰলীন বক্তব্য আগবঢ়াই আমাৰ চহকী



কৃষ্টি-সংস্কৃতিৰ লগত নৱ প্ৰজন্মক পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে প্ৰতি বছৰে মহাবিদ্যালয়ৰ চৌহদত এইদৰে ব'হাগ বিহু উদযাপন কৰি অহা হৈছে বুলি মন্তব্য কৰে। অধ্যাপক শ্বফিকুল ইছলামে আঁত ধৰা অনুষ্ঠানটিত বিহুনাম, বিহুনাচ, হুচৰি আদি উপৰি পৰম্পৰাগত থলুৱা খেল-ধেমালী অনুষ্ঠিত কৰি সকলোকে ব'হাগৰ অনাবিল আনন্দ-স্ফুৰ্তিৰ সোৱাদ যোগোৱা হয়। মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ লগতে বহুকেইজন বিশিষ্ট অতিথিৰ উপস্থিতিত অনুষ্ঠিত হোৱা বিহুৰ কাৰ্যসূচীৰ অন্তত থলুৱা জলপানেৰে সকলোকে আপ্যায়ন কৰা হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# তুচ্ছ-তাচ্ছিল্যৰ ৰাজনীতি

গান্ধীজীৰ সপোন আছিল ৰাইজৰ মাজত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা। ব্ৰিটিছ শাসকৰ পৰা ক্ষমতা কাঢ়ি আনি ৰাইজক স্বশাসনৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্তনৰ চিন্তা কৰিছিল মহামানৱ মহাত্মা গান্ধীয়ে। যাৰবাবে তেওঁ ১৯৩৫ৰ পৰা ১৯৪২ চনৰ ভিতৰত ব্ৰিটিছৰ পৰা ক্ষমতা হস্তান্তৰ প্ৰক্ৰিয়াত আমোলাতান্ত্ৰিক ব্যৱস্থাটোক গুৰুত্বহীন কৰি ৰাইজৰ মাজলৈ ক্ষমতা দিয়াৰ এক আঁচনি প্ৰস্তুত কৰিছিল। দেশৰ বিভিন্ন প্ৰান্তলৈ নিজে গৈ তেওঁ গ্ৰাম্য স্বৰাজ গঢ়াৰ আন্দোলন গঢ়িছিল। এই আন্দোলনত গান্ধীজীক সহায় কৰিছিল আচাৰ্য বিনোৱা ভাৱেই। পূৰ্ণ পঞ্চায়তীৰাজৰ গান্ধীজীৰ সপোন বাস্তৱত ৰূপ দিয়াৰ বাবে ৰাজীৱ গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাক আইনী ৰূপ দিছিল আৰু কংগ্ৰেছ দলৰ চৰকাৰে পঞ্চায়তত মহিলাৰ ৫০ শতাংশ আসন সংৰক্ষণ নিশ্চিত কৰিছিল। বৰ্তমান সময়ত অসমত ৰাইজলৈ ক্ষমতা হস্তান্তৰ প্ৰক্ৰিয়াৰ নামত যি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছে তাত সাম্প্ৰদায়িক বিষবাষ্প ছটিয়াই দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ দৰে সাংবিধানিক পদত থকা এজন লোকে পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্তন কৰা কংগ্ৰেছ দলৰ নিৰ্বাচনী প্ৰতীক লুঙী হ'ব লাগে বুলি তুচ্ছ-তাচ্ছিল্য কৰাৰ ধৃষ্টতা কৰিছে। ইয়াৰ দ্বাৰা মুখ্যমন্ত্ৰীজনে দেশৰ সাংবিধানিক ব্যৱস্থাক ভেঙুচালি কৰিছে। এজন মুখ্যমন্ত্ৰী ৰাজ্যখনৰ প্ৰতিনিধ। ৰাজ্যখনত বসবাস কৰা মানুহে লজ্জা নিবাৰণৰ বাবে কি পৰিধান কৰে অথবা পেটৰ ভোক গুচাবলৈ কি খাদ্য সেৱন কৰে তাক লৈ ৰাজনীতি কৰাতো অকল পৰম্পৰা বিৰোধীয়ে নহয়, এয়া অমানৱীয়। অসমৰ মুখ্যমন্ত্ৰীজনে নতুন প্ৰজন্মৰ বাবে কেতবোৰ নিৰাশাজনক বাৰ্তা দি গৈছে। খাদ্যভ্যাস আৰু মানুহে পৰিধান কৰা বস্ত্ৰৰ ওপৰত যি ৰাজনীতি কৰিব বিচৰা হৈছে ইয়াৰ দ্বাৰা ধৰ্মীয় মেৰু বিভাজন প্ৰকট হৈ পৰিব আৰু কণকণ ল'ৰা-ছোৱালীৰ মাজত ভেদাভেদ বৃদ্ধি পাব। এনে মনানৈক্য পৰিস্থিতিত সংঘাত বৃদ্ধি হৈ সামাজিক অশান্তি বাঢ়িব আৰু সামগ্ৰিকভাৱে সামাজিক অভিযান্ত্ৰিক পৰিকাঠামোৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব। মুখ্যমন্ত্ৰীৰ এনে মন্তব্যৰ পিছত আন ৰাজনৈতিক নেতাসকলেও সুৰত সুৰ মিলাই যিবোৰ বক্তব্য আগবঢ়াইছে সেয়া নিতান্তই উচটনিমূলক আৰু সুস্থ গণতন্ত্ৰৰ পৰিপন্থী। কংগ্ৰেছৰ নেতাসকলেও মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিবলৈ গৈ ধৰ্মীয় আৱেগত আঘাত হানিব পৰা যিবোৰ কথা কৈছে সেইবোৰ অত্যন্ত গৰ্হিত। এনে পৰিপ্ৰেক্ষিতত এই কথাবোৰ অসমৰ তৃণমূল পৰ্যায়ৰ ৰাইজেও উপলব্ধি কৰিব লাগিব। ভোটাৰ ৰাইজে কেৱল আত্মকেন্দ্ৰিক হৈ হিতাধিকাৰীমূলক আঁচনিসমূহৰ মোহত পৰিলে হিতে বিপৰীত হোৱাৰ সম্ভাৱনাই অধিক।

## লেখা আহ্বান

'ই-সংবাদ'ৰ সম্পাদকীয় পৃষ্ঠাৰ বাবে লেখা আহ্বান কৰা হৈছে। লেখাসমূহ ৫৫০টা শব্দৰ ভিতৰত আৰু বস্তুনিষ্ঠ হোৱাতো বাঞ্চনীয়। লেখাসমূহ newsnextne@gmailলৈ মেইলযোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ইউনিকোডত টাইপ কৰি প্ৰেৰণ কৰিব লাগিব। প্ৰকাশ হোৱা-নোহোৱাতো সম্পূৰ্ণৰূপে সম্পাদনা মণ্ডলীৰ ওপৰত নিৰ্ভৰ কৰিব। সেয়ে কেতিয়া প্ৰকাশ পাব সেয়া আগতীয়াকৈ জনোৱাতো মুঠেই সম্ভৱ নহয়।

# ৰিয়ান পৰাগৰ অনুৰাগী বিতৰ্ক আৰু আমাৰ কৰণীয়

■ **দেবৰ্ষি গৌতম**

অসমৰ পৰা ভাৰতৰ জাতীয় ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰা প্ৰথম গৰাকী অসমীয়া পুৰুষ ক্ৰিকেটাৰ হৈছে ৰিয়ান পৰাগ। অৱশ্যে আই পি এলত অসমক প্ৰতিনিধিত্ব কৰা প্ৰথমগৰাকী ক্ৰিকেটাৰ যদিও আবু নেচিম আহমেদ তথাপিও কিন্তু আই পি এলৰ যিকোনো এটা দলৰ নিয়মীয়া সদস্য হিচাপে খেলিবলৈ সক্ষম হোৱা খেলুৱৈ কিন্তু ৰিয়ান পৰাগ। ইয়াৰ উপৰিও আই পি এলত আটাইতকৈ কম বয়সত অৰ্ধশতক অৰ্জন কৰা খেলুৱৈৰ অভিলেখো আছে ৰিয়ান পৰাগৰ নামতে। গতিকে এনেবোৰ কাৰকৰ বাবে ৰিয়ান পৰাগ ক্ৰমান্বয়ে অনুৰাগীৰ মাজত যথেষ্ট জনপ্ৰিয় হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ সমান্তৰালকৈ চলিত আই পি এলত ৰিয়ান পৰাগক ৰাজস্থান ৰয়েলছ দলৰ প্ৰথম তিনিখন খেলৰ বাবে অস্থায়ী অধিয়াক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে।

যিহেতু ৰিয়ান পৰাগ অসম সন্তান গতিকে গুৱাহাটীত ৰিয়ান পৰাগে ৰাজস্থান ৰয়েলছক নেতৃত্ব প্ৰদান কৰাৰ বাবে অসমৰ লোকসকল যথেষ্ট উৎফুল্লিত হৈ পৰিছে। যদিও অসম দলক নেতৃত্ব প্ৰদান কৰা অভিজ্ঞতা ৰিয়ান পৰাগৰ আছে তথাপিও আই পি এলৰ দৰে এখন পৃথিৱীৰ ভিতৰতে জনপ্ৰিয় প্ৰতিযোগিতাত এটা দলক নেতৃত্ব প্ৰদান কৰাটো যথেষ্ট প্ৰত্যাহ্বানমূলক। সকলো প্ৰত্যাহ্বান নেওচি কিদৰে ৰিয়ান পৰাগে দলটোক খেলপথাৰত পৰিচালনা কৰিব তাকে চাবলৈ তেওঁৰ অনুৰাগী সকল যথেষ্ট আগ্ৰহী হৈ আছিল। ৰিয়ান পৰাগে ইতিমধ্যে ৰাজস্থান ৰয়েলছ দলক দুখন খেলত নেতৃত্ব প্ৰদান কৰিছে আৰু দুইখন খেলত দলটোৱে পৰাজয় বৰণ কৰিছে। কিন্তু গুৱাহাটীত অনুষ্ঠিত হোৱা প্ৰথম আৰু ৰাজস্থান ৰয়েলছৰ এইটো সংস্কৰণৰ দ্বিতীয় খন খেলত এক অদ্ভুত ঘটনা সংঘটিত হয়। খেলৰ দ্বিতীয় ইনিংছত ৰাজস্থান ৰয়েলছৰ হৈ এঘাৰ নম্বৰ অভাৰত বলিং কৰি থকা সময়ত এগৰাকী অনুৰাগীয়ে আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ বেহু ফালি খেলপথাৰ মাজলৈ দৌৰি আহি ৰিয়ান পৰাগৰ ভৰি চুৱে।

চাবলৈ গ'লে এইয়া কোনো ডাঙৰ ঘটনা নহয়। এনেধৰণৰ ঘটনা বহু খেলুৱৈৰ সৈতে সংঘটিত হোৱা আমি প্ৰত্যক্ষ কৰিছোঁ। কিন্তু এই ঘটনাটো সংঘটিত হোৱাৰ লগে লগে সামাজিক মাধ্যমত একাংশ লোকে ৰিয়ান পৰাগ বিভিন্ন ধৰণে সমালোচনা কৰিবলৈ উদ্যত হৈ পৰে। একাংশ লোকে খেলপথাৰত প্ৰৱেশ কৰি ৰিয়ান পৰাগৰ ভৰি স্পৰ্শ কৰাৰ বাবে সেই নিৰ্দিষ্ট ব্যক্তিগৰাকীক দহ হাজাৰ টকা ধন প্ৰদান কৰা বুলি সমালোচনা কৰি সামাজিক মাধ্যমত বিভিন্ন ধৰণৰ কটু মন্তব্য কৰিছে। সকলোৱে কেৱল সামাজিক মাধ্যমত সোঁতত উটি যোৱাৰ দৰে তিলটোকে তালটো কৰাৰ বাবে উঠি পৰি লাগি গৈছে। কোনেও কিন্তু সোঁতৰ বিপৰীতে গৈ বিষয়টো অকমানো পৰ্যালোচনা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। অধিকাংশ লোকে কব বিচাৰিছে যে শচীন তেণ্ডুলকাৰ, বিৰাট কোহলী, ৰোহিত শৰ্মা, এম এছ ধনী আদিৰ দৰে প্ৰতিষ্ঠিত খেলুৱৈক এবাৰ চুই চোৱাৰ হেঁপাহ অনুৰাগীৰ থকাটো কোনো ডাঙৰ কথা নহয় কিন্তু ৰিয়ান পৰাগৰ দৰে এগৰাকী যুৱ ক্ৰিকেটাৰ বাবে অনুৰাগী খেলপথাৰত প্ৰৱেশ কৰাটো স্বাভাৱিক কথা হব নোৱাৰে। সামাজিক মাধ্যমত সমালোচনাৰ সূত্ৰপাত কৰা ব্যক্তিসকলৰ সমালোচনাক যদি আমি অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰো তেনেহলে এটা কথা স্পষ্ট হৈ পৰিব যে ৰিয়ান পৰাগ সম্পৰ্কে সমালোচক সকলৰ জ্ঞানৰ পৰিধি তেনেই সীমিত।

সমালোচক সকলে হয়তো একেবাৰে জ্ঞাত নহয় যে ৰিয়ান পৰাগ অসমৰ প্ৰেক্ষাপটত ক্ৰিকেটাৰ হিচাপে কিমান প্ৰাসংগিক আৰু অনুৰাগীৰ মাজত কিমান জনপ্ৰিয় ? আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ৰিয়ান পৰাগ নিশ্চিতভাৱে এগৰাকী উদীয়মান যুৱ ক্ৰিকেটাৰ। জাতীয় দলৰ হৈ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ৰিয়ান পৰাগে আৰু বহুত প্ৰদৰ্শন আগবঢ়াবলৈ বাকী আছে। ইয়াৰ উপৰিও এইটো সংস্কৰণত ৰিয়ান পৰাগৰ অধিনায়কত্ব আৰু বেটিং প্ৰদৰ্শন একেবাৰে সন্তোষজনক হোৱা নাই। ৰিয়ান পৰাগৰ বাবে এগৰাকী ক্ৰিকেটাৰ হিচাপে এনেধৰণৰ সমালোচনা একেবাৰে যুক্তিসংগত।

যদি কলকাতা নাইবা জয়পুৰ নাইবা দেশৰ অন্য কোনো ষ্টেডিয়ামত ৰিয়ান পৰাগৰ অনুৰাগী খেলপথাৰত প্ৰৱেশ কৰিলেহেঁতেন তেনেহলে তেতিয়াও সমালোচনা কৰাৰ থল থাকিলহেঁতেন। কিন্তু গুৱাহাটীত ৰিয়ান পৰাগৰ বাবে অনুৰাগী খেলপথাৰত প্ৰৱেশ কৰাটো কোনো অস্বাভাৱিক কথা হিচাপে ভাবটো সম্পূৰ্ণ অবাস্তৱ চিন্তা। কাৰণ দেশৰ অন্য প্ৰান্ততকৈ অসমত ৰিয়ান পৰাগৰ অনুৰাগীৰ সংখ্যা যথেষ্ট বেছি। অসমৰ বহু যুৱ ক্ৰিকেটাৰে ৰিয়ান পৰাগক অনুসৰণ কৰে। ৰিয়ান পৰাগৰ ধাৰাবাহিক সফলতা আৰু উন্নত প্ৰদৰ্শনে বহু অসমীয়া যুৱক যুৱতীক ক্ৰিকেটৰ প্ৰতি আকৰ্ষিত কৰিছে। ৰিয়ান পৰাগৰ ধাৰাবাহিক উন্নত প্ৰদৰ্শন আৰু সফলতাৰ বাবে অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে ক্ৰিকেটৰ জনপ্ৰিয়তা পূৰ্বতকৈ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। দেশৰ অন্য প্ৰান্তৰ লোকসকলৰ বাবে ৰিয়ান পৰাগ এগৰাকী সাধাৰণ ক্ৰিকেটাৰ হলেও কিন্তু অসম তথা উত্তৰপূৰ্বাঞ্চলৰ বাবে ৰিয়ান পৰাগ এক আদৰ্শ। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলে এগৰাকী ক্ৰিকেটাৰ হিচাপে ৰিয়ান পৰাগক লৈ যথেষ্ট গৌৰৱ অনুভৱ কৰে। গতিকে এনে প্ৰেক্ষাপটত ৰিয়ান পৰাগৰ গৃহভূমিত তেওঁক অনুৰাগীয়ে সমাদৰ কৰাটো কোনো অস্বাভাৱিক কথা হব নোৱাৰে।

এনেধৰণৰ সকলো বিষয় ভালদৰে পৰ্যালোচনা কৰিহে সদায় যিকোনো এগৰাকী ব্যক্তিক সমালোচনাৰ আওতালৈ আনিব লাগে। অনাহকত কৰা নেতিবাচক সমালোচনাই যিকোনো এগৰাকী ব্যক্তিৰ মনোবল হ্ৰাস কৰাত যথেষ্ট অৰিহনা যোগায়। এটা কথা স্পষ্ট যে কোনো নেতিবাচক সমালোচনাই ৰিয়ান পৰাগৰ কেৰিয়াৰত কোনো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এনেধৰণৰ নেতিবাচক সমালোচনাই ৰিয়ান পৰাগক আৰু অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰাত সহায়হে কৰিছিল। ইতিহাস ইয়াৰ সাক্ষী। যিমান সমালোচনা হলেও অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলে সদায় ৰিয়ান পৰাগৰ পক্ষত থিয় দিব। অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ হিয়াৰ আমঠু, নয়নৰ মণি ৰিয়ান পৰাগে যাতে ক্ৰিকেটৰ ক্ষেত্ৰখনত সফলতাৰ শিখৰত আৰোহণ কৰি অসম আৰু উত্তৰপূৰ্বাঞ্চলৰ বাবে গৌৰৱ কঢ়িয়াই আনিব পাৰে তাৰ বাবে প্ৰতিগৰাকী লোকে শুভকামনা জনাই আছে আৰু ভৱিষ্যতেও জনাই যাব। এনে ধৰণৰ কিছুমান অবাস্তৱ সমালোচনাই ৰিয়ান পৰাগক প্ৰকৃতপক্ষে ভাল পোৱা লোকসকলক নিশ্চিতভাৱে প্ৰভাৱিত কৰি।

**(লেখকৰ ঠিকনাঃ বনগাঁও, বেলশৰ)**

# অভিলেখ! ১০ গ্ৰাম সোণৰ মূল্য হ'লগৈ ১ লাখ

## অভাৱনীয় হাৰত বৃদ্ধি পাইছে দাম

**নতুন দিল্লী, ২২ এপ্ৰিল:** অভাৱনীয় হাৰত বৃদ্ধি হৈছে সোণৰ মূল্য। পূৰ্বৰ সকলো ৰেকৰ্ড ভংগ কৰি আজি দেশত ১০ গ্ৰাম সোণৰ মূল্য ১ লাখ টকালৈ বৃদ্ধি হয়। ট্ৰাম্পৰ নতুন শুল্ক নীতিৰ পাছত দেশৰ শ্বেয়াৰ বজাৰত চলি থকা ধুমুহাৰ মাজতে আজি সোণৰ মূল্যই সৰ্বকালৰ ৰেকৰ্ড ভংগ কৰে। সোমবাৰে বিয়লি আমেৰিকাৰ বজাৰত সোণৰ মূল্য ১.৭ শতাংশ বৃদ্ধি হোৱাৰ পাছত আজি মুম্বাইৰ বুলিয়ন বজাৰত ২৪ কেৰেট সোণৰ মূল্য প্ৰতি ১০ গ্ৰামত ১,০০,০০০ টকা আৰু প্ৰতি ১০ গ্ৰামত ২২ কেৰেট সোণ(যি গহণাত ব্যৱহাৰ হয়)ৰ মূল্য ৯১,৬০০ টকা হৈছে। ইফালে কলকাতা আৰু গুৱাহাটীত আজি ২২ কেৰেটৰ দহ গ্ৰাম সোণৰ মূল্য ৯২,৯০০ টকা হৈছেগৈ। উল্লেখ্য, ট্ৰাম্পৰ নতুন শুল্ক নীতিৰ ফলত চীন আৰু আমেৰিকা সমুখ সমৰত অৱতীৰ্ণ হৈছে আৰু পৰস্পৰে পৰস্পৰৰ ওপৰত অসম্ভৱ ধৰণে উচ্চ হাৰৰ শুল্ক আৰোপ কৰিছে। ইয়াৰ দ্বাৰা সৃষ্টি হ'ব পৰা মন্দাৱস্থাৰ সন্দেহৰ মাজতে বিনিয়োগকাৰীসকল সোণৰ প্ৰতি আগ্ৰহী হৈছে। কিয়নো সোণক এক সুৰক্ষিত বিনিয়োগ হিচাপে গণ্য কৰা হয়। বিশেষকৈ অনিশ্চিত অৰ্থনৈতিক পৰিস্থিতিসমূহত বিনিয়োগকাৰীসকল সোণৰ প্ৰতি আকৃষ্ট হয়। ইয়াৰ লগতে, মূল্যবৃদ্ধি চৰম সীমাত উপণীত হোৱাৰ সময়তো সোণৰ মূল্য নমনীয় হৈ থাকে, বৰং বৃদ্ধিহে হয়। একে সময়তে ডলাৰৰ অবিৰত অৱনতিয়ে সোণৰ মূল্যক এক নতুন উচ্চতালৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এনেবোৰ কাৰণতে বিগত জানুৱাৰী মাহৰ ১ তাৰিখে প্ৰতি ১০ গ্ৰামত ৭৮,২১২ টকা হৈ থকা সোণৰ মূল্য আজিৰ দিনটোত ১,০০,০০০ টকালৈ বৃদ্ধি পায়। ১০ বছৰৰ পূৰ্বে অৰ্থাৎ ২০১৫ চনত প্ৰতি ১০ গ্ৰাম সোণৰ সৰ্বাধিক মূল্য আছিল ২৬,৩৪৩ টকা আৰু ২০২০ চনত এই মূল্য আছিল ৪৮,৬৫১ টকা। যি দেশৰ অৰ্থনীৰ বাবে চিন্তনীয় বিষয়।



পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ পিছতে কাশ্মীৰত কটকটীয়া নিৰাপত্তা, মঙলবাৰে




# গুৰুগ্ৰামৰ ৰাজপথত পুনৰ যুৱকৰ উদ্ভণ্ডালি

**গুৰুগ্ৰাম, ২২ এপ্ৰিল:** দেওবাৰে হাৰিয়ানাৰ গুৰুগ্ৰাম চহৰত সংঘটিত হোৱা এনে এটা ঘটনা পোহৰলৈ আহিছে। এটা এঘাৰজনীয়া বাইক আৰোহী দল আৰু এখন স্কৰপিঅ' গাড়ীত উঠি অহা এদল যুৱকৰ মাজত হোৱা কাজিয়াই চৰম ৰূপ লয়। জানিব পৰা মতে দ্বাৰকা এক্সপ্ৰেছৱে'ত দেওবাৰে নিশা বাইক আৰোহী দলটোক আগভেটি ধৰিছিল স্কৰপিঅ'ত অহা যুৱকৰ দলটোৱে। বাইক আৰোহীকেইজনে তীব্ৰ বেগত বাইক চলোৱাৰ অভিযোগ তুলি প্ৰথমে গাড়ীত অহা যুৱককেইজন বাক্-বিতণ্ডাত লিপ্ত হয়। কম সময়ৰ ভিতৰতে এই বাকযুদ্ধই তীব্ৰ কাজিয়াৰ ৰূপ লয় আৰু দুয়োপক্ষই হতাহতিত লিপ্ত হয়। গাড়ীত অহা যুৱককেইজনে বে'ছবল বেটেৰে বাইক আৰোহীকেইজনক প্ৰহাৰ কৰে আৰু তেওঁলোকৰ বাইককেইখনো ভাঙি চুড়মাৰ কৰে। সমগ্ৰ ঘটনাৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পাছত এতিয়া এনেবোৰ ঘটনাক কেন্দ্ৰ কৰি আৰক্ষী প্ৰশাসনে লোৱা ভূমিকাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। চিন্তনীয় যে কেৱল গুৰুগ্ৰামতে নহয়, বিভিন্ন মেট্ৰ'পলিটান চহৰত যুৱ উচ্ছৃংখলতাৰ ঘটনা অভাৱনীয় হাৰত বৃদ্ধি হৈছে।

# তাজমহলৰ সমীপৰ কাঁচৰ উদ্যোগ নিয়ন্ত্ৰণৰ নিৰ্দেশ ন্যায়ালয়ৰ

**নতুন দিল্লী, ২২ এপ্ৰিল:** উচ্চতম ন্যায়ালয়ে আজি উত্তৰ প্ৰদেশৰ আগ্ৰাস্থিত তাজমহলৰ চাৰিওফালে থকা কাঁচ উদ্যোগসমূহৰ মূল্যায়ন কৰিবলৈ আদেশ দিয়ে। ন্যায়ালয়খনে ৰাষ্ট্ৰীয় পৰিৱেশ ইঞ্জিনিয়াৰিং গৱেষণা প্ৰতিষ্ঠান NEERIক তাজমহলক প্ৰভাৱিত কৰা কাঁচ উদ্যোগসমূহৰ মূল্যায়ন কৰিবলৈ নিৰ্দেশ দিছে। NEERI কেন্দ্ৰীয় চৰকাৰৰ এটা মুখ্য গৱেষণা প্ৰতিষ্ঠান। ইয়াৰ উদ্দেশ্য হৈছে পৰিৱেশৰ সুৰক্ষা আৰু উন্নতিৰ বাবে অৱদান আগবঢ়োৱা। আদালতে ইয়াৰ লগতে প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডকে ধৰি সকলো চৰকাৰী সংস্থাক এই কামত NEERIক সহায় কৰিবলৈ নিৰ্দেশ দিয়ে।

# বিহাৰৰ আইআইটিয়ান গাঁৱৰ সাফল্য

**পাটনা, ২২ এপ্ৰিলঃ** গাঁও নহয় যেন অভিযন্তাৰ কাৰখানাহে! বিহাৰৰ এখন গাঁও ভৰি পৰিছে অভিযন্তাৰে। জানি আচৰিত হ'ব যে প্ৰতিবছৰে জেইই মেইন্স পৰীক্ষাত অকল্পনীয় সফলতা অৰ্জন কৰি অহা গাঁওখনৰপৰা এইবাৰো ৪০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰী এই পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৯১ চনৰ পৰা পাটৱা টোলী নামৰ গাঁওখনত এই সফলতাৰ যাত্ৰা আৰম্ভ হৈছিল। এতিয়ালৈকে এই গাঁওখনৰ পৰা ৫০০ৰো অধিক ছাত্ৰ-ছাত্ৰী জেইই মেইন্স পৰীক্ষাত উত্তীৰ্ণ হৈছে। এই অদ্ভুত সফলতাৰ বাবে পাটৱা টোলী গাঁৱক আইআইটিয়ানৰ গাঁও নামেৰেও জনা যায়।

## ৰামদেৱক ধমক ন্যায়ালয়ৰ

**নতুন দিল্লী, ২২ এপ্ৰিল:** জনপ্ৰিয় চৰবৎ কোম্পানী ৰুহ আফজাই দেশত চৰবৎ জেহাদ চলোৱা বুলি মন্তব্য কৰা যোগগুৰু বাবা ৰামদেৱক ধমক দিলে দিল্লী উচ্চ ন্যায়ালয়ে। পতঞ্জলী প্ৰডাক্টছৰ এটা প্ৰচাৰমূলক ভিডিঅ'ত এই মন্তব্য কৰিছিল ৰামদেৱে। ধমক খোৱাৰ পাছতে কেইবাটাও আপত্তিজনক মন্তব্য থকা ভিডিঅ'টো ডিলিট কৰা হ'ব বুলি ৰামদেৱৰ অধিবক্তাই ন্যায়ালয়ক অৱগত কৰে।

# দুদিনীয়া ভ্ৰমণ সূচীৰে চৌদি আৰৱত মোদী

**নতুন দিল্লী, ২২ এপ্ৰিল:** দুদিনীয়া ভ্ৰমণ সূচীৰে আজি চৌদি আৰৱত উপস্থিত হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ক্ৰাউন প্ৰিন্স মহম্মদ বিন ছলমানৰ আমন্ত্ৰণক্ৰমে মোদীক ৰয়েল চৌদি বায়ু সেনাৰ এক বিশেষ যুঁজাৰু বিমানেৰে জেদ্দালৈ লৈ যোৱা হয়।



জেদ্দালৈ ৰাওনা হোৱাৰ পূৰ্বে মোদীয়ে কয় যে ভাৰতে চৌদি আৰৱৰ সৈতে ইয়াৰ ঐতিহাসিক সম্পৰ্কক গুৰুত্ব দিয়ে আৰু যোৱা দশকত দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সম্পৰ্কই গুৰুত্ব লাভ কৰিছে।

মাজুলীত 'সৃষ্টি'ৰ ব'হাগী উৎসৱ-২০২৫ৰ সামৰণি অনুষ্ঠানত ড০ দেৱজিৎ শইকীয়াৰ মন্তব্য

# বিহুৰ পৰম্পৰা পাহৰি গ'লে আমি সকলো থকাৰ পিছতো নিচলা হ'ব লাগিব

**ই-সংবাদ, মধ্য মাজুলী, ২২ এপ্রিলঃ** ব'হাগ সম্প্রীতিৰ প্ৰতীক, ব'হাগ ৰং-ভালপোৱাৰ এক শাশ্বত ৰূপ। নতুন উদ্যমেৰে নৱ বুনিয়াদ গঢ়িবলৈ ব'হাগেই অসমীয়াক যুগ যুগ ধৰি অনুপ্রেৰিত কৰি আহিছে। সকলোখিনি দিয়ো ব'হাগেই আমাক শিকাইছে এক হ'বলৈ, শিকাইছে ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হৈ নতুনক স্বীকাৰ কৰি ল'বলৈ। মাজুলীৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন 'সৃষ্টি' এক সমন্বয়ৰ যাত্ৰা মাজুলীৰ উদ্যোগত ৫ ব'হাগ অৰ্থাৎ ১৯ এপ্রিলৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ব'হাগী উৎসৱ-২০২৫ ৰ কালি অন্তিম দিনা ব'হাগী উৎসৱৰ স্মৃতিগ্ৰন্থ 'মুগাৰে মহুৱা' ৰ দ্বিতীয় সংস্কৰণ উন্মোচন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই এনেদৰে কয়। বিশ্বজিৎ খাউণ্ড সম্পাদিত স্মৃতিগ্ৰন্থখন উন্মোচন কৰি তেওঁ আৰু কয় যে আধুনিকতাৰ ঢৌত উটি গৈ ৰঙালী বিহুৰ নন্দনতাত্ত্বিক ঐতিহ্যক পাহৰি গ'লে আমি বহুখিনি হেৰুৱাব লাগিব। বিহুৰ মাজত অন্তৰ্লীন হৈ থকা সমৃদ্ধ পৰম্পৰাই জাতিটোক কেনে অনিন্দ্যসুন্দৰ মাত্ৰা দান কৰি আহিছে সেই কথা পাহৰি গ'লে আমি সকলো থকাৰ পিছতো নিচলাত পৰিণত হ'ব লাগিব বুলি ড০ শইকীয়াই উল্লেখ কৰে। ইফালে পুৱা স্বচ্ছতা আৰু গছ পুলি ৰোপণৰ পিছতেই অনুষ্ঠিত জেংবিহু প্রতিযোগিতা উদ্বোধন কৰে



বনগাঁও উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ আনন্দ শইকীয়াই। দিনজোৰা জেং বিহু প্ৰতিযোগিতাৰ পিছত বিয়লি অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত ১৯ এপ্রিলত অনুষ্ঠিত সৰু বিহুৱতী আৰু বৰ বিহুৱতী আৰু ২০ এপ্রিলত অনুষ্ঠিত জেং বিহু প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্তসকলক বঁটাসমূহ প্ৰদান কৰে। সৃষ্টিৰ অন্যতম সাঃ সম্পাদক প্ৰাঞ্জল খাউণ্ডে আঁতধৰা অনুষ্ঠানত ক্ৰমে সৰু বিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম স্থান আটলাণ্টিকা চেতিয়া, দ্বিতীয় জুবলী বৰদলৈ, তৃতীয় জাচিংফা বৰগোহাঁই, চতুৰ্থ প্ৰতীক্ষা গোস্বামী, পঞ্চম গীতাশ্ৰী পগাগ, স্থান ললিতপ্ৰিয়া শইকীয়া আৰু সপ্তম স্থান পায় নিশিতা শৰ্মাই। ইফালে বৰ বিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম স্থান ইলিয়ানা ৰাজকুমাৰী, দ্বিতীয় স্থান হিমাশ্ৰী ঘোষ আৰু তৃতীয় স্থান পায় আকাংক্ষা ভৰালীয়ে। আনহাতে, জেং বিহু প্ৰতিযোগিতাত প্ৰথম স্থান ঘিলামৰা কেন্দ্ৰীয় টকা বিহু দল, দ্বিতীয় স্থান কলিমতী টকা বিহু দল ঢকুৱাখানা আৰু তৃতীয় স্থান ঘিলামৰা আঞ্চলিক টকা বিহু দলে লাভ কৰে। আনহাতে ইয়াৰ পিছতেই সন্ধিয়া সৃষ্টিৰ অন্যতম সাঃ সম্পাদক ৰঞ্জন মহন্তই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত ক্ৰমে আধুনিক প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত লক্ষ্যজিৎ হাজৰিকা, দুঃসাহসিক ক্ৰীড়া ক্ষেত্ৰত ৰিদীপ শইকীয়া, শৰীৰ চৰ্চাৰ ক্ষেত্ৰত পবিত্ৰ নাথ, সাংস্কৃতিক ক্ষেত্ৰত ক্ৰমে প্ৰেমধৰ দাস, জুৰমন ৰাজখোৱা, বলোৰাম শইকীয়া, দেৱকান্ত খাউণ্ডক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। নিশা ৯.৩০ বজাত বিশিষ্ট সমাজকৰ্মী বিতোপন দলৈৰ উদ্বোধনেৰে অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত স্থানীয় শিল্পীৰ লগতে কণ্ঠশিল্পী নিতুল দাধৰা আৰু সহযোগী মৌপ্ৰিয়া গগৈয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰে।

## ঝাৰোবড়ীত আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী ধনঞ্জয় দাসৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**ই-সংবাদ, মিৰ্জা, ২২ এপ্রিলঃ** ৫ নং ছয়ানী-ৰাণী আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ৫২ নং বাঢ়ন্তী মণিয়েৰী পাৰাকুছি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য (কাউন্সিলাৰ)পদৰ নিৰ্দলীয় প্ৰাৰ্থী ধনঞ্জয় দাসৰ প্ৰচাৰ তথা নিৰ্বাচনী কাম-কাজ চলাই নিয়াৰ বাবে কালি ঝাৰোবড়ীত এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয়টো মুকলি কৰে বিএছএনএলৰ প্ৰাক্তন বিষয়া অমৃত দাসে। তেওঁ ধনঞ্জয় দাসক বিজয় হোৱাৰ আশীৰ্বাদ দিয়ে। লেখক উমানন্দ শালৈ, প্ৰাক্তন পঞ্চায়ত সভাপতি-সৰবৰহী ব্যক্তি বিপুল কুমাৰ চৌধুৰী আৰু ব্যৱসায়ী হীৰেন শালৈয়ে আঁত ধৰা এই নিৰ্বাচনী কাৰ্যালয় মুকলি অনুষ্ঠানত ঝাৰোবড়ী আঞ্চলিক হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক কামিনী কান্ত দাস, এএছইবিৰ প্ৰাক্তন বিষয়া ভাৰত কলিতাই ভাষণ দি ধনঞ্জয় দাসৰ বিজয় নিশ্চিত বুলি কয়। বহু বছৰৰ মূৰত ঝাৰোবড়ীত সামাজিক কামত লাগি থকা এজন ভদ্ৰ প্ৰাৰ্থী পোৱা বুলি তেওঁলোকে উল্লেখ কৰে। প্ৰাৰ্থী ধনঞ্জয় দাসেও এই যুঁজত নিশ্চয়কৈ জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁক ঝাৰোবড়ী অঞ্চলটোৰ ক্লাব, দল-সংগঠন, ব্যৱসায়ী, লেখক, সচেতন লোক আদিয়ে সমৰ্থন দি আহিছে বুলি উল্লেখ কৰে। এই নিৰ্বাচনী কাৰ্যালয়ৰ মুকলি অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তৰুণ কলিতা, বিশিষ্ট ব্যক্তি চবিন মালী, অন্নদা চাৰণ দাসকে ধৰি বহুকেইজন ব্যৱসায়ী, ক্লাবৰ সদস্য, বিজেপি কৰ্মী, মহিলা উপস্থিত থাকে। লগতে সভাত ৫ নং ৱাৰ্ডৰ সদস্য প্ৰাৰ্থী জিতুমণি দাস, নিউজ লাইভৰ সংবাদকৰ্মী ৰাজীৱ দাস, সুৰেন দাস, জীতেন শালৈ, নৃপেন দাস, বিমল শালৈ, জনক হাজৰিকা, যুৱ নেতা জীতু দাস, ফুলমণি দাস, সঞ্জীৱ হাজৰিকা, নয়ন মজুমদাৰ, নগেন চন্দ্ৰ দাস, কুশল দাস, তিলক দাস, প্ৰদীপ দাসে অংশগ্ৰহণ কৰে। প্ৰায় দহ হাজাৰ ভোটাৰ থকা এই পঞ্চায়তত এইবাৰ ধনঞ্জয় দাস, পৰেশ চন্দ্ৰ দাস আৰু কৌশিক তালুকদাৰৰ মাজত ত্ৰিকোণীয়া এখন যুঁজ হ'ব বুলি ৰাইজে জানিবলৈ দিয়ে। এক প্ৰকাৰ শাসকৰ ধনবল, কূট কৌশল থাকিলেও এই যুঁজত ধনঞ্জয় দাসে শেষ হাঁহি মাৰিব বুলি আশা কৰিছে আজি স্বাৰ্থহীনভাৱে ওলাই অহা সমবেত লোকসকলে। আমি এইবাৰ দল নাচাও, প্ৰাৰ্থীহে চাই ভোট দিম বুলি মত প্ৰকাশ কৰে ৰাইজে।

## মৰিগাঁও প্ৰশাসনৰ ভোটকেন্দ্ৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ নিৰ্দেশ

**ই-সংবাদ, লাহৰীঘাট, ২২ এপ্রিলঃ** পঞ্চায়তৰ ভোটকেন্দ্ৰসমূহ বিধান সভাৰ ভোটকেন্দ্ৰৰ সৈতে অমিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি সমাগত পঞ্চায়ত নিৰ্বাচনত ভোটাৰসকলে নিজৰ ভোটকেন্দ্ৰসমূহ চিনাক্ত কৰাত যাতে অসুবিধাৰ সৃষ্টি নহয় তাৰবাবে মৰিগাঁও জিলা প্ৰশাসনে বি এল অ'সকলক ব্যাপক সজাগতা সৃষ্টিৰ নিৰ্দেশ দিছে। আজি অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ স্বাক্ষৰত প্ৰকাশ পোৱা এখন জাননীত এই বিষয়ে প্ৰকাশ কৰা হৈছে। জাননীখনত জিলাখনৰ অন্তৰ্গত ৫২ নং জাগীৰোড বিধানসভা সমষ্টি, ৫৩ নং লাহৰীঘাট সমষ্টি আৰু ৫৪নং মৰিগাঁও বিধানসভা সমষ্টিৰ বি এল অ'সকলক পঞ্চায়ত সচিবৰ সহযোগত ভোটাৰৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে মৰিগাঁও জিলাত দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হ'ব।

# বিলাসীপাৰাত অসম সাহিত্য সভাৰ উদ্যোগত গীতালী বৰুৱাৰ স্মৃতিচাৰণ সভা

**ই-সংবাদ, ২২ এপ্ৰিলঃ** পশ্চিম অসমৰেই নহয় বৃহৎ অসমীয়া সমাজৰ নেত্ৰী গীতালি বৰুৱাক জীয়াই ৰখাৰ স্বাৰ্থই গুৰুত্ব পোৱা উচিত। সাহিত্য সমাজ আৰু শিক্ষাৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি থকা গীতালি বৰুৱা সমাজৰ বাবে অত্যন্ত প্ৰয়োজনীয় ব্যক্তি। তেওঁৰ আদৰ্শ আৰু তেওঁৰ কৰ্মৰাজি সমাজৰ সকলো স্তৰলৈ বিস্তৃত হ'ব লাগে বুলি শ্ৰদ্ধাঞ্জলি ভাষণত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ লগতে কয়, অসম সাহিত্য সভাৰ লগত গীতালি বৰুৱাৰ সম্পৰ্ক অভিন্ন। এই সম্পৰ্ক সভাৰ বহুসংখ্যক কৰ্মকৰ্তাৰ লগত ব্যাপ্ত হৈ আছে; সেয়ে তেওঁৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ পৰা সাহিত্যকৰ্মীসকল, গোৱালপাৰা, বঙাইগাঁও, কোকৰাঝাৰ, চিৰাং, যোৰহাট, মাজুলী, নগাঁও আদি জিলাৰ পৰা আহি এই সভাত উপস্থিত হৈছেহি। এইটোৱেই হৈছে সভাৰ একত্ব ৰূপ, বিগত সময়ছোৱাত সাহিত্য সভাত গীতালি বৰুৱাই এই ৰূপটোৱেই পৰিগ্ৰহ কৰিছিল। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে কয়, গীতালি বৰুৱা আমাৰ সমাজৰ বাবে আদৰ্শস্থানীয় মহিলা। এইগৰাকী মহিলাই সুন্দৰ সমাজ নিৰ্মাণৰ ক্ষেত্ৰত সফলতা দাবী কৰিব পাৰে; গীতালি বৰুৱাই জীৱন যাত্ৰা সামৰি কৰা এই মহাপ্ৰস্থানে অসম সাহিত্য সভাৰ বহু ক্ষতি কৰিলে। আনহাতে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱায়ো সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি ভাষণ আগবঢ়ায় আৰু সাহিত্যিকগৰাকীৰ জীৱন সোঁৱৰণ কৰে। ২০ এপ্ৰিল, দেওবাৰে ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গীতালি বৰুৱাৰ বিলাসীপাৰাস্থিত নিজ বাসভৱন 'থাপনা'ত পৱিত্ৰ আদ্যশ্ৰাদ্ধ উপলক্ষে অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক ধৰ্মেশ্বৰ দাস, স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্ৰ নাথ, সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদু, প্ৰাক্তন সভাপতি বাণীকান্ত ৰাভা, প্ৰাক্তন জিলা সম্পাদক জিতুমণি দাস, জিলা কাৰ্যনিৰ্বাহক সদস্য ডাঃ ফাৰুক আখতাৰ, আব্দুল হাই আহমেদ, কোকৰাঝাৰ জিলা সাহিত্য সভাৰ সভাপতি শ্বৰীফ হুছেইন, সম্পাদক শৰৎ ডেকা, চিৰাং জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ ৰায়, জিলা প্ৰতিনিধি সুভাষ মজুমদাৰ, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য হেৰম্ব কলিতা, ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিনয় কুমাৰ নাথ, হেৰম্ব কলিতা, কোকৰাঝাৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰশান্ত দেৱ শৰ্মা, সাহিত্য সংগঠক মোচলেমুদ্দিন আহমেদ, তিলক প্ৰসাদ প্ৰমুখ্যে ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ জিলাৰ অন্তৰ্গত শাখা সাহিত্য সভাসমূহৰ বহুসংখ্যক বিষয়ববীয়া, দল-সংগঠন-ব্যক্তিবিশেষ উপস্থিত থাকে। সভাখনত সাহিত্যিকগৰাকীৰ স্মৃতিত 'গীতালি বৰুৱা সোঁৱৰণী স্মৃতি ন্যাস' গঠনৰ সন্দৰ্ভতো আলোচনা হয়।

# সমাজকৰ্মী নিৰঞ্জন শইকীয়াক যুৱ সমাজৰত্ন বঁটা-২০২৫ প্ৰদান

**ই-সংবাদ, দুমুনিচকী, ২২ এপ্ৰিলঃ** অসমৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান হেল্পিংহেণ্ড সংস্থাই প্ৰাক্তন ছাত্ৰনেতা সমাজকৰ্মী নিৰঞ্জন শইকীয়ালৈ যুৱ সমাজ ৰত্ন বঁটা- ২০২৫ আগবঢ়াই ২০ এপ্ৰিলত ওদালগুৰি জিলাৰ টাউন কমিউনিটি প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা হেল্পিংহেণ্ড সংস্থাৰ বৰ্ষপূৰ্তি অনুষ্ঠানত প্ৰদান কৰে এই বঁটা। দৰঙৰ লগতে দেওমৰনৈ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান, সংগঠনৰে জড়িত হোৱাৰ লগতে উচ্চ শিক্ষিত যুৱক নিৰঞ্জন শইকীয়াই সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা, উপ-সভাপতি, শিক্ষা সম্পাদক, সহকাৰী সম্পাদক, মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক, দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, সাধাৰণ সম্পাদক, উপদেষ্টাৰ লগতে দেওমৰনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, সাংস্কৃতিক সম্পাদক, দেওমৰনৈ স্নাতক মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ লগতে অসম নাট্য সন্মিলনৰ দেওমৰনৈ শাখাৰ সম্পাদকৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। বৰ্তমান তেওঁ দৰং কেণ্ডাৰ কেন্দ্ৰৰ কৰ্মচাৰী হিচাপে কৰ্মৰত হৈ আছে। নিৰঞ্জন শইকীয়াই বহু ব্যক্তিক সহায় কৰি আহিছে বিভিন্ন ক্ষেত্ৰত। নিৰঞ্জন শইকীয়ালৈ আগবঢ়োৱা বঁটাৰ বাবে দৰং তথা দেওমৰনৈ অঞ্চলৰ বিভিন্ন লোক উৎফুল্লিত হৈ পৰিছে।

# ছিপাঝাৰত উন্মুক্ত ট্ৰেন্সফৰ্মাৰত বিদ্যুৎস্পৃষ্ট হৈ পশুধনৰ মৃত্যু

**ই-সংবাদ, ছিপাঝাৰ, ২২ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ বিদ্যুৎ সংমণ্ডলৰ অন্তৰ্গত ব্যাসপাৰাত আজি এটা উন্মুক্ত ট্ৰেন্সফৰ্মাৰত বিদ্যুৎস্পৃষ্ট হৈ এটা পশুধনৰ মৃত্যু হয়। উল্লেখ্য যে ইয়াৰ সেৱক হাইস্কুলৰ নিকটৱৰ্তী ট্ৰেন্সফৰ্মাৰটো মাটিৰ নিচেই ওচৰতে আছে। একেদৰে বিপজ্জনকভাৱে থকা ট্ৰেন্সফৰ্মাৰটো দীৰ্ঘদিন ধৰি উন্মুক্ত হৈ থকাৰ পিছতো বিভাগটোৰ ছিপাঝাৰ উপ-সংমণ্ডল কাৰ্যালয়ৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ আজিকোপতি চকুত নপৰিল। প্ৰণিধানযোগ্য যে ইয়াৰ আগতেও এই উন্মুক্ত ট্ৰেন্সফৰ্মাটোত বিদ্যুৎস্পৃষ্ট হৈ একাধিক পশুধনৰ মৃত্যু হৈছিল।

# হোজাই জিলা সাহিত্য সভাৰ পদ্মনাথ গোহাঞিবৰুৱা স্মৃতি দিৱস পালন

**ই-সংবাদ, মোৰাঝাৰ, ২২ এপ্ৰিলঃ** হোজাই জিলা সাহিত্য সভাৰ উদ্যোগত আৰু দলপুখুৰী শাখা সাহিত্য সভাৰ সহযোগত কালি পদ্মনাথ গোহাঞিবৰুৱা স্মৃতি দিৱস দলপুখুৰীৰ পদুম পুখুৰী হাইস্কুল প্ৰাংগণত অনুষ্ঠিত কৰা হয়। হোজাই জিলা সাহিত্য সভাৰ সভাপতি পদ্মকান্ত বৰা দেৱৰ সভাপতিত্বত অনুষ্ঠিত এই মননশীল সভাখনত মুখ্য বক্তা হিচাপে বক্তৃতা প্ৰদান কৰি জ্যেষ্ঠ শিক্ষক অজিত নাথে গোহাঞিদেৱৰ বৰ্ণাঢ্য জীৱন আৰু সাহিত্যিক কৃতিৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। উক্ত সভাত উপস্থিত থাকে জিলা সভাৰ সম্পাদক অচ্যুত ঠাকুৰীয়া, সহঃ সম্পাদক প্ৰতাপ বৰুৱা, কাৰ্যালয় সম্পাদক বিমল নাথ, কুঁহিৰ আহ্বায়িকা অজন্তা তামুলী ফুকন, সাংস্কৃতিক সম্পাদিকা বিন্দীয়া কৌৰ, প্ৰকাশন সচিব পুষ্প বৰা, সংগঠনক ওম প্ৰকাশ নাথ, ওম প্ৰকাশ বৰা, খলিলুৰ ৰহমান, টংকেশ্বৰ নাথ আদি উপস্থিত থাকে। দলপুখুৰী শাখা সাহিত্য সভাৰ সভাপতি-সম্পাদককে প্ৰমুখ্য কৰি জিলাখনৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত আজিৰ সভাখন সফলভাৱে ৰূপায়ণ কৰা হয়

# দিচাংপৰীয়া সন্মিলিত যুৱ সমাজৰ উদ্যোগত চতুৰ্দশ বাৰ্ষিক মুকলি বিহু সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ২২ এপ্ৰিলঃ** অসমীয়াৰ পৰম্পৰা ৰক্ষা কৰি পুৰণি দিনৰ বিহুৰ প্ৰকৃত বৈশিষ্ট্য আৰু মৰ্যাদা ৰক্ষাৰে দিচাংপৰীয়া সন্মিলিত যুৱ সমাজৰ চতুৰ্দশ বাৰ্ষিক মুকলি বিহু আৰু সাংস্কৃতিক অনুষ্ঠানটো বিগত বৰ্ষসমূহৰ দৰে এইবাৰো বেতবাৰী মৌজাৰ শুকান পুখুৰীৰ পাৰত সাতবিহুৰ ভিতৰতে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা দিচাংপৰীয়া সন্মিলিত যুৱ সমাজৰ পতাকা উত্তোলন কৰে সমাজৰ সভাপতি সমীৰণ বৰদলৈয়ে। বিহুৰান উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি দুলু ভূঞাই। নৱগঠিত দিচাংপৰীয়া সন্মিলিত মহিলা সমাজৰ পতাকা উত্তোলন কৰে সমাজৰ সভানেত্ৰী অঞ্জনা শইকীয়াই। স্মৃতি তৰ্পণ মুকলি কৰে কাৰ্যকৰী সভাপতি শান্তনু চেতিয়া, পাৰ্থজিৎ কাকতি আৰু ধ্ৰুৱজ্যোতি কাকতিয়ে। তাৰ পিছতেই বেতবাৰী অঞ্চলৰ সাতখনকৈ গাঁৱৰ ১৬ জন জেষ্ঠ ভকতক বিহুৰ জলপান-বস্ত্ৰ প্ৰদান কৰি সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰে যুৱ সমাজ আৰু বিহু উদযাপন সমিতিৰ বিষয়ববীয়াসকলে। শুকানপুখুৰীৰ প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠান লক্ষ্মী ট্ৰেড্ৰাছৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী দুলু ভূঞাৰ তত্বাৱধানত যুৱ সমাজে ১৬ গৰাকী ভকতৰ দ্বাৰা ঐতিহাসিক শুকানপুখুৰী পাৰত একোটাকৈ দুৰ্লভ প্ৰজাতিৰ ফলৰ গছপুলি ৰোপণ কৰে। জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথে মুকলি বিহু উদ্বোধন কৰি কেইবাটাও বিহুগীত পৰিবেশনেৰে মুকলি বিহুস্থলী জীপাল কৰি তোলে। মুকলি বিহুৰ অনুষ্ঠানত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ বিমান চন্দ্ৰ দত্ত, বেতবাৰী অঞ্চলৰ অৱসৰপ্ৰাপ্ত শিক্ষাবিদ ক্ৰমে পুণেশ্বৰ চেতিয়া, নিজামুদ্দিন আহমেদ, ৰমজান আলী আৰু পাৰ্বতী প্ৰসাদ সন্দিকৈক বিশেষভাৱে যুৱ সমাজে সম্বৰ্ধনা জ্ঞাপন কৰে। মুকলি বিহুৰ অনুষ্ঠানত মৰাণ এনাজৰী হুঁচৰি দল, পোহৰ চেমনীয়া হুঁচৰি দল, অগ্নিশিখা জনগোষ্ঠীয় সাংস্কৃতিক দল, ৰামধেনু সাতভনী সাংস্কৃতিক দল, ব'হাগী সমন্বয় সাংস্কৃতিক দলে বিহু আৰু জনগোষ্ঠীয় নৃত্য পৰিবেশন কৰে। সন্ধিয়া বেতবাৰী অঞ্চলৰ আদৰ্শ ক্ষুদ্ৰ চাহ খেতিয়ক ৰুমেন্দ্ৰ নাথ মজিন্দাৰ বৰুৱা সোঁৱৰণী সাংস্কৃতিক মঞ্চৰ শুভ উদ্বোধন কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে। মঞ্চ উদ্বোধনৰ পূৰ্বে প্ৰয়াত ৰুমেন্দ্ৰ নাথ মজিন্দাৰ বৰুৱাৰ সহধৰ্মিণী স্বপ্না মজিন্দাৰ বৰুৱাক যুৱ সমাজৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সাংস্কৃতিক অনুষ্ঠানতে বেতবাৰী অঞ্চলৰ আদৰ্শৱান শিপিনী সাবিত্ৰী কোঁৱৰ, ৰাণু চেতিয়া, যামিনী দত্ত, লক্ষীমাই হাজৰিকা আৰু অনিতা দত্ত, আদৰ্শ কৃষক প্ৰবীৰ শৰ্মা, আদৰ্শ ক্ষুদ্ৰ চাহ খেতিয়ক অক্ষয় চেতিয়া আৰু যুগল দত্ত, আদৰ্শ পশুপালক পদুম গিৰি, আদৰ্শ মীনপালক ৰাকিব হুছেইন, বিশিষ্ট সমাজকৰ্মী সঞ্জয় মজিন্দাৰ বৰুৱা আৰু দিলীপ চাংমাই, যুৱ সমাজকৰ্মী দেৱজিৎ মজিন্দাৰ বৰুৱা, চুনা খান, জিতু মজিন্দাৰ বৰুৱা, সাংস্কৃতিক কৰ্মী ভুৱন গগৈ, বুবুতি হাজৰিকা, শিক্ষাবিদ মাণিক চেতিয়া, সমাজকৰ্মী ঘন গগৈ, অনন্ত সন্দিকৈ আৰু মানস শইকীয়াক যুৱ সমাজ আৰু বিহু উদযাপন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ৰঙালী বিহুৰ অনুষ্ঠানতে দিচাংপৰীয়া সন্মিলিত যুৱ সমাজৰ "বেতবাৰী জ্যোতিষ্ক বঁটা"-২০২৫ ৰাষ্ট্ৰীয় খেলুৱৈ, বিশিষ্ট ক্ৰীড়াবিদ, বেতবাৰীৰ সু-সন্তান ৰজনী চেতিয়াক প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি ৰজনী চেতিয়াই আনন্দিত অনুভৱ কৰা বুলি উল্লেখ কৰি নিজৰ জন্ম ঠাইত লাভ কৰা এই সন্মানে আগন্তুক দিনবোৰত অধিক একাগ্ৰতাৰে ক্ৰীড়াৰ জগতখনত মনোনিবেশ কৰিবলৈ প্ৰেৰণা দিব বুলি মন্তব্য কৰি সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী বিজয় বিশালে বিহু গীত পৰিবেশন কৰি উপস্থিত সকলো দৰ্শকৰ আদৰ আৰু মৰম বুটলিবলৈ সক্ষম হয়। বিহুৰ অনুষ্ঠান সফল কৰাত সহযোগিতা আগবঢ়োৱা সকলোৰে প্ৰতি উদযাপন সমিতিৰ যুটীয়া সম্পাদক ৰবীন চেতিয়াই কৃতজ্ঞতা জ্ঞাপন কৰে।

# গোপাল আৰু জগন্নাথ থান সত্ৰত গোঁসাই বাঁহ খহোৱা উৎসৱৰ সামৰণি

**ই-সংবাদ, তামুলপুৰ, ২২ এপ্ৰিলঃ** তামুলপুৰ জিলাৰ কচুবাৰীস্থিত ৫২৫ বছৰীয়া ঐতিহ্যমণ্ডিত মহাপ্ৰভু শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰত আজি দিনজোৰা ধৰ্মীয় কাৰ্যসূচীৰে পালন কৰা হয় গোঁসাই বাঁহ খহোৱা উৎসৱ। গোঁসাই বাঁহ খহোৱা উৎসৱ উপলক্ষে পুৱাৰে পৰা তামুলপুৰ জিলাৰ ভিন্ন প্ৰান্তৰ উপৰি ৰঙিয়া, নলবাৰী, বৰমা, গুৱাহাটী আদি ঠাইৰ পৰাও ভক্তৰ সমাগম ঘটে। শৰণীয়া, বড়ো, ৰাভা, কোচ ৰাজবংশী, কলিতা, হাজং আদিকে ধৰি ভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমাগমেৰে মিলন তীৰ্থভূমিলৈ পৰ্যবেসিত হৈ পৰে থান সত্ৰ। পুৱাৰে পৰা নাম কীৰ্ত্তন, পূজা-অৰ্চনা আদিৰ উপৰি ভক্তসকলে মনোবাঞ্ছা পূৰণৰ অৰ্থে ছাগলী, পাৰ আদিও এৰি দিয়া পৰিলক্ষিত হয় ৫২৫ বছৰ অতিক্ৰম কৰা গোপাল আৰু জগন্নাথ থান সত্ৰৰ চৌহদত। দিনৰ ১.০০ বজাত ভকতসকলে ঢোল, তাল, পেঁপা বজাই নাম-কীৰ্ত্তন কৰি থান সত্ৰৰ চৌহদ সাতবাৰ পৰিভ্ৰমণ কৰে আৰু হৰধ্বনি দি গোপাল আৰু জগন্নাথৰ প্ৰতীকি গোঁসাই বাঁহ খহোৱা পৰ্ব সমাপন কৰে। পৰম্পৰাগত বাঁহ খহোৱা উৎসৱৰ লগত সংগতি ৰাখি গোপাল আৰু জগন্নাথ থান সত্ৰৰ অধীনৰ কেইবাখনো গাঁৱৰ ৰাইজৰ উপৰি সীমামূৰীয়া অঞ্চলৰ ৰাইজে দল বান্ধি প্ৰীতি ভোজনত মিলিত হয়। প্ৰীতি ভোজনৰ অন্তত শতাধিক স্বেচ্ছাসেৱকে থান সত্ৰত সমবেত হোৱা ভক্তপ্ৰাণ ৰাইজৰ মাজত প্ৰসাদ আৰু ভোগ বিতৰণ কৰে। তামুলপুৰ জিলাৰ এই ঐতিহ্যমণ্ডিত গোঁসাই বাঁহ খহোৱা উৎসৱলৈ আহি অভিভূত হৈ পৰে অঞ্চলটোৰ ৰাইজ। প্ৰসাদ বিতৰণ অন্তত সফল সামৰণি পৰে থান সত্ৰৰ বাঁহ খহোৱা উৎসৱ। উল্লেখ্য যে পৰম্পৰাগতভাৱে কচুবাৰীৰ শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰত পহিলা ব'হাগৰ দিনাৰ পৰা ৬ ব'হাগলৈ পালন কৰা হয় বাঁহ গোসাঁই ফুৰোৱা উৎসৱ, য'ত থান সত্ৰখনৰ অধীনস্থ গাঁওসমূহৰ প্ৰতিটো পৰিয়ালৰ ঘৰলৈ বাঁহ গোসাঁই ফুৰাবলৈ নিয়া হয়। গোঁসাই বাঁহ ফুৰোৱাৰ লগতে গোঁসাই খহোৱা উৎসৱৰ প্ৰতিটো কাৰ্যসূচীতে অংশগ্ৰহণ কৰা ধৰ্মপ্ৰাণ ৰাইজক কচুবাৰী মহাপ্ৰভু শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি সুৰেন ৰাভা আৰু সম্পাদক প্ৰভাত শৰণীয়াই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

# পশ্চিম যোৰহাটৰ সংবাদ ভৱনত বসন্ত উৎসৱ পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২২ এপ্ৰিলঃ** পশ্চিম যোৰহাট সাংবাদিক সংস্থাই ২১ এপ্ৰিলত বসন্ত উৎসৱ-২০২৫ সংস্থাৰ স্থায়ী কাৰ্যালয় সংবাদ ভৱন প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰে। পশ্চিম যোৰহাট জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি মহেন্দ্ৰ দত্তই, অনিল চন্দ্ৰ বৰা আৰু ৰবীন চন্দ্ৰ ভূঞাৰ সৈতে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা বসন্ত উৎসৱত সপ্তক সমন্বয় দলে হুঁচৰি প্ৰদৰ্শন কৰাৰ লগতে যোৰহাট সমন্বয় লোকনৃত্যৰ শিল্পীসকলে বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজপাৰ পৰিধান কৰি প্ৰদৰ্শন কৰা নৃত্যই উপস্থিতসকলক মোহাচ্ছন্ন কৰি ৰাখে। প্ৰণৱ কৃষ্ণাত্ৰেয় আৰু তৃষ্ণাশ্ৰী হাজৰিকাই গীত পৰিৱেশন কৰা সাংস্কৃতিক অনুষ্ঠানৰ পূৰ্বে পুৱাবেলা সংস্থাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ কৰাৰ লগতে অঞ্চলটোৰ ভালেকেইগৰাকী পুৰুষ-মহিলাক ৰঙালী বিহুৰ ওলগ জনায়। উল্লেখ্য যে, অসম চৰকাৰে বিহু সন্মিলন অনুষ্ঠিত কৰিবৰ বাবে বিগত দুবছৰৰ দৰে এইবছৰো প্ৰদান কৰা ডেৰ লাখ টকা পশ্চিম যোৰহাট সাংবাদিক সংস্থাই লাভ কৰাত ৭ ব'হাগৰ দিনা বসন্ত উৎসৱ পালন কৰে।

# পাথৰিঘাটত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, দুনী, ২২ এপ্ৰিলঃ** মহাপুৰুষীয়া বৈষ্ণৱ সমাজ, অসমৰ ৪০৯ সংখ্যক প্ৰতিষ্ঠা দিৱস ২০ এপ্ৰিলত ১৮ শ শতিকাৰ শেষ ভাগত প্ৰয়াত মুজাৰাম মহন্ত, চন্দ্ৰমল মহন্ত প্ৰমুখ্যে কেবাগৰাকীও মহন্তই প্ৰতিষ্ঠা কৰা দৰঙৰ শ্ৰী শ্ৰী পাথৰিঘাট বৈষ্ণৱ সত্ৰত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সমিতিৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱা নাৰায়ণ শইকীয়া মহন্ত, তৰুণ কলিতা মহন্ত, সন্তো বড়ো আৰু লংকেশ্বৰ চহৰীয়াৰ দ্বাৰা নৱনিৰ্মিত মণিকূটৰ গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। শৰাই অৰ্পণ কৰে নামঘৰীয়া নাৰায়ণ শইকীয়াই। সুনীল ডেকাৰ দ্বাৰা ভাগৱত পাঠ, জয়ৰাম ডেকাৰ দ্বাৰা নাম প্ৰসংগ সমাপন কৰাৰ পিছত হাজৰিকাপাৰা শাখাৰ আই মাতৃসকলে দিহা নাম পৰিৱেশন কৰে। ইয়াৰ পিছত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সভাপতি মহেন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি সম্বৰ্ধনা সভা। মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সম্পাদক ধনঞ্জয় চহৰীয়াই উদ্দেশ্য বাখ্যা কৰা সভাখনত সমাজকৰ্মী হৰেন ডেকা, লোহিত হাজৰিকা, হেমচন্দ্ৰ ডেকা, ধনমণি ডেকা, হৰকান্ত ডেকা, মদন বৰুৱা, ডাঃ জনক শইকীয়া, ৰূপালী দেৱী আদি কেবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসমৰ ভিন্ন প্ৰান্তৰ শতাধিক বৈষ্ণৱ উপস্থিত থকা উক্ত সভাতেই বুঢ়ীনগৰ সেনাপতিপাৰা নিবাসী হেমচন্দ্ৰ ডেকা আৰু ধনমণি ডেকাৰ পুত্ৰ তথা সহপাঠীৰ হাতত অকাল মৃত্যুক আঁকোৱালি লোৱা ভৰেশ ডেকাৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি মৌন প্ৰাৰ্থনা কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলনৰে দিনজোৰা কাৰ্যসূচীৰ সফল সামৰণি পৰে। উল্লেখ্য যে মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বনমালী আতাৰ শিষ্য শ্যামৰায় ঠাকুৰ আতাই ১৬১৩ চনৰ ব'হাগ মাহৰ ৬ তাৰিখে দৰং জিলাৰ মঙলদৈ মহকুমাৰ অন্তৰ্গত বিহুভাঙাত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ প্ৰথম গছি বন্তি প্ৰজ্বলন কৰি বৈষ্ণৱ ধৰ্মৰ প্ৰথম পাতনি মেলিছিল। সেই দিনটোকেই প্ৰতিবছৰে এনেদৰে প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি অহা হৈছে।

# অসম লেখিকা সমাজৰ মাতৃ দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, গুৱাহাটী, ২২ এপ্ৰিলঃ** সোমবাৰে মৰিগাঁও জিলা লেখিকা সমাজৰ আহ্বানক্ৰমে জাগীৰোডত অসম লেখিকা সমাজৰ এখন সভা অনুষ্ঠিত কৰা হয়। সভাত অসম লেখিকা সমাজৰ উদ্যোগত আৰু মৰিগাঁও জিলা লেখিকা সমাজৰ সহযোগত পালন কৰিবলগীয়া আগন্তুক মাতৃ দিৱসৰ কৰ্মসূচী সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। মৰিগাঁও জিলা লেখিকা সমাজৰ সভাপতি ড০ হেমলতা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কেন্দ্ৰীয় সমিতিৰ সভাপতি পদুমী গগৈ, কাৰ্যকৰী সভাপতি ৰেণু মহন্ত, প্ৰধান সম্পাদক বৰ্ণালী দত্ত বৰা, সম্পাদক জ্যোতি মালাকৰ কাকতি আৰু কোষাধ্যক্ষ ৰত্না ৰংচেহনপী উপস্থিত থাকে। মুখ্য অতিথি হিচাপে উপস্থিত থকা কেন্দ্ৰীয় সমিতিৰ সভাপতি পদুমী গগৈয়ে অসম লেখিকা সমাজৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে অহা ১১ মে' ২০২৫ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া মাতৃ দিৱস পালন সম্পৰ্কে তেখেতৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। সভাত কাৰ্যকৰী সভাপতি ৰেণু মহন্তয়ো তেখেতৰ বক্তব্য আগবঢ়ায়। সম্পাদক ৰেখামণি বুঢ়াগোহাঞি, উপ-সভাপতি মণিমালা ডেকা, কোষাধ্যক্ষ ৰেচিমা বেগম, সদস্য হাচান ইখতিয়াৰ, চেনেহী ডেকাকে আদিকৰি মৰিগাঁও জিলা লেখিকা সমাজৰ বিষয়ববীয়াসকল উপস্থিত থকা সভাখনৰ আঁতধৰে সম্পাদক ৰেখামণি বুঢ়াগোহাঞিয়ে। উল্লেখযোগ্য যে জন্মলগ্নৰে পৰা সত্য, বৌদ্ধিক অন্বেষণৰে সমাজৰ হকে কাম কৰি অহা অসম লেখিকা সমাজে বিভিন্ন দিৱসত সমাজৰ বাবে অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান কৰি আহিছে। আন্তৰ্জাতিক মাতৃ দিৱসৰ দিনটোতো একোগৰাকী সফল মাতৃক গান্ধাৰী গগৈ সোঁৰৰণি সফল মাতৃ বঁটা প্ৰদান কৰা হ'ব।



নাজিৰাত নগাআলিৰ বিধ্বস্ত ৰূপ, বিকল্প পথৰূপে জনসাধাৰণে ব্যৱহাৰ কৰিছে দিখৌৰ মথাউৰি

# ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক ললিত শৰ্মাক শ্ৰুজন বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ২২ এপ্ৰিলঃ** ৰাষ্ট্ৰীয় হিন্দী ৰক্ষক মঞ্চ ইণ্ডোৰ মধ্যপ্ৰদেশৰ তত্বাৱধানত সৰ্বভাৰতীয় কবিতা লিখন প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক, লেখক ললিত শৰ্মাক উৎকৃষ্ট 'শ্ৰুজন বঁটা'ৰে সন্মানিত কৰা হয়। যোৱা ২০ এপ্ৰিলত ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কবিতা প্ৰতিযোগিতাৰ ফলাফল ২১ এপ্ৰিলত ঘোষণা কৰে। প্ৰতিযোগিতাৰ বিষয় আছিল 'নাৰী আৰু স্বাধীনতাৰ উড়ান'। ইয়াত 'ভক্তিত কাঞ্চন কুঁৱৰী'ৰ ওপৰত ৰচিত কবিতাক প্ৰতিযোগিতাত বাছনি সমিতিৰ দ্বাৰা নিৰ্বাচিত কৰা হয়। এই কবিতা প্ৰতিগোগিতাত উৎকৃষ্ট কবিতা হিচাপে অসমৰ লগতে সঞ্জয় বাৰ্মা মনাৰক (মধ্য প্ৰদেশ) উৎকৃষ্ট কবিতাৰ বাবে উদ্যোক্তাসকলে প্ৰশংসা পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে দেশৰ লগত আৰব, কুৱেট আদি বিভিন্ন দেশৰ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। মুঠ ১২ জন অংশগ্ৰহণকাৰীৰ ভিতৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা আৰু উৎকৃষ্ট কবিতাৰ বিজয়ীসকলক প্ৰমাণ পত্ৰ প্ৰদান আৰু উপহাৰ প্ৰদান কৰা হৈছে।

# তৰুণ পুথিভঁৰাল আৰু সামূহিক বিকাশ কেন্দ্ৰৰ ব'হাগী উৎসৱৰ ৰূপালী জয়ন্তী উদযাপন

**ই-সংবাদ, দুনী ২২ এপ্ৰিলঃ** দৰং-ওদালগুৰিৰ সীমান্তৱৰ্তী পানাৰাৰ পানাৰা তৰুণ পুথিভঁৰাল আৰু সামূহিক বিকাশ কেন্দ্ৰৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে ব'হাগী উৎসৱৰ ৰূপালী জয়ন্তী অনুষ্ঠান দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ব'হাগী উৎসৱৰ ৰূপালী জয়ন্তীৰ প্ৰথম দিনৰ পুৱা পৰিৱেশ নিকাকৰণ, সংঘৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, তোৰণ উন্মোচনকে ধৰি ভালেমান কাৰ্যসূচী ৰূপায়ণৰ পিছতেই দ্বিতীয় দিনৰ অন্যতম কাৰ্যসূচী সাংস্কৃতিক শোভাযাত্ৰা আৰু দিনৰ দুই বজাত মুকলি সভা অনুষ্ঠিত হয়। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি কন্দৰ্প শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ড০ উত্তম কলিতাই। নিৰ্দিষ্ট বক্তা হিচাপে সাংবাদিক চক্ৰপাণি পৰাশৰে অংগ্ৰহণ কৰা মুকলি সভাত অসম চৰকাৰৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী ড০ জয়নাথ শৰ্মা, অগপৰ দৰং জিলা সমিতিৰ সভাপতি কমলেশ্বৰ বৰুৱা, দৰং জিলা পৰিষদৰ প্ৰাক্তন সদস্য তথা সমাজসেৱক হেমন্ত ডেকাসহ ভালেমান বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গীতে-মাতে জীপাল হৈ পৰা মুকলি সভাত 'তৰুণ জ্যোতি' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট লেখক, অৱসৰপ্ৰাপ্ত শিক্ষক কমলাকান্ত ডেকাই। সন্ধিয়া জনপ্ৰিয় শিল্পী জ্যোতিস্মা চেতিয়াৰ গীতৰ শৰাই অনুষ্ঠানৰে সফল সামৰণি পৰে পানাৰা তৰুণ পুথিভঁৰাল আৰু সামূহিক বিকাশ কেন্দ্ৰ ৰূপালী জয়ন্তীৰ কাৰ্যসূচী।

# নগাঁৱৰ গ্ৰামাঞ্চলত ৰঙালী বিহুৰ গইনা লৈ অসাধু বেপাৰীয়ে নিৰ্বিঘ্নে চলাইছে অবৈধ সুৰাৰ বেহা

**ই-সংবাদ, বেৰেজীয়া, ২২ এপ্ৰিলঃ** উৎসৱ বুলিলেই সাধাৰণতে অধিক পয়োভৰ ঘটে সুৰাৰ। যাৰ অচিলা লৈ উৎসৱৰ বতৰত একাংশ অসাধু সুৰা ব্যৱসায়ীয়ে বিলাতী সুৰাৰ ৰমৰমীয়া বজাৰ নিৰ্বিঘ্নে গঢ়ি তুলি অধিক মুনাফা অৰ্জন কৰাৰ বিপৰীতে নৰপ্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়ে। তদ্ৰূপ এইবাৰো ৰাজ্যজুৰি বিয়পি থকা ৰঙালী বিহুৰ আনন্দ-উছাহৰ গইনা লৈ নগাঁও জিলাত এক অসাধু চক্ৰই তেনে অবৈধ ব্যৱসায় সবল নেটৱৰ্ক গঠনেৰে অবাধে চলাই থকা বুলি জানিব পৰা গৈছে । অনুসন্ধান কৰি পোৱা খবৰ মতে, জিলাখনৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰত অনুজ্ঞাপত্ৰ থকা বিলাতী সুৰাৰ বিপণী নথকাৰ সুযোগ গ্ৰহণ কৰি সম্প্ৰতি অসাধু চক্ৰই অতি কৌশললেৰে উক্ত গ্ৰামাঞ্চলবোৰৰ সৰ্বপ্ৰান্ততে সস্তীয়া বিলাতী সুৰাৰ বৃহৎ বজাৰ গঢ়ি তুলিছে। সুচতুৰ এই অসাধু চক্ৰটোৱে আনকি আবকাৰী বিভাগ আৰু আৰক্ষীৰ লগত গোপন সমিলমিলেৰে এই ব্যৱসায় গঢ়ি তোলাৰ পৰিপ্ৰেক্ষিতত এই বজাৰখনৰ পৰা ৰাজহো হেৰুৱাব লগা হৈছে আবকাৰী বিভাগ তথা ৰাজ্য চৰকাৰে। জানিব পৰা মতে, নগাঁও চহৰৰ এখন ৱাইন শ্ব'পৰ স্বত্বাধিকাৰীয়ে আবকাৰী আৰু আৰক্ষীক মেনেজ কৰি হেলাৰঙে গঢ়ি তোলা এই বজাৰখনৰ জৰিয়তে পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলবোৰৰ চুকে-কোণে প্ৰতি সপ্তাহত লাখ টকাৰ বিলাতী সুৰা অবৈধভাৱে বিক্ৰী হৈ আহিছে। আনকি এই বজাৰখনৰ দ্বাৰা অধিক মুনাফা লাভৰ স্বাৰ্থত সস্তীয়া সুৰা বাধাহীনভাৱে বিক্ৰী কৰি অহাত তেনে সুৰা সেৱন কৰি বিগত সময়ছোৱাত বহু যুৱক গুৰুতৰভাৱে অসুস্থ হ'বলগীয়া হৈছে। আনহাতে, একমাত্ৰ ব্যৱসায়িক স্বাৰ্থতে সকলো নীতি-নিয়ম পৰিহাৰ কৰি অসাধু চক্ৰটোৱে গ্ৰামাঞ্চলৰ একাংশ এজেন্টক তেনে বিলাতী সুৰা অতি নিম্ন দৰত যোগান ধৰে আৰু সেইবোৰ ধুৰন্ধৰ এজেন্টবোৰে পুনৰ পাইকাৰী দৰত উক্ত গ্ৰামাঞ্চলৰ বিভিন্ন প্ৰান্তৰ কিছুমান সৰু-সুৰা ব্যৱসায় চলাই থকা লোকক বিক্ৰী কৰে। মূলতঃ এবটল সুৰা তিনিবাৰ বেলেগ বেলেগ পাইকাৰী দামত বিক্ৰী হয়। বৰ্তমান এনে নিম্নমানৰ বিলাতী সুৰা নগাঁৱৰ গ্ৰামাঞ্চলবোৰত অসাধু ব্যৱসায়ী চক্ৰই ৰঙালী বিহুৰ উৎসৱমুখৰ পৰিবেশৰ সুবৰ্ণ সুযোগ গ্ৰহণ কৰি বৃহৎ পৰিমাণত মজুত কৰি ৰমৰমীয়াকৈ অবৈধ বেহা চলাই থকা বুলি জানিব পৰা গৈছে। এনেদৰে গ্ৰামাঞ্চলত অবৈধভাৱে সুৰাৰ বৃহৎ সাম্ৰাজ্য গঢ়ি তোলা এই অসাধু ব্যৱসায়ী চক্ৰটোক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে নৰপ্ৰজন্মক ধ্বংসৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিবলৈ জিলা আয়ুক্তক দাবী জনাইছে নগঞা লোকসকলে।

# ধুবুৰীত পঞ্চায়ত নিৰ্বাচনক লৈ উৎসাহ নাই ৰাইজৰ মাজত

**ই-সংবাদ, গোলকগঞ্জ, ২২ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাত পঞ্চায়ত নিৰ্বাচনক লৈ পূৰ্বৰ দৰে ৰাইজৰ মাজত উৎসাহ-উদ্দীপনা ম্লান পৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, ইয়াৰ মূল কাৰণে হল সমষ্টিৰ পুনৰ গঠন। বিধানসভাৰ দৰে পঞ্চায়ত সমষ্টিসমূহ নতুনকৈ গঠন কৰাত পঞ্চায়তভেদে নিৰ্দিষ্ট একাংশ দলৰ বিজয় নিশ্চিত হৈ পৰিছে। যাৰবাবে দলসমূহৰ মাজত ভোটাৰক আকৰ্ষণ কৰাৰ প্ৰতিযোগিতাও কমি গৈছে। গোলকগঞ্জ সমজিলাত গোলকগঞ্জ, গংগাধৰ, আগমনি-হালাকুৰা আৰু ৰায়ডাক জিলা পৰিষদ। চাৰিখন জিলা পৰিষদৰ ৰায়ডাক জিলা পৰিষদত এইবাৰ নিৰ্বাচন কিছু আকৰ্ষণীয় হোৱাৰ সম্ভাৱনা আছে। বাকী তিনিখনৰ আগমনি-হালাকুৰা জিলা পৰিষদত কংগ্ৰেছৰ প্ৰাৰ্থী বুল্টি দাসৰ মনোনয়ন বাতিল হোৱাত একমাত্ৰ বিজেপি প্ৰাৰ্থী কল্যাণী ৰায় শিকদাৰে বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ কৰে। গোলকগঞ্জ জিলা পৰিষদৰ বাবে দেৱব্ৰত ৰায় বিজেপিৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়ায় অশোক ভকতে। নতুনকৈ সমষ্টি পুনৰ গঠনৰ পিছত গোলকগঞ্জ বিজেপিৰ বাবে সুবিধাজনক হৈ পৰিছে। একে ধৰণে নতুনকৈ বিজেপি সংখ্যাগৰিষ্ঠ অঞ্চল লৈ গঠিত গংগাধৰ সমষ্টিও সুবিধাজনক হৈ পৰিছে। গংগাধৰ জিলা পৰিষদ সমষ্টিত বিজেপিৰ মালতী বালা ৰায়ৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হয় খঞ্জনা ৰায়। সংখ্যালঘুপ্ৰধান ৰায়ডাক জিলা পৰিষদ সমষ্টিত নিৰ্বাচন কিছু আকৰ্ষণীয় হোৱাৰ আশংকা কৰিছে ৰাজনৈতিক সমীক্ষকসকলে। বিজেপি, কংগ্ৰেছ উভয়ে সংখ্যালঘু প্ৰাৰ্থী থিয় কৰাইছে। কংগ্ৰেছ দলৰ পৰা এছাহক আলীক প্ৰাৰ্থিত্ব দিয়াৰ বিপৰীতে বিজেপিয়ে সহিদুৰ ৰহমানক প্ৰাৰ্থিত্ব দিয়ে। ৰায়ডাক জিলা পৰিষদত থকা ভামডাঙা, যোগাৰপাৰ-ছোটোগুমা, ৰণপাগলী আৰু পোকালাগী চাৰিওখন গাঁও পঞ্চায়ত সংখ্যালঘু অধ্যুষিত। সেই ফালৰ পৰা কংগ্ৰেছ কিছু আগবাঢ়ি থাকিলে বিজেপিৰ হিতাধিকাৰীকেন্দ্ৰিক ভোটে বিজেপি প্ৰাৰ্থীকো কিছু সকাহ দিয়াৰ আশংকা কৰা হৈছে। মুঠতে চাৰিটাৰ তিনিটাত বিজেপি আগবাঢ়ি থকাৰ বিপৰীতে এটাত কংগ্ৰেছ কিছু আগবাঢ়ি আছে। ভোটৰ অংক স্পষ্ট হোৱাৰ বাবেই প্ৰাৰ্থী বা ৰাইজৰ মাজত তৎপৰতা যথেষ্ট পৰিমাণে কমি গৈছে। এতিয়ালৈকে নিৰ্বাচনী সভা-সমিতিও আৰম্ভ হোৱা নাই। দিন চমু চাপি অহাৰ লগে সভা-সমিতিসমূহ আৰম্ভ হ'ব। তেতিয়ালৈ কি পৰিস্থিতি আহে, কোনে কাক কিদৰে আকৰ্ষিত কৰিব পাৰে সময়ত লক্ষণীয় হ'ব।

# গেলেকীৰ নাগৰিক সমাজৰ সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ২২ এপ্ৰিলঃ** ৰঙালী বিহুৰ লগত সংগতি ৰাখি গেলেকীৰ নাগৰিক সমাজৰ উদ্যোগত অনুষ্ঠিত কৰা হয় বিশেষ সম্বৰ্ধনা অনুষ্ঠান। ২০১৭ চনত প্ৰতিষ্ঠা হোৱা গেলেকী নাগৰিক সমাজে বিভিন্ন সময়ত সমাজ জীৱনলৈ অৱদান আগবঢ়োৱা ব্যক্তিক সন্মান জনাই আহিছে। আজি ৰঙালী বিহুৰ লগত সংগতি ৰাখি গেলেকী অঞ্চলৰ পাঁচজন বিশিষ্ট ব্যক্তিক ৰঙালীৰ ওলগ জনোৱাৰ লগতে সম্বৰ্ধনা জনোৱা হয়। সম্বন্ধিত ব্যক্তিসকলৰ ভিতৰত আছিল গেলেকী মৰাণ গাঁও নিবাসী সমাজকৰ্মী, পাঠেকী, সাতোলা বিশ্বেশ্বৰ গগৈ, সমাজকৰ্মী, পাঠেকী মহেন্দ্ৰ মৰাণ, প্ৰাক্তন ভাৰতীয় সেনা জোৱান অমূল্য বৰুৱা, প্ৰাক্তন ভাৰতীয় সেনা বিষয়া, পাঠেকী বিনয় গগৈ, সমাজ কৰ্মী, শিঙিবিল গাঁও নিবাসী প্ৰাক্তন শিক্ষক আৰু সমাজকৰ্মী লক্ষেশ্বৰ কোঁৱৰ। এই সম্বৰ্ধনা কাৰ্যসূচী ২০১৭ চনৰপৰা অব্যাহত ৰখা বুলি জানিবলৈ দিয়ে নাগৰিক সমাজৰ বিষয়ববীয়াসকলে। এই কাৰ্যসূচীত উপস্থিত থাকে নাগৰিক সমাজৰ সভাপতি সুৰেশ চেতিয়া, সম্পাদক বাণীকান্ত গগৈ, উপদেষ্টা হেমন্ত ৰাজখোৱা, ৰবীন বৰঠাকুৰ, প্ৰেম বৰগোহাঁই, সহকাৰী সম্পাদক ৰাম নায়ক, কাৰ্যকৰী সদস্য প্ৰণৱজ্যোতি গগৈ, ৰাহিদ আলী আদি।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মাজুলীত নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চৰ উদ্যোগত ষষ্ঠদশ বাৰ্ষিক ব'হাগী উৎসৱ আৰম্ভ

## অসমত বিহুনামৰ সংস্কৃতিক অপসংস্কৃতি কৰিবলৈ এটা চক্ৰই দিনে-ৰাতিয়ে কাম কৰিছে

**ই-সংবাদ, মধ্য মাজুলী, ২২ এপ্ৰিলঃ** আমাৰ জাতি তেতিয়ালৈকে থাকিব যেতিয়ালৈকে আমি বিহুক অন্তৰৰ নিভৃত কোণত জীয়াই ৰাখিব পাৰিম। অসমত বিহুনামৰ সংস্কৃতিক অপসংস্কৃতি কৰিবলৈ এটা চক্ৰই দিনে-ৰাতিয়ে কাম কৰিছে। তাৰ বিপৰীতে নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চই মাজুলীৰ লগতে সমগ্ৰ অসমতে এটা খলকনিৰ সৃষ্টি কৰিছে। আজি উজনি মাজুলীৰ নতুন বজাৰ বিহুতলীত নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চৰ উদ্যোগত ষষ্ঠদশ বৰ্ষৰ বাবে আয়োজন কৰা ব'হাগী উৎসৱ-২০২৫ৰ প্ৰথমটো দিনৰ সৰু বিহুৱতী প্ৰতিযোগিতাৰ উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই এনেদৰে কয়। ২০০৯ চনতে বিভিন্ন জাতি-জনগোষ্ঠীৰ সন্মিলিত প্ৰচেষ্টাত প্ৰতিষ্ঠিত নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চই প্ৰতিষ্ঠা কালৰপৰাই আয়োজন কৰি অহা ব'হাগী উৎসৱৰ অসম ভিত্তিত সৰু বিহুৱতী প্ৰতিযোগিতা উদ্বোধন কৰি দিয়া ভাষণ প্ৰসংগত ড° শইকীয়াই আৰু কয় যে নতুন বজাৰে মাজুলীৰ গোটেই সাংস্কৃতিক দিশটো ধৰি ৰাখিছে। ওঠ চেপিলে গাখীৰ ওলোৱা বিহুৱতীৰপৰা পঞ্চাশৰ উৰ্ধ্বৰ বিহুৱতীলৈকে বিহুনৃত্যৰ লগতে কুমলীয়া বিহুৱাৰপৰা ৮০ৰ ওচৰা-ওচৰি বিহুৱালৈকে ঢোলবাদন কৰিবলৈ এই মঞ্চই সুবিধা কৰি দিছে বুলি তেওঁ উল্লেখ কৰে। ইফালে পুৱা ৬ বজাত সামূহিক চাফাই কাৰ্যসূচীৰ পিছতেই ৮ বজাত ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক থানেশ্বৰ দলে, ব্যৱসায়ী ৰাম আচৰে বাৰ্মা আৰু দেউৰাম খনিকৰে গছপুলি ৰোপণ কাৰ্যসূচীৰ পিছতেই অনুষ্ঠানৰ স্মৃতি তৰ্পণ কৰে ব'হাগী উৎসৱ উদযাপন সমিতিৰ সভাপতি জগতজ্যোতি বৰুৱাই। নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চৰ সভাপতি ডিম্বেশ্বৰ খনিকৰে পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে অঞ্চলটোৰ দেউৰী, কছাৰী, মিচিং, নেপালী, চুতীয়া আদি বিভিন্ন জনগোষ্ঠীয় লোকে নিজৰ নিজৰ কৃষ্টি প্ৰদৰ্শনেৰে জীপাল কৰি তোলে নতুন বজাৰ বিহুতলী। ইয়াৰ পিছতেই ১১ বজাত দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকণ প্ৰতিযোগিতাত চাৰি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দিনৰ ২ বজাৰ পৰা মিচিং দলীয় বিহু অনুষ্ঠিত হয়। আনহাতে, সন্ধ্যা ৬ বজাৰপৰা অনুষ্ঠিত হোৱা সৰু বিহুৱতী প্ৰতিযোগিতাত ২০ গৰাকীও অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কাইলৈ, অৰ্থাৎ ব'হাগী উৎসৱৰ দ্বিতীয় দিনা পুৱা ১০ বজাৰপৰা জেংবিহু অনুষ্ঠিত হোৱাৰ লগতে সন্ধ্যা উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ টাহুৰ সভাপতিত্বত বঁটা-বিতৰণী সভা অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাৰ পৰা শ্ৰীশ্ৰী প্ৰাচীন চামগুৰি সত্ৰৰ প্ৰয়াত অধিকাৰ কাব্য শাস্ত্ৰী লক্ষ্য চন্দ্ৰ মহন্ত সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াত শিল্পী জুবিন গাৰ্গ আৰু জ্যোতিস্মা চেতিয়াই গীত পৰিৱেশন কৰিব।

# ঝাকুৰাপাৰা বিষ্ণু মন্দিৰৰ প্ৰতিষ্ঠা দিৱস আৰু ধৰ্মালোচনা সভা সম্পন্ন

**ই-সংবাদ, ছিপাঝাৰ, ২২ এপ্ৰিলঃ** দৰঙৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ ঝাকুৰাপাৰা গাঁৱৰ শ্ৰীশ্ৰী বিষ্ণু মন্দিৰৰ নৱনিৰ্মিত দেৱগৃহৰ একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু গোন্ধ চৌপৰী সভা উপলক্ষে ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন ধৰ্মালোচনা সভা। অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক দেবেন ডেকাই উদ্বোধন কৰা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছিপাঝাৰৰ জনতা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰেন ডেকাই তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। সভাখনত ছিপাঝাৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, শিশুবক্তা জ্যোতিস্মান চহৰীয়া, ঝাকুৰাপাৰা গাঁও উন্নয়ন সমিতিৰ সভাপতি নগেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট অতিথি উপস্থিত থাকি ভাষণ আগবঢ়ায়। সহস্ৰাধিক ৰাইজৰ উপস্থিতিৰে অনুষ্ঠিত হোৱা সভাখনৰ আৰম্ভণিতে স্থানীয় শিল্পীসকলে এটি সমৱেত সংগীত পৰিৱেশন কৰে। উল্লেখ্য যে ১৮ এপ্ৰিলৰপৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ঝাকুৰাপাৰা শ্ৰীশ্ৰী বিষ্ণু মন্দিৰৰ নৱনিৰ্মিত দেৱগৃহৰ একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু গোন্ধ চৌপৰী সভা উপলক্ষে প্ৰথম দিনা পুৱা পৰিৱেশ নিকাকৰণ, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, ভঁৰাল ঘৰৰ দ্বাৰ উন্মোচন, কাৰ্যালয় উদ্বোধন, বিষ্ণু পুৰাণ পাঠ, আয়তীৰ নাম, বৰভট্ট প্ৰজ্বলন আৰু ব্যাসৰ ওজা-পালি প্ৰদৰ্শন কৰা হয়। আনহাতে, দ্বিতীয় দিনা পানীতোলা সাংস্কৃতিক শোভাযাত্ৰা, ভাগৱত পাঠ, বিষ্ণুহোম আৰু পূৰ্ণাহুতি, ব্যাসৰ ওজা পৰিৱেশন, ভাগৱত পাঠ, মহিলাৰ নাগাৰা নাম আদি অনুষ্ঠিত হয়। তিনিও দিনতে ভক্তিপ্ৰাণ লোকৰ উপস্থিতি আছিল উল্লেখনীয়।

# দদৰাত ড্ৰাগছসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, শুৱালকুছি, ২২ এপ্ৰিলঃ** কামৰূপৰ দদৰা আৰক্ষীৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিজুমণি বাংথাইৰ নেতৃত্বত এক গোপনীয় খবৰৰ ভিত্তিত আজি আবেলি দদৰা আৰক্ষী চকীৰ সমীপত চলোৱা তালাচী অভিযানত ড্ৰাগছসহ এগৰাকী সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। আৰক্ষী সূত্ৰে জানিব পৰামতে, এক গোপন খবৰৰ ভিত্তিত বৰপেটাৰপৰা গুৱাহাটী অভিমুখে আহি থকা এখন যাত্ৰীবাহী টেম্প'ত যাত্ৰী হিচাপে অহা জুৱান আলী নামৰ এগৰাকী ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। আৰক্ষীয়ে ব্যক্তিজনৰপৰা ১২ গ্ৰাম ড্ৰাগছসহ ১ পেকেট কণ্টেইনাৰ জব্দ কৰে। আটক হোৱা ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম জুৱান আলী (৩০) বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগছ ব্যৱসায়ীজনক ইতিমধ্যে দদৰা আৰক্ষীয়ে আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# পৰ্বতঝোৰাত আৰক্ষী-নাগৰিক সমিতিৰ সজাগতা সভা

**ই-সংবাদ, পৰ্বতঝোৰা, ২২ এপ্ৰিলঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজি গাঁও আৰক্ষী থানাৰ অন্তৰ্গত খুটাবাগৰাত কাজি গাঁও আৰক্ষী আৰু নাগৰিক সমিতিৰ উদ্যোগত কালি অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। উক্ত সজাগতা সভাত উপস্থিত থাকে পৰ্বতঝোৰা মহকুমা আৰক্ষী বিষয়া নিৰঞ্জন বৰুৱা, কাজি গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় শইকীয়া, নাগৰিক সভাৰ সভাপতি শওকত আলী আহমেদৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল। সজাগতা সভাত পৰ্বতঝোৰা আৰক্ষী বিভাগৰ বিষয়াসকলে বৃহত্তৰ খুটাবাগৰা অঞ্চলত ড্ৰাগছ, গাঞ্জা আৰু নিচাজাতীয় দ্ৰব্য সেৱন আদিৰ বিৰুদ্ধে যুৱসমাজৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে যুক্তিনিষ্ঠ আৰু সময়োপযোগী বক্তব্য প্ৰদান কৰে। উক্ত সজাগতা সভাত খুটাবাগৰা গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক কপিল উদ্দিন তালুকদাৰ, হাৰুন ৰসিদ সেখ, খুটাবাগৰাৰ আঞ্চলৰ গাঁওবুঢ়াসকলৰ লগতে যথেষ্ট সংখ্যক লোক উপস্থিত থাকে। এই গাঁও সভাই অসামাজিক কাৰ্যকলাপ হ্ৰাস কৰি অঞ্চলটোলৈ এক সুন্দৰ পৰিৱেশ ঘূৰাই অনাত সফল হব বুলি আশা প্ৰকাশ কৰিছে স্থানীয় গাঁওবাসীয়ে।

# চকলাঘাট-হাতীচোঙত ধাৰাবাহিকভাৱে গৰু চুৰিৰ ঘটনা, নীৰৱ দৰ্শকৰ ৰূপত আৰক্ষী

**ই-সংবাদ, বেবেজীয়া, ২২ এপ্ৰিলঃ** ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজতে নগাঁও জিলাৰ পশ্চিমাঞ্চলত সংঘটিত হৈ থকা ধাৰাবাহিক গৰু চুৰিৰ ঘটনাই গঞ্জা ৰাইজক ত্ৰাহি মধুসূদন সোঁৱৰাইছে। কিয়নো আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ বৰ্তমান অব্যাহত থকা বিহুৰ বতৰত প্ৰতিনিশাই চোৰে উদং কৰিছে ইঘৰৰ পাছত সিঘৰৰ গোহালি। সেয়ে গৰু চোৰৰ এনে সন্ত্ৰাসত গঞ্জা ৰাইজৰ মাজত একপ্ৰকাৰ আতংকৰ সৃষ্টি হৈছে। এনে আতংকময় পৰিস্থিতিৰ মাজতে পুনৰ সোমবাৰে নিশা প্ৰতিকুল বতৰৰ সুবিধা লৈ জিলাখনৰ জাজৰি থানাৰ অন্তৰ্গত চকলাঘাটৰ বৰডুবিয়া গাঁৱৰ শিৱ দাস আৰু কমল দাসৰ গোহালিৰপৰা চোৰে নিবিয়ে পোৱালিসহ দুজনী খীৰতী গাই চুৰি কৰি নিয়ে। জানিব পৰা মতে, শিৱ দাসৰ বৰ্ণ শংকৰ গাইজনীয়ে চাৰিদিনৰ আগতেহে এটি পোৱালি জন্ম দিছিল। সেইদৰে একেখন গাঁৱৰ ধনিৰাম দাসৰ গোহালিৰ লোৰ গ্ৰীল কাটি এজনী বিদেশী প্ৰজাতিৰ সিন্ধী গাই গোহালিৰপৰা নি পিছফালৰ বাঁহতলীত বান্ধি ৰাখিছিল যদিও কিবা কাৰণত নিব নোৱাৰিলে। উল্লেখ্য, ইয়াৰ মাত্ৰ দুদিন পূৰ্বে বৰডুবীয়া গাঁৱৰ সমীপৰে দৰঙীয়াল গাঁৱৰ শ্যাম কাকতি নামৰ কৃষকজনৰ গোহালিৰ তলা কাটি তিনিজনী গাইসহ এটা ডমৰা আৰু এজনী চিকুণ চেউৰী গৰু চোৰে চুৰি কৰি নিয়ে। ইয়াৰে এজনী গাই গৰুৱে মাত্ৰ চাৰিদিন মানৰ আগতেহে প্ৰসৱ কৰিছিল। সেই গৰুজনীকো পোৱালিসহ লৈ যায় চোৰে। আনকি শ্যাম কাকতিৰ ঘৰৰ সন্মুখৰ এজন ব্যক্তিৰ ঘৰত লগাই থোৱা চিচি টিভিত নিশা ১.২৭ বজাত তিনিটা চোৰে কৃষকজনৰ ঘৰৰ পদুলিয়েদি গৰুকেইটা উলিয়াই নিয়াৰ দৃশ্য ধৰা পৰিছে যদিও মুখত কাপোৰ বান্ধি অহাৰ চোৰৰ কোনো শুং-সূত্ৰ আৰক্ষী বা অন্যলোকে অদ্যাপি উলিয়াব পৰা নাই। সেয়ে, দুয়োখন গাঁৱৰ ঘন চুবুৰীৰপৰা এনেদৰে চোৰে গোহালিৰ লোৰ শিকলি আৰু গ্ৰীল কাটি গৰু চুৰি কৰি লৈ যোৱা বিষয়টোয়ে ৰাইজক বাৰুকৈয়ে সন্ত্ৰাসিত কৰি তুলিছে। পৰিতাপৰ কথা যে এইদৰে ধাৰাবাহিকভাৱে গৰু চুৰিৰ ঘটনা সংঘটিত হৈ অহাৰ পিছতো আৰক্ষী নীৰৱ দৰ্শক হৈ থকাত ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, জাজৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বেদব্ৰত ফুকনে বিষয়টো গুৰুত্বসহকাৰে লৈ মঙলবাৰে গৰু চুৰিৰ ঘটনাই সন্ত্ৰাসিত কৰা অঞ্চলসমূহ পৰিভ্ৰমণ কৰি গাঁওপ্ৰধান আৰু গঞ্জা ৰাইজক সাক্ষাৎ কৰি সকলোৰে সহায়-সহযোগ বিচাৰি গাঁওসমূহত গঞ্জা ৰাইজক নিশাৰ ভাগত পহৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই বুলি জানিব পৰা গৈছে। গাঁওৰক্ষী বাহিনীও এইক্ষেত্ৰত সক্ষম হৈ থকা প্ৰয়োজন।

---

# সোণাৰিত আইন ৰক্ষকৰ বিৰৈ

## নামতোলাত অস্ত্ৰ সৰবৰাহকাৰীক কৰায়ত্ত কৰি অভিযুক্তৰ শাৰীত থিয় হ'বলগীয়া হ'ল আৰক্ষী বিষয়া

**ই-সংবাদ, মথুৰাপুৰ, ২২ এপ্ৰিলঃ** চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী নামতোলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত যোৱা ১৪ এপ্ৰিল তাৰিখে গোপন সূত্ৰ পমখেদি টাউকাক চাহ বাগিচাৰ বিহাৰী লাইনৰ এঘৰ লোকৰ বাৰীত লুকুৱাই ৰখা এটা পিষ্টলসহ সজীৱ গুলী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত এজন যুৱকক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰি তদন্ত অব্যাহত ৰখাৰ সময়তে একাংশ সংবাদ মাধ্যমে আৰক্ষী বিষয়াগৰাকীয়ে অস্ত্ৰ সৰবৰাহকাৰীৰ পৰা ধন লোৱা বুলি বাতৰি প্ৰকাশিত হোৱাৰ পাছতে আৰক্ষী বিষয়াগৰাকীক সংবাদ মাধ্যমৰ উদ্ধৃতিৰে নামতোলা থানাৰ অ' চি মৃদুল বৰুৱাক আৰক্ষীৰ উৰ্ধতন কৰ্তৃপক্ষই তৎকালীনভাৱে ৰিজাৰ্ভ ক্ল'জ কৰে। এই ঘটনাৰ পাছতে আৰক্ষী মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চোৰ ধৰিবলৈ যোৱা আৰক্ষীকে চোৰ সজাবলৈ চেষ্টা কৰাৰ দৰে ঘটনাই দিন-ৰাতি একাকাৰ কৰি ৰাইজৰ নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষী মহলত এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব ঘটনাৰ প্ৰকৃত ৰহস্য। ইফালে, তদন্তৰ মাজতে আৰক্ষী বিষয়াগৰাকীক ৰিজাৰ্ভ ক্ল'জ কৰাৰ পাছত আটছাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰে প্ৰকৃত দোষীক কৰায়ত্ত কৰি সাধাৰণ জনতাৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনায়।

# হিতেশ তালুকদাৰৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, বাঁহজানী, ২২ এপ্ৰিলঃ** ভাৰতীয় জনতা পাৰ্টীৰ বাঁহজানী জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰে পয়লাৰ ২০১ আৰু ২০২ নং বুথত মঙলবাৰে নিৰ্বাচনী প্ৰচাৰ চলায়। মঙলবাৰে আবেলি সময়ত ২০১ নং পয়লা পাগলাদিয়াপাৰ বুথে পয়লা গোপাল মন্দিৰ চ'কত আৰু ২০২ নং বুথে পয়লাৰ কীৰ্তন গোসাঁই ঘৰ প্ৰাংগণত নিৰ্বাচনী প্ৰচাৰ চলায়। হিতেশ তালুকদাৰৰ লগত নিৰ্বাচনী প্ৰচাৰত উপস্থিত থাকে চুমিতা দেৱী, বিনীতা ৰাজবংশী হালৈ, জিতুমণি দাস, দীপক হালৈ, গগন দাস, ধনমণি লহকৰ, হেমন্ত দাস, মন্টু কলিতা, অপৰূপা কলিতা আদিকে ধৰি বহুতো দলীয় সদস্য। দুয়োখন সভাত পৃথকে পৃথকে দুই শতাধিক লোকৰ সমাগম হয়। সভাৰ শেষত জিলা পৰিষদৰ সদস্যগৰাকীয়ে ভাৰতীয় জনতা পাৰ্টীয়ে সমৰ্থন কৰা ৬ নং দীঘেলী পঞ্চায়তৰ ১ নং আৰু ২ নং ৱাৰ্ডৰ সদস্যা পদত নিৰ্বাচনত প্ৰতিনিধিত্ব কৰা চুমিতা দেৱী আৰু বিনীতা ৰাজবংশী হালৈৰসহ ৰাইজৰ সৈতে পয়লাৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। চুমিতা দেৱীৰ নিৰ্বাচনত কোনো প্ৰতিনিধি নাই বাবে তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হ'ব বুলি আশাবাদী। পয়লা গাঁৱত হিতেশ তালুকদাৰৰ সমৰ্থিত ব্যক্তি দেখি তেওঁ অভিভূত হৈ পৰে।

# হিতাধিকাৰীৰ অনুদানৰ ধন আত্মসাৎ পঞ্চায়ত টেক্স কালেক্টৰৰ

**ই-সংবাদ, বেবেজীয়া, ২২ এপ্ৰিলঃ** নগাঁও জিলাৰ খাগৰিজান উন্নয়ন খণ্ডৰ অন্তৰ্গত ভকতগাঁও পঞ্চায়তত সংঘটিত হৈছে চূড়ান্ত অনিয়ম আৰু দুৰ্নীতি। পঞ্চায়তৰ টেক্স কালেক্টৰৰ বিৰুদ্ধে উঠিছে হিতাধিকাৰীৰ অনুদানৰ ধন আত্মসাতৰ গুৰুত্বৰ অভিযোগ। এই অভিযোগ উঠিছে পঞ্চায়তটোৰ টেক্স কালেক্টৰ জনৈক আইজুলৰ বিৰুদ্ধে। ভকতগাঁও পঞ্চায়তৰ ১০ নং ৱাৰ্ডৰ হিতাধিকাৰী মুকবধিৰ ব্যক্তি আমিৰ উদ্দিনৰ আৰ ডি নম্বৰ এ এছ 149161329 চৰকাৰী অনুদানৰ আৱাস গৃহৰ ধন আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। মুকবধিৰ লোকজনৰ সৰলতাৰ সুযোগ লৈ চৰকাৰী অনুদানৰ আৱাসগৃহৰ ধন কৌশললৈৰে আত্মসাৎ কৰা বুলি মুকবধিৰ আমিৰ উদ্দিনৰ লগতে পৰিয়ালৰ লোকসকলে উত্থাপিত কৰিছে। আনকি, টেক্স কালেক্টৰ আইজুলে হিতাধিকাৰী আমিৰ উদ্দিনৰ টকা উঠাই নিয়াৰ কথা স্বীকাৰ কৰিছে আমিৰ উদ্দিনৰ ধনৰ লেনদেন হোৱা চি এছ পিৰ স্বতাধিকাৰীয়ে। ইফালে, টেক্স কালেক্টৰ আইজুলে ভকতগাঁও পঞ্চায়তৰ বহুকেইজন হিতাধিকাৰীৰ চৰকাৰী আৱাসগৃহৰ ধন হিতাধিকাৰীসকলৰ বিশেষ কায়দাৰে টিপ চহী মাৰি বেংকৰপৰা ধন উঠাই ইয়াৰে আধা টকাৰে গৃহ নিৰ্মাণ কৰি আধা অংশ আত্মসাৎ কৰাৰো অভিযোগ তুলিছে স্থানীয় ৰাইজে। সেয়ে টেক্স কালেক্টৰ আইজুলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট উৰ্ধতন কৰ্তৃপক্ষৰ প্ৰতি অনুৰোধ জনাইছে স্থানীয় ৰাইজে।

# গোৰেশ্বৰৰ খেতিপথাৰত ইটা-ভাটা স্থাপনৰ বিৰুদ্ধে কৃষক সমাজৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, গোৰেশ্বৰ, ২২ এপ্ৰিলঃ** গোৰেশ্বৰ আৰু কমলপুৰ ৰাজহ চক্ৰৰ অধীনৰ গুৰমৌ, ভেঁহবাৰী-গড়কা-জয়কুছি ৰাজহ গাঁৱৰ কৃষকে বিভিন্ন প্ৰজাতিৰ ধান খেতিকে ধৰি অন্যান্য কৃষিকাৰ্য কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈ অহাৰ উপৰি বছৰৰ ভাতমুঠি মোকোলাই অহা কৃষকৰ পথাৰত এটা দুষ্ট চক্ৰই ইটা-ভাতা স্থাপনৰ অপচেষ্টা কৰি অহাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে এলেকাবাসী। প্ৰতি বছৰত সোণালী শইচেৰে উপচি পৰা কেইবাহাজাৰ বিঘা মাটিকালিৰ কৃষিভূমিত ইটা-ভাতা স্থাপনৰ পিছত ক্ষয়-ক্ষতিৰ আশংকা কৰি দেওবাৰে উক্ত ৰাজহ গাঁওকেইখনৰ কেইবাশতাধিক পুৰুষ-মহিলাই দহোবন এৰি প্ৰখৰ ৰ'দকো আওকাণ কৰি হাতে হাতে বেনাৰ-প্লে'কাৰ্ড লৈ এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদী কৃষক-ৰাইজে সেউজী সোণবৰষা পথাৰত ইটা-ভাতা স্থাপনৰ অপচেষ্টা বন্ধ কৰক, গ্ৰাম্য প্ৰদূষণকাৰী হুঁচিয়াৰ, কৃষিভূমি থাকিলে জীৱন থাকিব, কৃষিভূমি ৰক্ষা কৰক আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কৃষকে ইটা-ভাতা স্থাপনৰ কাৰ্য বন্ধ নকৰিলে অনাগত দিনত জংগী আন্দোলন গ্ৰহণ কৰা হ'ব বুলিও সকীয়নি প্ৰদান কৰে। আনহাতে কৃষক ৰাইজে অভিযোগ কৰা মতে স্থানীয় এগৰাকী অৱসৰপ্ৰাপ্ত সেনা জোৱানে স্থানীয় এটা বিত্তীয় সংস্থাৰ পৃষ্ঠপোষকতাত নিজৰ মুনফাৰ বাবেই ইটা-ভাতা স্থাপন কৰি কৃষিজীৱী ৰাইজক ভাতে মৰাৰ ষড়যন্ত্ৰ কৰিছে। এই বিষয় লৈ অলপতে উক্ত গাঁওকেইখনৰ ৰাইজে কৃষিভূমিত ইটা-ভাতা স্থাপন কাৰ্য বন্ধৰ দাবীত চক্ৰ বিষয়াৰ জৰিয়তে জিলা আয়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছিল। স্মাৰক-পত্ৰৰ প্ৰতিলিপি বিটিআৰৰ স্থানীয় পাৰিষদকো পত্ৰ প্ৰদান কৰিছিল। স্মাৰক-পত্ৰত উল্লেখ কৰা মতে তামুলপুৰ আৰু কামৰূপ জিলাৰ অধীনৰ গুৰমৌ, ভেঁহবাৰী, গড়কা, লোক্ৰাবৰনগৰ, জয়কুছি গাঁৱৰ কৃষক ৰাইজে বিশাল আকাৰৰ কৃষিভূমিত কেইবাবছৰ ধৰি কৃষিকাৰ্য কৰি জীৱিকা অৰ্জন কৰি আহিছে। তামুলপুৰ জিলাৰ দক্ষিণ-পূব দিশৰ আৰু কামৰূপ জিলাৰ উত্তৰ-পূব দিশত থকা বিশাল আকাৰৰ একমাত্ৰ খেতিপথাৰখনক কেন্দ্ৰ কৰিয়েই কেইবাহাজাৰ লোকৰ বসতিপ্ৰধান এলেকা। এই কৃষিভূমিত স্থানীয় লোকজনে ৰাইজৰ কোনো মতামত নোলোৱাকৈ নিজৰ খেয়াল-খুচিত ইটা-ভাতা স্থাপনৰ অপচেষ্টা কৰিছে। ইটা-ভাতা স্থাপনৰ ফলত কৃষিভূমি বিনষ্ট হোৱাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ যে ক্ষতি হ'ব সেই কথা হয়তো ইটা-ভাতা স্থাপনৰ অপচেষ্টা কৰা ব্যক্তিগৰাকীয়ে অনুধাৱন কৰিব পৰা নাই। ইটা-ভাতা স্থাপন কাৰ্য বন্ধৰ ব্যৱস্থা কৰাৰ বাবেই স্মাৰক-পত্ৰত দাবী জনায়। প্ৰশাসনে এই বিষয়ে ব্যৱস্থা গ্ৰহণ নকৰিলে কৃষক ৰাইজে আমৰণ অনশনৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়নি দিয়ে।

# দুধনৈত হত্যাকাণ্ড, অৰ্ধগলিত অৱস্থাত মহিলাৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, ধূপধৰা, ২২ এপ্ৰিলঃ** গোৱালপাৰা জিলাৰ দুধনৈত আজি এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। দুধনৈ থানা আৰু দামৰা আৰক্ষী চকীৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ ৰংশীৰ ৰাজহুৱা শ্মশানৰ কাষতে অৰ্ধগলিত অৱস্থাত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মহিলাগৰাকীক কোনো লোকে হত্যা কৰি উক্ত ঠাইত পেলাই থৈ যোৱাৰ সন্দেহ কৰা হৈছে। এজন ই-ৰিক্সা চালকে প্ৰথমে মৃতদেহটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজক অৱগত কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত মেঘালয় আৰু অসম আৰক্ষীৰ দল উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। মৃতদেহৰ কাষতে এখন ছুৰী, এটা জিন্‌ছ পেণ্ট আৰু এটা মহিলাৰ বেগ উদ্ধাৰ কৰে আৰক্ষীয়ে। ৰঙা কাপোৰ পৰিধান কৰি থকা মহিলাগৰাকীৰ মৃত্যু তিনি দিনমান পূৰ্বে হোৱা বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। ইফালে প্ৰথম অৱস্থাত মহিলাগৰাকীক চিনাক্ত কৰিব পৰা হোৱা নাছিল যদিও মেঘালয়ৰ পৰা অহা কিছুসংখ্যক লোকে মৃতদেহটো চিনাক্ত কৰে। হত্যাৰ বলি হোৱা মহিলাগৰাকী উত্তৰ গাৰোপাহাৰ জিলাৰ চাৰেংমাৰ থেজিনা এম চাংমা (৪০) বুলি চিনাক্ত কৰা হৈছে। চাৰি সন্তানৰ মাতৃগৰাকী যোৱা শনিবাৰে বিয়লি পাঁচ মান বজাত ঘৰৰ পৰা ওলাই অহাৰ পিছৰে পৰা সন্ধানহীন হৈ পৰাৰ লগতে মোবাইল ফোন বন্ধ হৈ আছিল। মৃত মহিলাগৰাকীৰ পৰিয়ালে জনোৱা অনুসৰি এগৰাকী ৰহস্যময়ী যুৱতীয়ে মহিলাগৰাকীক ফোনযোগে মাতি আনিছিল। মৃতদেহটো তিনি দিনৰ অন্তত উদ্ধাৰ হয় যদিও স্কুটিখন এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। আৰক্ষীয়ে ৰহস্যময়ী যুৱতীগৰাকীক বিচাৰি অনুসন্ধান চলাইছে যদিও এতিয়ালৈকে কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই। এই হত্যাকাণ্ড কি কাৰণত সংঘটিত হ'ল বা কোনে হত্যা কৰিলে সেয়া পলায়ন কৰা যুৱতীগৰাকীক কৰায়ত্ত কৰা তথা আৰক্ষীৰ সঠিক তদন্তৰ পিছতহে পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে।

# ডিব্ৰুগড়ত বীৰাংগনা সতী সাধনী স্মৃতি দিৱস উদযাপন

ই-সংবাদ, ডিব্ৰুগড়, ২২ এপ্ৰিলঃ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত সদৌ চুতীয়া জাতি সম্মিলন, অসম, সদৌ চুতীয়া জাতি মহিলা সম্মিলন, অসম চুতীয়া যুৱ সম্মিলন, অসম, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, ডিব্ৰুগড় জিলা প্ৰশাসন আৰু বৃহত্তৰ গজপুৰীয়াবাসী ৰাইজৰ আতিথ্যত ৫০১ সংখ্যক কেন্দ্ৰীয় বীৰাংগনা সতী সাধনী স্মৃতি দিৱস ২১ এপ্ৰিলত মৰাণ গজপুৰীয়া বিহুতলী প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। বীৰাংগনা সতী সাধনী স্মৃতি দিৱস উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই অসমৰ সাহসী মহিয়সী চুতীয়া নাৰী সতী সাধনীৰ আত্মবলিদানক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে বুৰঞ্জীত দেশ আৰু জাতিৰ বাবে যিসকল মহীয়সী নাৰীয়ে আত্মবলিদান দিছে তেওঁলোকৰ ভিতৰত বীৰাংগনা সতী সাধনী অন্যতম বুলি উল্লেখ কৰে। বীৰাংগনা সতী সাধনীৰ আত্মবলিদানে নাৰী সমাজক মহীয়ান কৰি থৈছে বুলিও মন্ত্ৰী বিমল বৰাই নিজ ভাষণত উল্লেখ কৰে। আনহাতে, মন্ত্ৰী বিমল বৰাই বুৰঞ্জীপ্ৰসিদ্ধ চুতিয়াসকল অতি উৎকৃষ্টমানৰ কলা-সংস্কৃতিৰ অধিকাৰী বুলি উল্লেখ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চুতীয়াসকলে অনবদ্য অৱদান আগবঢ়াই আহিছে বুলি তেওঁ কয়। বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য ড০ জ্যোতিপ্ৰসাদ শইকীয়াই উদ্বোধন কৰা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে লোক সংস্কৃতিৰ সাধক তথা প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰাপক ড০ অনিল শইকীয়া। অনুষ্ঠানত বীৰাংগনা সতী সাধনীৰ এটি প্ৰতিমূৰ্তি উন্মোচন কৰে খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। অনুষ্ঠানত 'বন্দিতা সাধনী' শীৰ্ষক এখনি স্মৃতি গ্ৰন্থৰ উন্মোচন কৰে ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ বুধিন বৰুৱাই। অনুষ্ঠানত ভালেসংখ্যক গণ্য মান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## পঞ্চায়ত জয়ৰ লক্ষ্য সৰুপথাৰত আজি প্ৰচাৰ চলাব মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, সৰুপথাৰ, ২২ এপ্ৰিলঃ** সৰুপথাৰ সমষ্টিত কালি নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। কংগ্ৰেছ মুক্ত কৰাৰ লক্ষ্যৰে সৰুপথাৰত তৎপৰ হৈ পৰিছে শাসনাধিষ্ঠিত দলটো। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে সমাগত পঞ্চায়ত নিৰ্বাচনতে সৰুপথাৰ সমষ্টিটো কংগ্ৰেছ মুক্ত সমষ্টি কৰিম বুলি সমষ্টিটোৰ চুকে-কোণে ধাৰাবাহিকভাৱে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। এনে উদ্দেশ্যকে সাৰোগত কৰি বিধায়ক ফুকনে ৰাতি-দিন একাকাৰ কৰি নিৰ্বাচনী প্ৰচাৰত জড়িত হৈছে। বিধায়ক বিশ্বজিৎ ফুকনে নিজৰ লগতে সৰুপথাৰ নিৰ্বাচনী প্ৰচাৰত উঠিপৰি লগাৰ লগতে কাইলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সৰুপথাৰৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে।




### ৱেবছাইট ডিজাইন

যিকোনো ধৰণৰ ৱেবছাইট ডিজাইনিং, ৱেবছাইট আপগ্ৰেড কৰা আদিৰ বাবে যোগাযোগ কৰকঃ 98644-21357।

### ছ'চিয়েল মিডিয়া

ৰাজনৈতিক দল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ ছচিয়েল মিডিয়াৰ যিকোনো কামৰ বাবে যোগাযোগ কৰকঃ দ্য গ্ৰোথ গাইড, ফোনঃ 7002342103

বিজ্ঞাপন বুক কৰক
+৯১ ৯১০১৬-৬০১৮৫

FSSAI LICENSE NO.: 10324999000031
Sewaguri GOLD™
GARDEN FRESH ASSAM CTC TEA
SARU SEWAGURI, BARPATHAR,
GOLAGHAT, ASSAM, PIN :785602

## থলুৱাৰ ভূমিৰ অধিকাৰৰ দাবীত মেজমেল

**ই-সংবাদ, ২২ এপ্ৰিলঃ** টিৰাপ জনজাতীয় বেল্ট আৰু ব্লকত খিলঞ্জীয়া অসমীয়াসকলৰ ভূমি অধিকাৰ নিশ্চিতকৰণৰ সম্পৰ্কত মাৰ্ঘেৰিটাৰ মহকুমাৰ অন্তৰ্গত জাগুনৰ নাম-ফাই গাঁৱত আজি এখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত হয়। মেজমেলত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকেল দাবী কৰি কয় যে আজি বহু বছৰ ধৰি টিৰাপ জনজাতীয় বেল্টত বসবাস কৰি অহা অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ ভূমি অধিকাৰ নোহোৱা হৈছে। ভাৰত চৰকাৰে সমৰ্থন কৰা ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া অধিকাৰ চনদ ২০০৭ অনুসৰি অসমৰ খিলঞ্জীয়াৰ সাংবিধানিক সংজ্ঞা আৰু অসম চৰকাৰৰ অন্তৰ্গত খিলঞ্জীয়া-জনজাতীয় বিশ্বাস আৰু সাংস্কৃতি বিভাগৰ দ্বাৰা খিলঞ্জীয়াৰ সাংবিধানিক সংজ্ঞা শীঘ্ৰে প্ৰকাশ কৰিবৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে হেঁচা প্ৰয়োগ কৰিবৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। টিৰাপ জনজাতীয় বেল্টৰ সুৰক্ষাৰ স্বাৰ্থত খিলঞ্জীয়া জনগোষ্ঠীয় লোকৰ বাহিৰে বহিৰাগত লোকক ভূমি অধিকাৰ প্ৰদান নকৰিবলৈ হুংকাৰ দিয়ে। টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ দাবী কমিটীৰ দাবী অনুসৰি শীঘ্ৰে টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰিবলৈ চৰকাৰক বাধ্য কৰিবৰ বাবে সকলো ধৰণৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবৰ বাবে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয়। মেজমেলত ইণ্ডিজেনাজ পিপুলচ অৱ মৌং-ডুন-চুন-খাম, আছাম, নৰ্থ ইষ্ট ইণ্ডিয়াৰ সচিব প্ৰধান, অনুপ আৱন্ধৱা, টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ দাবী কমিটীৰ সাধাৰণ সম্পাদক, পল্লৱ শ্যাম ৰাইলুং, সদৌ মান-টাই ভাষী ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক, হুনচেন চটং, তিনিচুকীয়া জিলা কমিটীৰ, সাধাৰণ সম্পাদক জয়ন্ত পমুং, সাংগঠনিক সম্পাদক আইলট পমুং, টিৰাপ মৌজা খিলঞ্জীয়া টাই -আহোম ভূমি অধিকাৰ সুৰক্ষা সমিতিৰ সভাপতি, চাও চন্দ্ৰ কান্ত কোঁৱৰ, সাধাৰণ সম্পাদক, চাও টুখেশ্বৰ গগৈ আৰু সংগঠনটোৰ অন্যান্য বিষয়-ববীয়াসকল উপস্থিত থাকে।

আল্ফা বিষ্ট্ নিউট্ৰিচন
ALPHA BEAST NUTRITION
(TRUSTED SOURCE FOR NUTRITION)
Your One-Stop Supplement Store
All Genuine Supplement, Fitness Clothing & GYM Accessories
+91 99540 31090 Alpha Beast Nutrition nutrition.alphabeast
Kabita Mansion, 1st floor, Opp. Gauhati Commerce College, Rajgarh Link Road, No.1 Ghy-03, Assam




## পোপ ফ্ৰান্সিছৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা

**ই-সংবাদ, ২২ এপ্ৰিলঃ** পোপ ফ্ৰান্সিছৰ মৃত্যুত শ্ৰদ্ধা জনাই অসম চৰকাৰে দুদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰে। চৰকাৰী নিৰ্দেশত কোৱা হৈছে প্ৰয়াত বিশিষ্টজনৰ প্ৰতি শ্ৰদ্ধা জনাই ২২ আৰু ২৩ এপ্ৰিলত দুদিনীয়া ৰাজ্যিক শোক পালন কৰা হ'ব। অন্ত্যেষ্টিক্ৰিয়াৰ দিনা এদিনৰ ৰাজ্যিক শোক পালন কৰা হ'ব। শোকৰ দিনা, ৰাষ্ট্ৰীয় পতাকাখন সমগ্ৰ অসমত অৰ্ধনমিতকৈ উৰুওৱা হ'ব। এই সময়ছোৱাত চৰকাৰৰ কোনো আনুষ্ঠানিক মনোৰঞ্জনৰ কাৰ্যসূচী নাথাকিব।

# নগাঁৱত প্ৰাক্তন খেলুৱৈ মঞ্জুলা লস্কৰৰ ওপজা দিন উদযাপন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২২ এপ্ৰিলঃ** প্ৰাক্তন ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ, অসম যোগ সংস্থাৰ কোষাধ্যক্ষ, এছিয়ান যোগ ৰেফাৰী আৰু ৰাজ্যিক পৰ্যায়ৰ ভলীবল ৰেফাৰী নগাঁৱৰ মঞ্জুলা লস্কৰৰ ৬৫ সংখ্যক ওপজা দিনটো যোৱা ২০ এপ্ৰিলত উদযাপন কৰা হয়। এই উপলক্ষে সেইদিনা সন্ধিয়া ৮ বজাত অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশিকা, নগাঁও জিলাৰ প্ৰথমগৰাকী শাৰীৰিক শিক্ষাৰ স্নাতক মহিলা মঞ্জুলা লস্কৰৰ নগাঁও চহৰৰ আমোলাপট্টিৰ বাসগৃহত ক্ৰীড়া সংগঠক সমীৰ হাজৰিকাই আঁত ধৰি আগবঢ়াই নিয়া অনুষ্ঠানত নগাঁও ক্ৰীড়া সংস্থাৰ কোষাধ্যক্ষ, প্ৰবীন ক্ৰীড়া সাংবাদিক, জ্যেষ্ঠ অধিবক্তা তথা ন'টাৰী অসীম কুমাৰ ভাৱাল, ডছন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তপন শইকীয়া, নগাঁও জিলা খো খো সন্থাৰ বিষয়ববীয়া তথা অসম যোগ সংস্থাৰ কাৰিকৰী সঞ্চালক বিচিত্ৰৰঞ্জন বৰা আৰু যুৱ কৰ্মী প্ৰিয়ানুজ শইকীয়াকে ধৰি ভালেসংখ্যক শুভাকাংক্ষীয়ে লস্কৰক ফুলাম গামোচা তথা আন উপহাৰেৰে সম্ভাষণ জনাই ওপজা দিনৰ ওলগ যাচে। ত্ৰিনয়ন গোষ্ঠী, শ্বাইনছ প্লেয়াৰ্ছ, সান্নিধ্য, নগাঁও জিলা খো খো সন্থা আৰু যোগ সন্থা আদিকে ধৰি আন কেইবাটাও অনুষ্ঠানৰ তৰফৰ পৰা ওপজা দিনৰ মঞ্জুলা লস্কৰক শুভেচ্ছা জনোৱা অনুষ্ঠানটোত অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক সমীৰ হাজৰিকা আৰু ক্ৰীড়া সংগঠক অসীম কুমাৰ ভাৱালে নগাঁও জিলা যোগ সন্থাৰ কাৰ্যকৰী সভাপতি মঞ্জুলা লস্কৰে সামাজিক তথা ক্ৰীড়া ক্ষেত্ৰত আগবঢ়োৱা কৰ্মৰাজি যুৱ সমাজৰ বাবে অনুকৰণীয় বুলি উল্লেখ কৰে। শুভাকাংক্ষীসকলৰ তৰফৰ পৰা ওলগ গ্ৰহণ কৰি মৃদুভাষী মঞ্জুলা লস্কৰে অনাবিল সুখ অনুভৱ কৰাৰ বিষয়ে উল্লেখৰে এনে অনুষ্ঠানে বৰ্ষীয়ান লোকসকলক অধিক কৰ্মক্ষম হৈ থকাৰ বাবে উৎসাহিত কৰে বুলি অভিমতো দাঙি ধৰে। অনুষ্ঠানৰ শেষত যোগ ক্ৰীড়াৰ মহিলা সংগঠক মঞ্জুলা লস্কৰৰ লগতে পৰিয়ালবৰ্গৰ সৈতে শুভাকাংক্ষীসকলৰ মুকলি মত-বিনিময় হয়।



আইপিএল ২০২৫: কলকাতাৰ উইকেট দখলৰ পিছত উল্লাস গুজৰাটৰ ৰাছিদ, চিৰাজৰ



আইপিএল ২০২৫: লক্ষ্ণৌৰ বিৰুদ্ধে উইকেট দখলৰ পিছত চেলিব্ৰেশ্যন দিল্লীৰ অধিনায়ক অক্ষৰ পেটেলৰ

## তালিকাত স্থান লাভ মুঠ ৩৪ জনৰ, এ+ গ্ৰেডত ৰোহিত, বিৰাট

# জাতীয় দলৰ বাৰ্ষিক খেলুৱৈ চুক্তিৰ তালিকা প্ৰকাশ বিচিচিআইৰ

**নতুন দিল্লী, ২২ এপ্ৰিলঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ভাৰতীয় জাতীয় দল (চিনিয়ৰ পুৰুষ শাখা)ৰ ২০২৪-২৫ ছিজনৰ বাৰ্ষিক খেলুৱৈ চুক্তিৰ তালিকা ঘোষণা কৰিছে। এই চুক্তিৰ ম্যাদ চলিত বৰ্ষৰ ১ অক্টোবৰৰ পৰা অহা বছৰৰ ৩০ ছেপ্টেম্বৰলৈ কাৰ্যকৰী হ'ব। মুঠ ৩৪ গৰাকী ক্ৰিকেটাৰক এইবাৰৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু তেওঁলোকৰ প্ৰদৰ্শন, ফিটনেছ আৰু দললৈ আগবঢ়োৱা অৱদানৰ ভিত্তিত চাৰিটা গ্ৰেডত ভাগ কৰা হৈছে। এ+ গ্ৰেডত অন্তৰ্ভুক্ত কৰা হৈছে মাত্ৰ চাৰিজন খেলুৱৈক। তেওঁলোক হৈছে ৰোহিত শৰ্মা, বিৰাট কোহলী, যশপ্ৰীত বুমৰাহ আৰু ৰবীন্দ্ৰ জাডেজা। ইয়াৰ পিছতে মহম্মদ চিৰাজ, কে এল ৰাহুল, শুভমন গিল, হাৰ্দিক পাণ্ডিয়া, মহম্মদ ছামি আৰু ঋষভ পন্তক এ গ্ৰেডত স্থান দিয়া হৈছে। বি গ্ৰেডত সূৰ্য্যকুমাৰ যাদৱ, কুলদীপ যাদৱ, অক্ষৰ পেটেল, যশস্বী জয়ছৱাল আৰু শ্ৰেয়াছ আয়াৰক অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে সৰ্ববৃহৎ তালিকাখন আছে চি গ্ৰেডত, য'ত ২৫ জন খেলুৱৈৰ নাম উল্লেখ কৰা হৈছে। তেওঁলোকৰ ভিতৰত আছে ৰিংকু সিং, তিলক বাৰ্মা, ঋতুৰাজ গাইকৱাদ, শিৱম ডুবে, ৰবি বিশ্নোই, ৱাশ্বিংটন সুন্দৰ, মুকেশ কুমাৰ, সঞ্জু চেমচন, অৰ্জদীপ সিং, প্ৰসিদ্ধ কৃষ্ণ, ৰজত পাটিদাৰ, ধ্ৰুৱ জুৰেল, সৰফৰাজ খান, নীতিশ ৰেড্ডী, ঈশান কিষাণ, অভিষেক শৰ্মা, আকাশ দীপ, বৰুণ চক্ৰৱৰ্তী আৰু হৰ্ষিত ৰানাৰ দৰে খেলুৱৈ। এই তালিকা প্ৰকাশ কৰি বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই কয় যে এই খেলুৱৈ ধৰি ৰখা প্ৰক্ৰিয়াটো ক্ৰিকেটাৰসকলৰ ওপৰত ব'ৰ্ডৰ আস্থা আৰু তেওঁলোকৰ ভৱিষ্যতৰ ওপৰত বিনিয়োগৰ প্ৰতিফলন।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি